www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজ মাতৃক অবহেলা কৰি দেশ মাতৃক সেৱা কৰাৰ চেষ্টা ভণ্ডামি মাথোঁন — তৰুণ ৰাম ফুকন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ৩০৩ ▫ শুকুৰবাৰ ▫ ১১ ছেপ্টেম্বৰ, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 303 ▫ Friday ▫ 11th September, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page-8

### ৭ বছৰৰ মূৰত ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে ঝি জিনপিঙ

## ১২-১৩ ছেপ্টেম্বৰত নতুন দিল্লীত উপস্থিত হ'ব চীনৰ ৰাষ্ট্ৰপতি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ** প্ৰায় সাত বছৰৰ মূৰত ভাৰত ভ্ৰমণলৈ আহিব চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং। নতুন দিল্লীত ১২ আৰু ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া ১৮সংখ্যক ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে তেওঁ ভাৰতলৈ আহিব। চীনৰ বৈদেশিক মন্ত্ৰণালয়ে বৃহস্পতিবাৰে ঝি জিনপিঙৰ ভাৰত ভ্ৰমণৰ কথা ঘোষণা কৰে। চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰই জনোৱা মতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত ঝি জিনপিঙে ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনৰ সময়ছোৱাত তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পৃথক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনাও আছে। ঝি জিনপিঙৰ এই ভ্ৰমণত ভাৰত—চীন দ্বিপাক্ষিক সম্পৰ্ক, সীমান্ত সমস্যা আৰু আঞ্চলিক নিৰাপত্তাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। ▫ ৬ পৃষ্ঠাত

### ৰাছিয়াৰ তিনিখন বিশেষ বিমান নয়ডা বিমানবন্দৰত অৱতৰণ

## ১১ ছেপ্তেম্বৰত পুটিন-মোদীৰ দ্বিপাক্ষিক বৈঠক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ১৮ সংখ্যক ব্ৰিকছ সন্মিলনৰ বাবে ৰাজধানী চহৰখনত এতিয়া ব্যাপক প্ৰস্তুতি চলিছে। এই বহু প্ৰত্যাশিত বিশ্ব সন্মিলনখনত অংশগ্ৰহণ কৰিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলৰ আগমন ▫ ৬ পৃষ্ঠাত



### আই আই টি গুৱাহাটীক ৰাজ্যৰ জ্ঞান আৰু প্ৰযুক্তি সংগী হিচাপে গঢ়ি তোলাৰ আহ্বান

## শক্তি খণ্ডৰ উন্নয়ন আৰু হাইড্ৰ'কাৰ্বন সম্ভাৱনা লৈ আই আই টি গুৱাহাটীত বিশেষ কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ উদ্যোগত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীত এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰত্যক্ষভাৱে উপস্থিত থাকি ভাষণ প্ৰদান ▫ ৬ পৃষ্ঠাত

### নগাঁও লোকসভা উপনিৰ্বাচনৰ প্ৰাকক্ষণত চামগুৰিত দুই জ্যেষ্ঠ কংগ্ৰেছ নেতাৰ দলত্যাগ

## ৰকিবুল হুছেইন-তাঞ্জিল হুছেইনৰ বিৰুদ্ধে ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ১০ ছেপ্তেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনৰ প্ৰাকমুহূৰ্তত চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ সংগঠনত এক গুৰুত্বপূৰ্ণ আঘাত পৰিছে। চামগুৰি সমষ্টিৰ কংগ্ৰেছৰ দুজন জ্যেষ্ঠ নেতাই দল এৰিছে। দলত্যাগ কৰা নেতা দুজন হৈছে ▫ ৬ পৃষ্ঠাত

### ৰিয়া হত্যাকাণ্ড ঃ 'No Regrets, No Apologies'ৰ পিছত মুখত 'জয় শ্ৰীৰাম'

# ছদিনৰ পিছতো অনুশোচনাহীন ৰামানুজ

### ■ 'মই কৰা বেয়া কাম আনে নকৰিব' ঃ হাতীগাঁও আৰক্ষীৰ তদন্ত অব্যাহত ■

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ছেপ্তেম্বৰ ঃ** ৰাজ্যত চাঞ্চল্য সৃষ্টি কৰা গুৱাহাটীৰ বশিষ্ঠপুৰৰ ৰিয়া তালুকদাৰ হত্যাকাণ্ডৰ ৬ দিন পাৰ হ'লেও অভিযুক্ত স্বামী ৰামানুজ গোস্বামীৰ মনত কোনো অনুশোচনা নাই। হাতীগাঁও আৰক্ষীৰ জিম্মাত থকা ৰামানুজ গোস্বামীয়ে বৃহস্পতিবাৰে স্বাস্থ্য পৰীক্ষা কৰিবলৈ যাওঁতে সংবাদমাধ্যমৰ সন্মুখীন হয়। সেই সময়ত তেওঁ পুনৰ "No Regrets, No Apologies" বুলি উচ্চাৰণ কৰে আৰু "জয় শ্ৰীৰাম" বুলি মন্তব্য কৰে। হাঁহি হাঁহি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে পত্নীৰ আঙুলি ক'ত ৰখা হৈছে বুলি সোধা প্ৰশ্নত তেওঁ কোনো উত্তৰ নিদি কেৱল বেঁকা হাঁহি মাৰে। ▫ ৬ পৃষ্ঠাত



## তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ বাতিল

### ব্ৰিকছ সন্মিলনৰ পূৰ্বে বাংলাদেশৰ সিদ্ধান্তক লৈ নতুন চৰ্চা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ** বাংলাদেশৰ পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিৰ মাজতে প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ বাতিলৰ সিদ্ধান্তই নতুনকৈ কূটনৈতিক চৰ্চাৰ সৃষ্টি কৰিছে। নিৰ্বাচনৰ পাছত প্ৰথম বিদেশ ভ্ৰমণ হিচাপে চীনক বাছি ▫ ৬ পৃষ্ঠাত

### "'অন্তিম মুহূৰ্তৰ ভিডিঅ' মোৰ ওচৰত আছিল, জিঅ' টেগ আৰু লোকেচনসহ আদালতত দাখিল কৰিছোঁ"

## জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰায় এবছৰ পিছত ফাষ্টট্ৰেক আদালতত সুস্মিতা গোস্বামীৰ সাক্ষ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অৱশেষত মুখ খুলিলে ছিংগাপুৰ প্ৰৱাসী অসমীয়া সুস্মিতা গোস্বামীয়ে। অসমীয়াৰ প্ৰাণশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰায় ৩৫৬ দিনৰ পিছত তেওঁ কেমেৰাৰ সন্মুখত মুখ খোলে। ফাষ্টট্ৰেক আদালতত তিনিদিন ধৰি সাক্ষ্য প্ৰদান কৰাৰ পিছত সুস্মিতা গোস্বামীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰে। জুবিন ▫ ৬ পৃষ্ঠাত

### গুৱাহাটীৰ খুচুৰা ৰিয়েল ইষ্টেট বজাৰত নতুন গতি

## ১৬০০ কোটি টকাৰ চুক্তিৰে গেলেক্সি কমপ্লেক্সৰ সম্পূৰ্ণ মালিকীস্বত্ব ৰাজ্য চৰকাৰৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** বৰ্তমান সময়ত ৰিয়েল ইষ্টেট ব্যৱসায়ে বিশাল পৰিসৰ লাভ কৰিছে। চৌদিশে বৃহৎ বৃহৎ অট্টালিকা গঢ় লৈ উঠিছে। দেশৰ বিভিন্ন নগৰ-চহৰত সৰু সৰু এপাৰ্টমেণ্টৰ চাহিদাও বৃদ্ধি পাইছে। এই পৰিস্থিতিত গুৱাহাটী মহানগৰীৰ ৰিয়েল ইষ্টেট বজাৰখন কেনেদৰে আগবাঢ়িছে, সেই সম্পৰ্কে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে সামাজিক মাধ্যমত এক পোষ্ট প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই পোষ্টত উল্লেখ কৰা মতে, "গুৱাহাটী মহানগৰীৰ ৰিয়েল ইষ্টেটৰ খুচুৰা বজাৰখন আজিকালি অত্যন্ত আকৰ্ষণীয় হৈ পৰিছে। নেক্সাছ চিলেক্ট ট্ৰাষ্টৰ অধীনত ৰাজ্য চৰকাৰে ইতিমধ্যে ১৬০০ কোটি টকীয়া এক চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিৰ অধীনত নিৰ্মীয়মান গেলেক্সি কমপ্লেক্সৰ ১০০ শতাংশ মালিকীস্বত্ব ৰাজ্য চৰকাৰে লাভ কৰিব। এই চৌহদত ৫ লাখ বৰ্গফুটৰ ▫ ৬ পৃষ্ঠাত

## নলবাৰীত পেপচিক'ৰ খাদ্য উৎপাদন কেন্দ্ৰ উদ্বোধন

### অসমতে আলু উৎপাদন কৰি উদ্যোগ সফল কৰাৰ আহ্বান মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** নলবাৰীৰ বানেকুছি ৰাজহ চক্ৰৰ অন্তৰ্গত বনভাগ শোলমাৰী গাঁৱত বহু প্ৰত্যাশিত পেপচিক' খাদ্য উৎপাদন কেন্দ্ৰটো উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে যে অসমত উৎপাদিত আলু এই উদ্যোগত ব্যৱহাৰ হ'ব। কোম্পানীটোৱে ৫০০০ কৃষকৰ পৰা আলু ক্ৰয় কৰাৰ লগতে বছৰি ৭০ হাজাৰ মেট্ৰিক টন পৰ্যন্ত আলু কিনাৰ প্ৰচেষ্টা চলাব। মুখ্যমন্ত্ৰীয়ে কৃষকসকলক এই সুবিধা গ্ৰহণ ▫ ৬ পৃষ্ঠাত



## জলসিঞ্চনৰ পৰিসৰ বৃদ্ধি আৰু আঁচনি সময়মতে সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে পৰ্যালোচনা বৈঠক

### গুণগত মানত আপোচ নকৰি সময়মতে কাম সম্পূৰ্ণ কৰিবলৈ ঠিকাদাৰসকলক মন্ত্ৰী পীযুষ হাজৰীকাৰ কঠোৰ নিৰ্দেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ কৃষিক্ষেত্ৰত জলসিঞ্চনৰ পৰিসৰ বৃদ্ধি কৰা আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনিসমূহৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্যৰে বৃহস্পতিবাৰে দিশপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ ▫ ৬ পৃষ্ঠাত

### ধুবুৰীত অসম জাতীয় পৰিষদৰ সাংগঠনিক সভাত লুৰীণজ্যোতি গগৈ

## বিজেপিক উৎখাত কৰাটোৱেই মূল লক্ষ্য, কংগ্ৰেছৰে মিত্ৰতা পিছৰ সিদ্ধান্ত ঃ লুৰীণজ্যোতি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে বৃহস্পতিবাৰে ধুবুৰীত উপস্থিত হৈ দলীয় এক সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত তেওঁ বিজেপিৰ বিৰুদ্ধে বিৰোধী শক্তিসমূহক ঐক্যবদ্ধ কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ স্পষ্ট কৰে যে বিজেপিক উৎখাত কৰাটোৱেই ▫ ৬ পৃষ্ঠাত

### ছালবনী ভূমি জালিয়াতি গোচৰত পশ্চিম বংগ চিআইডিৰ জালত

## অভিষেক বেনাৰ্জীৰ ব্যক্তিগত সহায়ক সুমিত ৰায়ক গ্ৰেপ্তাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** পশ্চিমবংগ আৰক্ষীৰ চিআইডিয়ে তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মহাসচিব অভিষেক বেনাৰ্জীৰ ব্যক্তিগত সহায়ক সুমিত ৰায়ক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰৰ পূৰ্বে তেওঁ বৃহস্পতিবাৰলৈকে আদালতৰ পৰা অন্তৰ্বৰ্তীকালীন সুৰক্ষা লাভ কৰিছিল। কিন্তু উচ্চতম ন্যায়ালয়ে তেওঁৰ আগতীয়া জামিনৰ আবেদন নাকচ কৰে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ন্যায়াধীশ ভি মোহানাৰ বিচাৰপীঠে ৬ আগষ্টত সুমিত ৰায়ক অন্তৰ্বৰ্তীকালীন সুৰক্ষা প্ৰদান কৰিছিল। বুধবাৰে উচ্চতম ন্যায়ালয়ত শুনানিৰ সময়ত ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই সুমিত ৰায়ক সোধ-পোছৰ বাবে আটক কৰাৰ পক্ষে কঠোৰ যুক্তি দাখিল কৰে। ভূমি কেলেংকাৰীৰ গোচৰত তেওঁ তদন্তকাৰী বিষয়াৰ প্ৰশ্ন এৰাই চলিছে বুলি ▫ ৬ পৃষ্ঠাত

## ব্ৰিটিছ ভাৰ্চুৱেল বেণ্ড 'গৰিলাজে'ৰ গুৱাহাটীত প্ৰথমটো পৰিবেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ছেপ্তেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে জনোৱা অনুসৰি, বিখ্যাত ব্ৰিটিছ ভাৰ্চুৱেল বেণ্ড 'গৰিলাজে' তেওঁলোকৰ প্ৰথমটো ভাৰত ভ্ৰমণৰ অংশ ▫ ৬ পৃষ্ঠাত



বেংগালুৰু আৰু মুম্বাইতো অনুষ্ঠান কৰিব পৰিৱেশন

### ■ সৰুপথাৰত গোলাঘাট আৰক্ষীৰ অভিযান ■

## ONGC পাইপলাইনৰ তেল চুৰি সন্দৰ্ভত সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** ONGCৰ পাইপলাইনৰ পৰা অবৈধভাৱে খাৰুৱা তেল চুৰি কৰা ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত সমজিলা আৰক্ষী অধীক্ষক দ্বীপেন পাটৰক গ্ৰেপ্তাৰ কৰা হৈছে। গোলাঘাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকজন দাসৰ নেতৃত্বত এক বৃহৎ আৰক্ষী দলে অভিযান চলাই তেওঁক কৰায়ত্ত কৰে। ধৃত আৰক্ষী বিষয়াজনক বৰ্তমান সৰুপথাৰ আৰক্ষী থানাত ৰখা হৈছে। ঘটনাৰ সূত্ৰ অনুসৰি, ৩ আগষ্টত আৰক্ষী আৰু ONGC কৰ্তৃপক্ষৰ যৌথ অভিযানত সৰুপথাৰৰ উৰিয়ামঘাটস্থ ৰজাপুখুৰী শ্যামগাঁৱত ONGCৰ পাইপলাইন ফুটা কৰি তেল চুৰি কৰাৰ ঘটনাৰ ৰহস্য ▫ ৬ পৃষ্ঠাত



## দিল্লীত চংথাম বিক্ৰম সিঙৰ স্মৃতিচাৰণ সভাত যোগ দিব ৰাহুল গান্ধীয়ে

### উত্তৰ-পূবৰ লোকৰ নিৰাপত্তা লৈ গৃহ মন্ত্ৰালয় আৰু দিল্লী আৰক্ষীক প্ৰশ্ন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ ছেপ্তেম্বৰ ঃ** ৰাজধানী দিল্লীত মণিপুৰৰ সংগীতশিল্পী চংথাম বিক্ৰম সিঙৰ নৃশংস হত্যাকাণ্ডই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে ঘোষণা কৰিছে যে তেওঁ ড° আম্বেদকাৰ আন্তৰ্জাতিক কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া স্মৃতিচাৰণ সভাত অংশগ্ৰহণ কৰিব। এই সভাত তেওঁ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমত পোষ্ট কৰি লিখিছে যে আজি সন্ধিয়া তেওঁ চংথাম বিক্ৰম সিঙৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিবলৈ স্মৃতিচাৰণ সভাত যোগ দিব। তেওঁ কয়, ▫ ৬ পৃষ্ঠাত

### ৰেডিছন ব্লুত আনুষ্ঠানিক মুকলি; ১২ হাজাৰ প্ৰতিযোগীৰ সম্ভাৱনা

## গুৱাহাটীত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মাৰাথন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ ছেপ্তেম্বৰ ঃ** ৰাজ্যৰ ক্ৰীড়া ইতিহাসত নতুন অধ্যায় সংযোজন কৰি গুৱাহাটীত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মাৰাথন অনুষ্ঠিত হ'ব। ২০২৭ চনৰ ৭ ফেব্ৰুৱাৰীত এই বৃহৎ ক্ৰীড়া অনুষ্ঠানটি অনুষ্ঠিত হ'ব। আজি হোটেল ৰেডিছন ব্লুত আনুষ্ঠানিক মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিশ্ব ক্ৰিকেট কিংবদন্তি সুনীল গাভাস্কাৰে যুটীয়াভাৱে প্ৰথম গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথনৰ শুভাৰম্ভ কৰে। আয়োজকৰ মতে, এই মাৰাথনত প্ৰায় ১২ হাজাৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ইয়াত ফুল মাৰাথন, হাফ মাৰাথন, ১০ কিলোমিটাৰ, ৫ কিলোমিটাৰ আৰু ১.৫ কিলোমিটাৰৰ বিশেষ দৌৰ শাখা থাকিব। ফুল মাৰাথনৰ দূৰত্ব ৪২.১৯৫ কিলোমিটাৰ আৰু হাফ মাৰাথনৰ দূৰত্ব ২১.০৯৭ কিলোমিটাৰ। বিজয়ীসকলৰ বাবে মুঠ ১ কোটি ২৫ লাখ টকাৰ পুৰস্কাৰ ৰখা হৈছে। ভাৰতৰ তাৰকা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধুৱে এই মাৰাথনৰ ব্ৰেণ্ড এম্বেছাদৰ হিচাপে দায়িত্ব লৈছে। অংশগ্ৰহণকাৰীয়ে ১১ ছেপ্তেম্বৰৰ পৰা অনলাইনযোগে ▫ ৬ পৃষ্ঠাত



জিলা প্ৰশাসনে আঁতৰাইছে ৰাজনৈতিক দল আৰু ব্যক্তিৰ বেনাৰ-পোষ্টাৰ

# নগাঁও উপ-নিৰ্বাচনৰ আনুষ্ঠানিক অধিসূচনা জাৰি

## আয়ুক্তৰ কাৰ্যালয় চৌহদত ব্যক্তিগত যানবাহনৰ প্ৰৱেশত বাধা

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে এই নিৰ্বাচনৰ ৰিটাৰ্নিং বিষয়া তথা নগাঁও জিলা নিৰ্বাচন বিষয়া আৰণ্যক শইকীয়াই আজি আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰিছে। সেই অনুসৰি আজিৰে পৰাই মনোনয়ন দাখিলৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মনোনয়ন পত্ৰ গ্ৰহণৰ বাবে সহকাৰী ৰিটাৰ্নিং বিষয়া হিচাপে অতিৰিক্ত আয়ুক্ত পল্লৱী গগৈক দায়িত্ব অৰ্পন কৰা হৈছে। অহা ১৬ ছেপ্টেম্বৰৰ ভিতৰত দিনৰ ১১ বজাৰ পৰা আবেলি ৩ বজাৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। পিছদিনা মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব আৰু ১৯ ছেপ্টেম্বৰৰ আবেলি ৩ বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ইফালে, আন এক আদেশ যোগে জিলা আয়ুক্তগৰাকীয়ে জনাইছে যে, মনোনয়ন দাখিলৰ বাবে আহিব লগীয়া ব্যক্তিৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত সৰ্বাধিক তিনিখন গাড়ীহে প্ৰৱেশ কৰিব পাৰিব। এজন প্ৰাৰ্থীৰ হকে মনোনয়ন পত্ৰ দাখিলৰ বাবে সৰ্বাধিক পাঁচজন ব্যক্তিহে জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰিব পাৰিব। সুকলমে মনোনয়ন পত্ৰ দাখিলৰ সুবিধাৰ্থে আৰু নিৰাপত্তা জনিত কাৰণত অহা ১৪ ছেপ্টেম্বৰৰ পৰা ১৭ ছেপ্টেম্বৰলৈ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত ব্যক্তিগত যানবাহনৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। নগাঁও জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। এই প্ৰস্তুতিৰ অংশস্বৰূপে কালি সন্ধিয়া জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ নিৰ্বাচনী পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত, জিলা আয়ুক্তই গণতান্ত্ৰিক মৰ্যাদা অক্ষুণ্ণ ৰাখি নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ, অন্তৰ্ভুক্তিমূলক, শান্তিপূৰ্ণ আৰু ভোটাৰ অনুকূল কৰি তোলাটোৱে মূল লক্ষ্য বুলি প্ৰকাশ কৰে। নিৰ্বাচন আয়োগৰ ঘোষণা অনুসৰি অহা ৬ অক্টোবৰত ভোটগ্ৰহণ আৰু ৯ অক্টোবৰত ভোটগণনা সম্পন্ন হ'ব। সভাত নিৰ্বাচনী বিধি অনুসৰি ল'বলগীয়া আটাইবোৰ কাৰ্যৰ বিষয়ে আলোকপাত কৰা হয়। বৈঠকত জিলা আয়ুক্তই আগন্তুক উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধি কঠোৰভাৱে পালন কৰিবলৈ সকলো প্ৰশাসনিক, আৰক্ষী আৰু বিভাগীয় বিষয়াক স্পষ্ট নিৰ্দেশ দিয়ে। লগতে নিৰ্বাচনৰ লগত জড়িত প্ৰতিটো বিভাগক নিজৰ দায়িত্বসমূহ সঠিকভাৱে পালন কৰি আগতীয়াকৈ যাৱতীয় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আয়ুক্তগৰাকীয়ে নিৰ্দেশ প্ৰদান কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি. ভি. ৰাকেশ ৰেড্ডীয়ে সমাগত উপ-নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হ'ব বুলি উল্লেখ কৰি সকলো স্তৰতে আইন-শৃংখলা পৰিস্থিতি অক্ষুণ্ণ ৰাখিবলৈ আৰক্ষী প্ৰশাসন সম্পূৰ্ণৰূপে সাজু আছে বুলি অৱগত কৰে। তেওঁ লগতে ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ নিৰাপত্তা আৰু সংবেদনশীল অঞ্চলসমূহত অতিৰিক্ত বাহিনী নিয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই গুৰুত্বপূৰ্ণ বৈঠকত, ৰহা সম-জিলাৰ আয়ুক্ত, ড° অংকিতা বৰা, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে পল্লৱী গগৈ, কমল জিৎ শৰ্মা, গোপাল শৰ্মা, মৃদুল বড়ো, দিপাংকৰ বৰ্মন, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজি তালুকদাৰ, নিৰ্বাচন বিষয়া প্ৰতিশা দত্ত, সহকাৰী আয়ুক্ত শেখৰণ ফুকন প্ৰমুখ্যে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, চি. আৰ.পি.এফ.চক্ৰ বিষয়াসকল, খণ্ড উন্নয়ন বিষয়াসকল আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। নিৰ্বাচনী আচৰণবিধি বলবৎ হোৱাৰ লগে লগে কালিৰে পৰা নগাঁও জিলাৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ পাঁচটা বিধানসভা সমষ্টিত অবৈধ বিজ্ঞাপন তথা প্ৰচাৰ সামগ্ৰী অপসাৰণৰ এক ব্যাপক অভিযান আৰম্ভ কৰা হৈছে। এই নিৰ্দিষ্ট সমষ্টিকেইটা হৈছে ক্ৰমে ৫৫নং ধিং, ৫৬নং ৰূপহীহাট, ৫৮ নং চামগুৰি, ৬০নং নগাঁও -বটদ্ৰৱা আৰু ৬১নং ৰহা (অনুসূচীত জাতি) সমষ্টি। নিৰ্বাচনী আইন আৰু নিৰ্দেশনাৱলী কঠোৰভাৱে পালন কৰাৰ উদ্দেশ্যে প্ৰশাসনৰ তৰফৰ পৰা এই অভিযানৰ অংশস্বৰূপে ৰাজনৈতিক ব্যক্তি আৰু বিভিন্ন ৰাজনৈতিক দলৰ দ্বাৰা প্ৰদৰ্শিত বেনাৰ, প'ষ্টাৰ, হোৰ্ডিং আৰু ফ্লেগসমূহ তৎপৰতাৰে আঁতৰাই পেলোৱা হয়।

ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টিক আৰু আদৰ্শ নতুন প্ৰজন্মৰ মাজলৈ অধিক ব্যাপকভাৱে লৈ যোৱাৰ ক্ষেত্ৰত সমাজৰ দায়িত্ব আছে ঃ মনজিৎ বৰা

# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সুধাকণ্ঠক স্মৰণ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তীৰ শতবৰ্ষ উপলক্ষে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত আৰু সমূহ শাখা সাহিত্য সভাৰ সহযোগত শিল্পী গৰাকীক স্মৰণ কৰা হয়। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে সুধা কণ্ঠগৰাকীৰ শ্ৰদ্ধা জনোৱা হয়। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সম্পাদক ভাগ্যেশ্বৰ গগৈয়ে আঁতধৰা আৰু দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানত পুৰা গছপুলি ৰোপণ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক লৱণু শইকীয়াই। অসমৰ সাহিত্য-সাংস্কৃতিক সমাজ জীৱনৰ মহীৰূপ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয়ত দিনযোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত আৰু সকলো শাখা সাহিত্য সভাৰ সহযোগত ৮ ছেপ্টেম্বৰৰ সুধাকণ্ঠৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা পিছতে পুৰা কাৰ্যালয়লৈ যোৱা নৱনিৰ্মিত পথটোৰ মাংগলিক ধ্বনিৰে উন্মোচন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে। সমান্তৰালভাৱে, কাৰ্যালয় চৌহদত এক দীৰ্ঘদিনীয়া অভাৱ দূৰ কৰি এক বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থাৰো শুভ উন্মোচন কৰে জিলাৰ সম্পাদক ভাগ্যেশ্বৰ গগৈয়ে আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি - সম্পাদকৰ নামফলক আনুষ্ঠানিকভাৱে মুকলি কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগে। আজিৰ এই বিশেষ দিনটো ডিব্ৰুগড় সাহিত্য সভাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক উল্লেখনীয় দিন হিচাপে পৰিগণিত হৈছে আৰু সাহিত্য সভাৰ বৌদ্ধিক চৰ্চা আৰু ভাষণ প্ৰদানৰ বাবে এটি নতুন প'ডিয়াম আনুষ্ঠানিকভাৱে মুকলি কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহঃ সম্পাদক অজিত বুঢ়াগোহাঁইয়ে এই পবিত্ৰ দিনটোতে নতুন প'ডিয়ামটো আনুষ্ঠানিকভাৱে উন্মোচন কৰি সাহিত্যপ্ৰেমী ৰাইজৰ নামত উৎসৰ্গা কৰা লগতে প'ডিয়ামৰ দাতা লৱণু শইকীয়াক শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ গীতে-মাতে জীপাল হৈ উঠে সাহিত্য সভাৰ প্ৰাঙ্গণ। মুকলি সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈয়ে। উদ্বোধন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য নেমল চন্দ্ৰ গগৈয়ে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সম্পাদক ভাগ্যেশ্বৰ গগৈয়ে আঁত ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ শিক্ষা উপ-সমিতিৰ সদস্য তথা 'অসম আদিত্য' কাকতৰ সম্পাদক আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টিক আৰু আদৰ্শ নতুন প্ৰজন্মৰ মাজলৈ অধিক ব্যাপকভাৱে লৈ যোৱাৰ ক্ষেত্ৰত সমাজৰ দায়িত্বৰ বিষয়ে কয়। বৰাই কয় যে, ভূপেন হাজৰিকা কোনো ৰজাঘৰৰ শিল্পী নাছিল, তেওঁ আছিল ৰাইজৰ শিল্পী, তেওঁৰ গীত আৰু সৃষ্টিত প্ৰতিফলিত মানবতাবাদী, জাতীয়তাবাদী তথা সামাজিক চেতনাক নতুন প্ৰজন্মৰ সৈতে পৰিচয় কৰাই দিয়াটো সকলোৰে দায়িত্ব বুলি মন্তব্য কৰে। তেওঁ আৰু কয় যে, সুধাকণ্ঠৰ গীতৰ যিদৰে ৰাজ্যজুৰি নতুন প্ৰজন্মৰ মাজত চৰ্চা হ'ব লাগিছিল, সেই ধৰণৰ ব্যাপক সামাজিক উদ্যোগ এতিয়াও অধিক প্ৰয়োজন। কেৱল মাত্ৰ জন্মজয়ন্তী বা মৃত্যু দিৱস স্মৰণ কৰাত সীমাবদ্ধ নাথাকি তেওঁৰ সৃষ্টিৰাজি আৰু চিন্তাধাৰাক নিয়মীয়াকৈ চৰ্চা কৰাৰ আহ্বান জনায়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থকা অসম আইটিআইৰ সঞ্চালক গৌতম দাসে সুধাকণ্ঠৰ গীত, সাহিত্য আৰু সমাজ-মানৱতাৰ প্ৰতি তেওঁৰ দায়বদ্ধতাৰ কথা স্মৰণ কৰে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয় সম্পাদক প্ৰশান্ত শইকীয়াই আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিবেশন কৰে শিল্পীঃ বতন গগৈ, জিমী জিজ্ঞাসা বৰুৱা আৰু ইলাবন্তী গগৈৰ লগতে ড০ ভূপেন হাজৰিকাৰ গীতৰ আধাৰত নৃত্য কৰে শিল্পী সঞ্জনা বৰদলৈয়ে আৰু কবিতা আবৃত্তি কৰে মানকটা শতদল শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়া, তৰুণ জ্যোতি ফুকন আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহঃসম্পাদক মীনাক্ষী দাস বৰুৱাই। সভাত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থকা অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সহঃসম্পাদক লৱণু শইকীয়াই।

প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি

# সৰুপথাৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শতবৰ্ষ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৯ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাই আয়োজন কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি সৰুপথাৰ শাখা সাহিত্য সভাই মঙ্গলবাৰে শাখাৰ কাৰ্যালয়ত এক গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে মহান শিল্পীগৰাকীক স্মৰণ কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে সৰুপথাৰ শাখা সাহিত্য সভাৰ সভাপতি ভুবন কোঁৱৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সূৰ্য গগৈয়ে বন্তি প্ৰজ্বলন কৰে। বন্তি প্ৰজ্বলনৰ পিছত সূৰ্য গগৈয়ে ড° ভূপেন হাজৰিকাৰ জীৱন, কৰ্ম আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বিষয়ে চমুকৈ বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ মজিয়াত সৰুপথাৰৰ প্ৰতিষ্ঠিত গায়ক জয়ন্ত দেৱে ড° ভূপেন হাজৰিকাৰ জনপ্ৰিয় গীত 'মানুহে মানুহৰ বাবে' পৰিৱেশন কৰি উপস্থিত সকলো অনুৰাগীক আপ্লুত কৰে। উল্লেখ্য যে অসম সাহিত্য সভাৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। তাৰেই অংশ হিচাপে সৰুপথাৰ শাখা সাহিত্য সভাই ও মহান শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ লগতে তেওঁৰ সৃষ্টিৰাজি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানটোৱে উপস্থিত সাহিত্যপ্ৰেমী আৰু সংগীতপ্ৰেমীসকলৰ মাজত ড° ভূপেন হাজৰিকাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু ভালপোৱাৰ পুনৰ প্ৰকাশ ঘটায়।

# গেলেকীৰ উদীয়মান যুৱক আব্দুল ছফিকৰ বহিঃৰাজ্যত আকস্মিক বিয়োগ

**অসম বাৰ্তা, গেলেকী, ৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ গেলেকীৰ চাৰিআলি নিবাসী তথা কৰ্মসূত্ৰে ত্ৰিপুৰাৰ আগৰতলাত বীমা বিভাগত কৰ্মৰত এজন উদীয়মান যুৱক আব্দুল ছফিকে (৪৮) আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰে। লাভ কৰা তথ্য অনুসৰি, কৰ্মসূত্ৰে আগৰতলাস্থিত নিজা বাসভৱনত থকা অৱস্থাতে তেওঁৰ আকস্মিক বিয়োগ ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এটি পুত্ৰসন্তানৰ লগতে গেলেকীস্থিত নিজ পৰিয়ালৰ জ্যেষ্ঠ ভাতৃ আৰু ভগ্নীসহ বহু আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ গৈছে। অমায়িক স্বভাৱ আৰু পৰোপকাৰী মনোভাৱৰ বাবে পৰিচিত আব্দুল ছফিকৰ অকাল মৃত্যুৰ খবৰে সমগ্ৰ গেলেকী অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। যুৱকজনৰ আকস্মিক বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# মাজুলী জিলা প্ৰতিষ্ঠা দিৱসৰ দিনাই গুৰুত্বপূৰ্ণ ৰায়

## নিচাজাতীয় দ্ৰব্যৰ গোচৰত ৬ অভিযুক্তক কাৰাদণ্ড আৰু জৰিমনা

**অসম বাৰ্তা, উজনী মাজুলী, ৯ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ একাদশ তম প্ৰতিষ্ঠা দিৱসৰ বিশেষ দিনটোতে জিলা ন্যায়ালয়ে এক তাৎপৰ্যপূৰ্ণ ৰায়দান প্ৰদান কৰে। আজি মাজুলী জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশ ড° সিদ্ধাৰ্থ শংকৰ শৰ্মাৰ আদালতে নিচাজাতীয় দ্ৰব্য বিৰোধী আইন (NDPS Act)ৰ অধীনত ৰুজু হোৱা এটা গুৰুত্বপূৰ্ণ গোচৰৰ (PRC No. 126/24) শুনানি গ্ৰহণ কৰি ৬জন অভিযুক্তক দোষী সাব্যস্ত কৰে আৰু শাস্তিমূলক ৰায়দান প্ৰদান কৰে। ঘটনাৰ বিৱৰণি অনুসৰি, জেংৰাইমুখ থানাৰ গোচৰ নং ৩০/২০২৪ৰ ভিত্তিত চলোৱা আইনী প্ৰক্ৰিয়াৰ অন্তত আজি আদালতে শাস্তিৰ পৰিমাণ ঘোষণা কৰে। ৰায়দান অনুসৰি, অভিযুক্ত ৬ জনৰ প্ৰতিজনকে Section 21(a) NDPS Act-ৰ অধীনত ৫,০০০/- (পাঁচ হাজাৰ) টকাকৈ জৰিমনা বিহাৰ লগতে Section 27(b) NDPS Act-ৰ অধীনত ১ মাহৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম প্ৰদান কৰা হয়। আদালতত চৰকাৰী পক্ষৰ হৈ গোচৰটো শক্তিশালীভাৱে পৰিচালনা কৰে অতিৰিক্ত লোক অভিযোক্তা বিকাশ বুঢ়াগোঁহাই আৰু অতিৰিক্ত সহকাৰী লোক অভিযোক্তা পুনম খাউণ্ডে। আইনী যুক্তি আৰু তথ্য-প্ৰমাণৰ যোগেদি দুয়োগৰাকী অধিবক্তাই আদালতত গোচৰটোৰ চৰকাৰী পক্ষৰ স্থিতি সবলভাৱে উপস্থাপন কৰে। উল্লেখ্য যে, উক্ত গোচৰটোৰ তদন্তকাৰী বিষয়া আছিল ফুলনি আৰক্ষী চকীৰ প্ৰাক্তন আৰক্ষী বিষয়া পাৰ্থ সাৰথি বৰা। তেওঁৰ সুচল আৰু তথ্যভিত্তিক তদন্তৰ বাবেই গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন হয়। মাজুলী জিলাৰ প্ৰতিষ্ঠা দিৱসৰ পবিত্ৰ মুহূৰ্ততে মহামান্য আদালতৰ এই ন্যায়িক সিদ্ধান্তই জিলাখনত সমাজবিৰোধী আৰু মাদকদ্ৰব্য ব্যৱসায়ৰ বিৰুদ্ধে এক শুভ আৰু সবল বাৰ্তা প্ৰেৰণ কৰিব বুলি আশা প্ৰকাশ কৰিব পাৰি।

# বৰাক উপত্যকাত মন্ত্ৰী কৃষেণ্দু পালৰ অধ্যক্ষতাত পৰ্যালোচনা বৈঠক অনুষ্ঠিত



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ ছেপ্টেম্বৰ ঃ** যিকোনো ঠাইৰ বিকাশ আৰু প্ৰগতিৰ বাবে যাতায়ত সুচল হোৱাটো উন্নয়নৰ এক মাপকাঠি বুলি বিবেচনা কৰা হয় তাৰে পৰিপ্ৰেক্ষিতত বৰাক উপত্যকাৰ সামগ্ৰিক উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে পথ উন্নয়নৰ ক্ষেত্ৰত সমগ্ৰ বৰাক উপত্যকাতে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। এই নিৰ্মাণ কাৰ্য্য সমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে অসম চৰকাৰৰ বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৃষেণ্দু পালৰ অধ্যক্ষতাত বুধবাৰে অসম সচিবালয় বৰাক উপত্যকাৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত মন্ত্ৰীগৰাকীয়ে নিৰ্দিষ্ট বিভাগৰ বিষয়াসকলৰ পৰা আঁচনিসমূহৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে তেওঁ বৰাক উপত্যকাত ৰূপায়ণ হৈ থকা অসম মালা, পি এম জি এছ ৱাই, মনোৱাৰ পৰা পঞ্চগ্ৰামলৈ, শিলচৰৰ পৰা চুৰাইবাৰীলৈ পথ নিৰ্মাণৰ কাম, গান্ধীঘাটত বৰাক নৈৰ ওপৰত পকীপথ দলং নিৰ্মাণ, শ্ৰীভূমি মেডিকেল কলেজ, শিলচৰ জিলা আয়ুক্তৰ কাৰ্যালয় নিৰ্মাণ, শিলচৰ মেডিকেল কলেজ আৰু বিশ্ববিদ্যালয়লৈ সংযোগী পথৰ মেৰামতিৰ আদি বিষয়ক সামৰি বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে যে বৰাক উপত্যকাৰ বিকাশৰ বাবে যিহেতু বিভিন্ন অভিলাষী আঁচনি আৰু পদক্ষেপ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে গ্ৰহণ কৰি আহিছে এই ক্ষেত্ৰত বিভাগে কোনো কৃপণালী নকৰাকৈ নিৰ্দিষ্ট সময়ত উন্নত মানদণ্ড নিৰ্ধাৰণ কৰি আঁচনিসমূহৰ কামসমূহ সম্পাদন কৰিব লাগিব। তেওঁ আৰু লগতে কয় যে এই ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি মানি লোৱা নহ'ব। মন্ত্ৰীগৰাকীয়ে সেৱাৰ মনোভাৱেৰে বিষয়াসকলক নিজ নিজ কৰ্মত আত্মনিয়োগ কৰিবলৈ সকলোকে আহ্বান জনায়। উক্ত বৈঠকত অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, বিধায়ক ক্ৰমে অমিয় কান্তি দাস, জুবেইৰ আনম মজুমদাৰ, বিজয় মালাকাৰ, ৰাজদ্বীপ গোৱালা, আমিনুল হক লস্কৰ, বৰাক উপত্যকা উন্নয়ন বিভাগৰ অতিৰিক্ত সচিব আদিত্য বিক্ৰম যাদৱ প্ৰমুখ্যে বৰাক উপত্যকাৰ তিনিখন জিলাৰ আয়ুক্ত আৰু বিভিন্ন বিষয়া সকল উপস্থিত থাকে।

# জ্ঞানদায়িনী পুথিভঁৰালৰ উদ্যোগত আৰু ৩ নং আমত'লা গাঁও উন্নয়ন সমিতিৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন



**অসম বাৰ্তা, ছয়গাঁও, ৯ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ৩ নং আমত'লা গাঁৱৰ জ্ঞানদায়িনী পুথিভঁৰালৰ উদ্যোগত আৰু ৩নং আমত'লা গাঁও উন্নয়ন সমিতিৰ সহযোগত যোৱা ৮ ছেপ্টেম্বৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়। সেই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে জ্ঞানদায়িনী পুথিভঁৰালৰ সভাপতি অজয় দাসে। ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ কৰে গাঁও উন্নয়ন সমিতিৰ সভাপতি ভূপেন চন্দ্ৰ দাসে। জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি সিদ্ধেশ্বৰ দাস আৰু সম্পাদক অৰ্জুন দাস। বৃক্ষ ৰোপণ কৰে প্ৰাক্তন সভাপতি ধ্ৰুৱ নাৰায়ণ দাস, গাঁও উন্নয়ন সমিতিৰ উপ সভাপতি তথা জেষ্ঠ সাংবাদিক বিশ্বজিৎ দাসে। চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে থাকে বলোৰাম দাসে। প্ৰথম স্থান অধিকাৰ কৰে আকাশ দাস, দ্বিতীয় স্থান অধিকাৰ কৰে হিমাংশু দাস আৰু তৃতীয় স্থান অধিকাৰ কৰে দ্বীপজ্যোতি দাসে। তাৰ পিছতে অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে দীৰ্ঘদিন ধৰি ভূপেন হাজৰিকাৰ জীৱনৰ ওপৰত অধ্যয়ন কৰা তথা সুধাকণ্ঠৰ অনুৰাগী ৰঞ্জিত দাস, দীপক দাস আৰু ভূপেন চন্দ্ৰ দাসে। দিনৰ ১১ বজাত গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক কৃষ্ণ দাসে মঞ্চ মুকলি কৰাৰ পিছতে সমবেত সংগীত পৰিবেশন কৰা হয়। বঁটা বিতৰণৰ পিছতে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। বিশিষ্ট সংগীতজ্ঞ কবিন্দ্ৰ ভাগৱতী আৰু তপন চন্দ্ৰ দাসে বিচাৰক হিচাপে থকা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম স্থান অধিকাৰ কৰে দীপশিখা দাস আৰু দ্বিতীয় স্থান অধিকাৰ কৰে হিয়ান চৌধুৰীয়ে। খ শাখাত প্ৰথম স্থান অধিকাৰ কৰে দিক্ষিতা দাস আৰু দ্বিতীয় স্থান অধিকাৰ কৰে ময়ূৰ মৌচম বৰুৱাই। হৰিনন্দন কৈৱৰ্ত্তই আঁত ধৰা আৰু সম্পাদক সনাত কুমাৰ দাসে পৰিচালনা কৰা অনুষ্ঠানটোত স্থানীয় শিল্পীৰ গীত-মাতৰ লগতে ভূমি কৌশিকৰ গীতৰ অনুষ্ঠান পৰিৱেশন কৰা হয়। বন্তি প্ৰজ্বলন কৰে গাঁৱৰে উদ্যোমী যুৱক জয়ন্ত দাস আৰু জগদীশ দাসে। তাৰ পিছতে জ্ঞানদায়িনী পুথিভঁৰালৰ সদস্যসকলে বিশেষ বৃন্দ গীতেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# কলিয়নীত শঙ্কৰদেৱৰ জন্মোৎসৱৰ আয়োজন

**অসম বাৰ্তা, নিমাতীঘাট, ৯ ছেপ্টেম্বৰ ঃ** উত্তৰ যোৰহাটৰ ছখন গাঁৱৰ সন্মিলিত অনুষ্ঠান কলিয়নী শ্ৰীশ্ৰী শঙ্কৰদেৱ কৃষ্টি কলা সংঘৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ ২০-২২ ছেপ্টেম্বৰলৈ পালনৰ আয়োজন কৰিছে। প্ৰথম দিনা শৰাই প্ৰতিষ্ঠা, নাম প্ৰসংগ হ'ব। দ্বিতীয় দিনা পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব মূল সমিতিৰ সভাপতি মুকুল শইকীয়াই, স্মৃতি তৰ্পণ কৰিব উদযাপন সমিতিৰ সভাপতি মাণিক চন্দ্ৰ কলিতাই আৰু ভাগৱত সহ সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিব কৃষ্টি কলা সংঘৰ গায়ন-বায়ন দলে। ইয়াৰ পাছতে নাম-প্ৰসংগ আৰু নিশালৈ শংকৰদেৱ কৃষ্টি কলা সংঘৰ যুৱকবৃন্দই নৃসিংহ অৱতাৰ ভাওনা প্ৰদৰ্শন কৰিব। অন্তিম দিনা শংকৰদেৱ কৃষ্টি কলা সংঘৰ মহিলা সমাজে গুৰুচৰিত পাঠ কৰিব। বিয়লি অধিবক্তা গণেশ চন্দ্ৰ দত্ত, মেধি কোমল চন্দ্ৰ গগৈ, বায়ন ফেন্দুৱা কলিতা, সমাজকৰ্মী ভুৱনেশ্বৰ দত্ত শইকীয়া, সমাজকৰ্মী মহেন্দ্ৰ নাথ কলিতা, সমাজকৰ্মী গংগাধৰ শইকীয়া, আদৰ্শ গৃহিণী কুঞ্জলতা কলিতা সোঁৱৰণী ন্যাস বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। জন্মোৎসৱৰ তিনি দিনৰ অনুষ্ঠানত ৰাইজৰ উপস্থিতি উদযাপন সমিতিৰ সম্পাদকদ্বয় সদানন্দ বৰা, নৱজ্যোতি কলিতাই কামনা কৰিছে।

# মাজুলীৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ গড়মূৰ সত্ৰ বিপ্লৱী ধৰ্মগুৰু, সমাজ সংস্কাৰক শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীৰ নামেৰে প্ৰতিষ্ঠিত গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱাগত আদৰণি সভা আজি বিদ্যালয় খনিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নৱাগত আদৰণি সভাৰ দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে পুৱা ৬ পৰিবেশ নিকাকৰণ কৰাৰ পাছত ৭-৩০ বজাত গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নীলমণি ভূঞাই। ৭-৪৫ বজাত শ্বহীদ তৰ্পন কৰে সদৌ মাজুলী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখুৱাই। ৮-১৫ বজাত নৱাগত সকলক আদৰণি পৰ্ব কৰাৰ পাছত ৮-৩০ বজাত প্ৰাচীৰ পত্ৰিকা “পল্লৱ” উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰণ শইকীয়াই। ৯ -৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখনিৰ সভাপতিত্ব কৰে পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক কুমুদ গোস্বামীয়ে। সভাৰখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক তন্ময় বৰাই। সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে গড়মূৰ পীতাম্বৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মিনতি শইকীয়াই। উদ্বোধনী ভাষণ উদ্বোধক শইকীয়াই উচ্চতৰ শাখা আৰম্ভণি বৰ্ষৰ লগত জড়িত চমু ইতিহাস সুঁৱৰি হিতাকাঙ্খি কেইবাগৰাকী ব্যক্তিৰ নাম উল্লেখ কৰাৰ লগতে আৰম্ভণি শিক্ষাবৰ্ষৰ ৪০ গৰাকী প্ৰাক্তন শিক্ষাৰ্থীক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি ভাষণ প্ৰদান কৰে। তেখেতে আজিৰ শিক্ষাৰ্থী সকলক মূল্যবোধৰ শিক্ষাৰে শিক্ষিতহৈ সমাজৰ আৰু দেশৰ সুনাগৰিক হ'বলৈ আহবান জনায়। ইয়াৰ পাছতে আদৰণি ভাষণ প্ৰদান কৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভা সাধাৰণ সম্পাদক কমল পায়েং। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মাজুলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক নৱজিৎ চেলেঙে। ভাষণ প্ৰসংগত নৱজিৎ চেলেঙে কয়- নতুনৰ কোনো শেষ নাথাকে। এইটো আনুষ্ঠানিক পৰম্পৰা। ছাত্ৰ জীৱন অতি গুৰুত্বপূৰ্ণ সময়। এয়া হৈছে সপোন দেখাৰ সময়। যিবোৰ সপোনে শুবলৈ নিদিয়ে। যিবোৰ সপোনে প্ৰতিগৰাকী শিক্ষাৰ্থীক ভৱিষ্যতৰ এজন সুনাগৰিক হোৱাত সহায় কৰে। শিক্ষাৰ্থী সকলৰ কঠোৰ পৰিশ্ৰম ফলতেই সফলতাৰে সৎ মানুহ হোৱাত সহায় কৰে। বিফলতাৰ পিছতো সফলতা লাভ কৰিব পাৰি। তাৰ বাবে ধৈৰ্যৰ দৰকাৰ। ভাষণ প্ৰসংগত শিক্ষাৰ্থী সকলক উদ্দেশ্য কৰি আৰু কয়- প্ৰযুক্তিয়ে আমাক যিদৰে বহু দিছে তেনেদৰেই আবেগ আৰু ধৈৰ্য্যও আমাৰ পৰা কাঢ়ি নিছে। সফলতা পাবলৈ কষ্ট কৰিবই লাগিব। মানুহ প্ৰকৃতিৰ মূলৰ পৰা বিচ্ছিন্ন হৈছে আৰু ফেচবুক-ইনষ্ট্ৰাগাম আদিক সাৰটি লৈছে। ফেচবুক আৰু ইনষ্টাগামে কিদৰে আমাক প্ৰভাম্বিত কৰি পেলাইছে সেই বিষয়ে ঋণাত্মক আৰু ধনাত্মক দিশসমূহ শিক্ষাৰ্থী সকলৰ আগত উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নৱাগত সকলক শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে পীতাম্বৰদেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি জিতেন ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰি প্ৰণতি হাজাৰিকা আদিয়ে। ইয়াৰ পাছতে অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। উক্ত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে গড়মূৰ পীতাম্বৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰেণুমালা দত্তই।

# আছাৰ যোৰহাট জিলা সমিতিৰ সভাপতি ৰাজু কিস্কুৰ মৃত্যু

## জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস

**অসম বাৰ্তা, চেলেংহাট, ৯ ছেপ্টেম্বৰ ঃ** আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ যোৰহাট জিলা সমিতিৰ সভাপতি তথা আদিবাসী জনগোষ্ঠীৰ অধিকাৰ আৰু স্বাৰ্থৰ হকে দীৰ্ঘদিন ধৰি মাত মাতি অহা ছাত্ৰ নেতা ৰাজু কিস্কু (৩২)ৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত অকাল মৃত্যু ঘটে। যুৱ ছাত্ৰ নেতাগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰে সমগ্ৰ আদিবাসী সমাজৰ লগতে তেওঁৰ জন্মভূমি মৰিয়নিৰ চেলেংহাট অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, ৰাজু কিস্কু কিছুদিন ধৰি তীব্ৰ জ্বৰত আক্ৰান্ত হৈ আছিল। পিছত স্বাস্থ্যৰ অৱনতি ঘটাত প্ৰায় তিনিদিন পূৰ্বে তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাধীন অৱস্থাত আজি পুৱা প্ৰায় ১১ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। চিকিৎসালয় কৰ্তৃপক্ষই নেতাগৰাকী জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হোৱা বুলি জানিবলৈ দিয়ে। যুৱ ছাত্ৰ নেতা ৰাজু কিস্কুৱে আদিবাসী জনগোষ্ঠীৰ বিভিন্ন সমস্যা, অধিকাৰ, শিক্ষা, সামাজিক সুৰক্ষা আৰু জনগোষ্ঠীটোৰ সামগ্ৰিক উন্নয়নৰ বিষয়ত সক্ৰিয়ভাৱে মাত মাতি আহিছিল। সংগঠনৰ এগৰাকী দায়িত্বশীল নেতা হিচাপে তেওঁ যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত আদিবাসী ছাত্ৰ-যুৱকসকলক সংগঠিত কৰাৰ লগতে জনগোষ্ঠীটোৰ সমস্যা চৰকাৰ আৰু সংশ্লিষ্ট পক্ষৰ দৃষ্টিগোচৰ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। অতি কম বয়সতে সংগঠনটোৰ জিলা সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰি নিষ্ঠা আৰু সক্ৰিয়তাৰে দায়িত্ব পালন কৰা কিস্কুৰ আকস্মিক মৃত্যুৱে সংগঠনটোৰ কৰ্মী-সমৰ্থকসকলক গভীৰভাৱে মৰ্মাহত কৰিছে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে আছাৰ বিষয়ববীয়া, সদস্য-কৰ্মী আৰু শুভাকাংক্ষীৰ মাজত শোকৰ সৃষ্টি হয়। একেদৰে মৰিয়নিৰ চেলেংহাটস্থিত জন্মভূমিতো অসংখ্য গুণমুগ্ধ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে উপস্থিত হৈ শোক প্ৰকাশ কৰে। আদিবাসী জনগোষ্ঠীৰ স্বাৰ্থৰ হকে জীৱনৰ শেষ সময়লৈকে মাত মাতি অহা এগৰাকী নিষ্ঠাবান যুৱ নেতাৰ অকাল বিয়োগ জনগোষ্ঠীটোৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি গভীৰ শোক প্ৰকাশ কৰিছে আছাৰ টীয়ক আৰু চেলেংহাট উপ-শাখা, চেলেংহাট আছু, আটাছু, কৃষক মুক্তি সংগ্ৰাম সমিতি, চাহ মুক্তি সংগ্ৰাম সমিতি, চেলেংহাট প্ৰেছ ক্লাব, মৰিয়নি ই-মিডিয়া, মৰিয়নি প্ৰেছ ক্লাব, বিষ্ণু জ্যোতি সামাজিক-সাংস্কৃতিক গোষ্ঠী, হাঁহচৰা শাখা সাহিত্য সভাকে ধৰি কেইবাটাও দল-সংগঠন আৰু ব্যক্তিয়ে। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি সংগঠনসমূহে ৰাজু কিস্কুৰ আদৰ্শ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা আগন্তুক দিনতো স্মৰণীয় হৈ থাকিব বুলি উল্লেখ কৰে। এগৰাকী উদীয়মান যুৱ ছাত্ৰ নেতাৰ এই আকস্মিক মৃত্যুৱে আদিবাসী সমাজৰ সামাজিক আৰু সাংগঠনিক ক্ষেত্ৰত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে বুলিও বিভিন্নজনে মন্তব্য কৰে। উল্লেখ্য যে মৃত্যুৰ সময়ত ৰাজু কিস্কুৱে পত্নী আৰু দুই সন্তানসহ বহু আত্মীয়-স্বজন, গুণমুগ্ধ আৰু শুভাকাংক্ষীক ইহসংসাৰত এৰি থৈ যায়।

# ডুমডুমা মহাবিদ্যালয়ত জনসংযোগ কাৰ্যসূচী

## ছাত্ৰ-ছাত্ৰীক ড্ৰাগছৰ পৰা আঁতৰি থাকিবলৈ আহ্বান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ কেন্দ্ৰীয় যোগাযোগ ব্যুৰ' (CBC)ৰ ডিব্ৰুগড় ক্ষেত্ৰীয় কাৰ্যালয়ৰ উদ্যোগত বুধবাৰে ডুমডুমা মহাবিদ্যালয়ত 'নশামুক্ত ভাৰত অভিযান' আৰু 'বিশ্বাস, উন্নয়ন আৰু জনকল্যাণৰ ১২ বছৰ' শীৰ্ষক এক সংহত যোগাযোগ আৰু জনসংযোগ কাৰ্যসূচী (ICOP) অনুষ্ঠিত হয়। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীসকলক নিচাযুক্ত দ্ৰব্য সেৱনৰ ক্ষতিকাৰক প্ৰভাৱ আৰু ইয়াৰ ফলত স্বাস্থ্য, শিক্ষা তথা ভৱিষ্যতৰ ওপৰত পৰা নেতিবাচক প্ৰভাৱ সম্পৰ্কে সজাগ কৰা। একে সময়তে ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰে বিগত ১২ বছৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ বিষয়েও অৱগত কৰা হয়। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই যুৱ প্ৰজন্মৰ সামগ্ৰিক বিকাশৰ বাবে সুস্থ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত যুৱ সমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক আসক্তিৰ সৃষ্টি কৰিব পৰা আৰু জীৱন তথা ভৱিষ্যত বিপদাপন্ন কৰিব পৰা নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সহযোগী অধ্যাপিকা তথা এছ'চিয়েট এন চি চি বিষয়া কেপ্টেইন ড° ৰুমী খাললে যুৱ সমাজৰ মাজত বৃদ্ধি পোৱা ড্ৰাগছ সেৱনৰ প্ৰত্যাহ্বানৰ বিষয়ে বক্তব্য আগবঢ়ায়। এই সমস্যা মোকাবিলা কৰিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষানুষ্ঠান, পৰিয়াল আৰু সমাজৰ সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। সুস্থ আৰু দায়িত্বশীল নাগৰিক গঢ়াৰ ক্ষেত্ৰত শাৰীৰিক সক্ষমতা আৰু দৃঢ় মানসিকতাৰ গুৰুত্বৰ বিষয়েও তেওঁ উল্লেখ কৰে। সহযোগী অধ্যাপক ড° প্ৰণজিৎ শইকীয়াই প্ৰত্যক্ষ লাভ হস্তান্তৰ (DBT), স্বচ্ছ ভাৰত অভিযান, প্ৰধানমন্ত্ৰীজন ধন যোজনা, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা আদি চৰকাৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ উন্নয়নমূলক আঁচনিৰ বিষয়ে বক্তব্য আগবঢ়ায়। লগতে ভাৰতৰ মহাকাশ অভিযানৰ অগ্ৰগতিৰ বিষয়েও তেওঁ আলোকপাত কৰে। এই পদক্ষেপসমূহে জনসাধাৰণৰ বাবে বিভিন্ন ৰাজহুৱা সেৱা অধিক সুলভ কৰি তোলাৰ লগতে জীৱন-যাপন সহজ কৰি তোলাত সহায় কৰা বুলি তেওঁ উল্লেখ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাসমূহে ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাৰ্তা অধিক ফলপ্ৰসূভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজলৈ লৈ যায়। প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰা হয়। কাৰ্যসূচীত এখন সুস্থ, সজাগ আৰু ড্ৰাগছমুক্ত প্ৰজন্ম গঢ়ি তোলাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সামূহিক দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। লগতে 'নশামুক্ত ভাৰত' আৰু ২০৪৭ চনৰ ভিতৰত 'বিকশিত ভাৰত'ৰ লক্ষ্য পূৰণৰ ক্ষেত্ৰত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনোৱা হয়।

# বিহু সংস্কৃতিৰ উত্তৰণত গুৰু-শিষ্য পৰম্পৰাৰ গুৰুত্ব; গুৱাহাটীত গুৰু-শিষ্য মিলন

**অসম বাৰ্তা, চেলেংহাট, ৯ ছেপ্টেম্বৰ ঃ** বিহু সংস্কৃতিৰ সংৰক্ষণ, প্ৰসাৰ আৰু উত্তৰণৰ লক্ষ্যৰে ২০২৫ চনত প্ৰতিষ্ঠা হোৱা লোক কলা পৰীক্ষা পৰিষদৰ গুৰু-শিষ্য মিলন আৰু মূল্যায়ন বিতৰণ অনুষ্ঠান সোমবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হয়। বিশিষ্ট শিল্পী উদয় শংকৰ আৰু কাকলি হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত অসমৰ সাংস্কৃতিক জগতৰ কেইবাগৰাকীও বিশিষ্ট শিল্পী, গুৰু আৰু সাংস্কৃতিক ব্যক্তিত্ব উপস্থিত থাকে। অনুষ্ঠানত নৃত্যাচাৰ্য, পদ্মভূষণ যতীন গোস্বামী, ঢোলৰ ওজা গোবিন্দ চন্দ্ৰ হাজৰিকা, প্ৰাঞ্জল শইকীয়া, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক চেতনা দাস, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ৰঞ্জুমণি শইকীয়া, বিপুল চন্দ্ৰ দাস, মল্লিকা কন্দলী, বিছমিল্লা খাঁ যুৱ বঁটা প্ৰাপক হিৰক জ্যোতি শৰ্মা আৰু দিলীপ হীৰাকে ধৰি অসমৰ সাংস্কৃতিক জগতৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অসমৰ লোককলা আৰু বিহু সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত গুৰু-শিষ্য পৰম্পৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। নতুন প্ৰজন্মৰ মাজত অসমৰ চহকী লোককলা, নৃত্য, সংগীত আৰু বিহু সংস্কৃতিৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাৰ লগতে পৰম্পৰাগত কলাসমূহক সু-সংগঠিতভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত লোক কলা পৰীক্ষা পৰিষদৰ পদক্ষেপক প্ৰশংসা কৰা হয়। অনুষ্ঠানত পৰিষদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলেও অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন বিতৰণ কৰা হয়। উল্লেখ্য যে, লোক কলা পৰীক্ষা পৰিষদৰ অন্তৰ্গত ৪৭খন বিদ্যালয়ৰ মুঠ ৩২২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যোৱা বৰ্ষত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। বিহু আৰু লোককলাৰ শিক্ষাক এক প্ৰাতিষ্ঠানিক ৰূপ দি নতুন প্ৰজন্মক অসমৰ নিজস্ব সাংস্কৃতিক পৰম্পৰাৰ সৈতে সংযুক্ত কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে বিশেষ তাৎপৰ্য বহন কৰিছে। অনুষ্ঠানৰ অন্তত লোক কলা পৰীক্ষা পৰিষদৰ সম্পাদিকা গায়ত্ৰী কোঁৱৰে উপস্থিত সকলো বিশিষ্ট ব্যক্তি, গুৰু, শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে গুৰু-শিষ্য পৰম্পৰা অসমৰ লোককলা আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। গুৰুসকলৰ পৰা শিষ্যলৈ কলা, জ্ঞান আৰু পৰম্পৰা প্ৰজন্মৰ পিছত প্ৰজন্মলৈ সঞ্চাৰিত হৈ আহিছে আৰু এই পৰম্পৰাক সুদৃঢ় কৰি ৰখাটো সকলোৰে দায়িত্ব বুলি তেওঁ উল্লেখ কৰে। গুৰু-শিষ্যৰ আত্মিক সম্পৰ্ক আৰু সাংস্কৃতিক পৰম্পৰাৰ সুদৃঢ় ভেটিৰে অসমৰ লোককলা তথা বিহু সংস্কৃতিক অধিক সমৃদ্ধ কৰি তোলাৰ সংকল্পৰে অনুষ্ঠানটোৱে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনে।

# সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, বিজনী, ৯ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীত সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ বিজনী আঞ্চলিক সমিতিৰ কাৰ্যালয়ত ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। অনুষ্ঠিত প্ৰতিষ্ঠা দিৱস উপলক্ষে সংগঠনৰ পতাকা উত্তোলন কৰে সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ ভাৰপ্ৰাপ্ত সভাপতি ব্ৰজগোপাল সৰকাৰে। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত চিৰাং জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাজু সাহা মণ্ডল আৰু বিজনী আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ সাহাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পিছত আবেলি অনুষ্ঠিত হয় গছপুলি ৰোপণ, আৰু আলোচনী সভা। উল্লেখ্য যে, সংগঠনৰ ২৬সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত সংগঠনৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে।

## ১.৩২ গ্ৰাম সন্দেহজনক হিৰোইনসহ তিনিজনক আটক

# মাজুলী জিলা প্ৰতিষ্ঠা দিৱসতে ড্ৰাগছ বিৰোধী অভিযান

**অসম বাৰ্তা, উজনী মাজুলী, ৯ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা প্ৰতিষ্ঠা দিৱসৰ দিনটোতে ড্ৰাগছৰ বিৰুদ্ধে মাজুলী আৰক্ষীয়ে চলোৱা এক অভিযানত ১.৩২ গ্ৰাম সন্দেহজনক হিৰোইনসহ তিনিজন লোকক আটক কৰে। বিশ্বস্ত সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আজি মাজুলী আৰক্ষীৰ এটা দলে চেলেক-ধূনাগুৰি দলঙৰ ওপৰত অভিযান চলাই সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰী তিনিজনক আটক কৰে। আৰক্ষীয়ে আটক কৰা লোককেইজন হৈছে-চেলেকৰ গণেশ দেউৰীৰ পুত্ৰ ৰাজ দেউৰী (থানা-গড়মূৰ), চেনিমৰা কংকুৰৰ বলীন দলেৰ পুত্ৰ ভাগ্যেশ্বৰ দলে আৰু একে অঞ্চলৰ কণ্ঠিৰাম দলেৰ পুত্ৰ জিণ্টু দলে (দুয়োৰে থানা-বিহপুৰীয়া)। অভিযানকালত তেওঁলোকৰ পৰা মুঠ ১.৩২ গ্ৰাম সন্দেহজনক ড্ৰাগছ (হিৰোইন) জব্দ কৰা বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে মাজুলীত ড্ৰাগছৰ অবৈধ সৰবৰাহ আৰু সেৱনক লৈ শেহতীয়াকৈ 'সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈছিল। মাজুলীৰ বিভিন্ন অঞ্চলত ড্ৰাগছৰ অবৈধ কাৰবাৰ চলি থকাৰ অভিযোগৰ লগতে নিশা হ'লেই বিভিন্ন পকী দলং, কালভাৰ্ট আদিত একাংশ যুৱকৰ ড্ৰাগছ সেৱনৰ বিষয়টোও উত্থাপন হৈ আহিছিল। এনে পৰিস্থিতিৰ মাজতে জিলা প্ৰতিষ্ঠা দিৱসৰ দিনা মাজুলী আৰক্ষীৰ এই অভিযান বিশেষ তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অব্যাহত ৰখাৰ কথা প্ৰকাশ কৰিছে। আৰক্ষীৰ মতে, কেৱল ড্ৰাগছ জব্দ কৰাই অভিযানৰ মূল লক্ষ্য নহয়; ড্ৰাগছৰ সৰবৰাহৰ আঁৰত থকা নেটৱৰ্ক চিনাক্ত কৰি উৎখাত কৰাৰ লগতে মাজুলীৰ যুৱ প্ৰজন্মক ড্ৰাগছৰ কু-প্ৰভাৱৰ পৰা সুৰক্ষিত কৰাই মূল উদ্দেশ্য।

## পাণবাৰী শিৱ মন্দিৰৰ নামত অনলাইন ভুৱা লটাৰী বিক্ৰী দুষ্টচক্ৰৰ

# বিজনীৰ পাণবাৰীত ভুৱা লটাৰী চক্ৰৰ বিৰুদ্ধে এজাহাৰ

**অসমবাৰ্তা, বিজনী, ৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যত সক্ৰিয় হৈছে ভুৱা লটাৰী চক্ৰ। এনে ভুৱা লটাৰীৰ চক্ৰত পৰি হাৰাহাস্তিৰ সন্মুখীন হৈছে একাংশ লোক। এই ঘটনা সংঘটিত হৈছে চিৰাং জিলাৰ বিজনীৰ পাণবাৰীত। পাণবাৰীত শিৱ মন্দিৰ নিৰ্মাণৰ সাহায্যৰ বাবে একাংশ দুষ্ট চক্ৰই অনলাইনৰ জৰিয়তে ভুৱা লটাৰীৰ টিকট বিক্ৰী কৰে। অভিযোগ অনুসৰি যোৱা ৭ ছেপ্টেম্বৰত এই লটাৰীৰ খেল অনুষ্ঠিত হয়। সেই মৰ্মে লটাৰীৰ পুৰস্কাৰ লাভ কৰা কেইবাগৰাকী ব্যক্তি পুৰস্কাৰ ল'বলৈ পাণবাৰীত উপস্থিত হোৱাত সমস্ত ঘটনা পোহৰলৈ আহে। এই সন্দৰ্ভত বুধবাৰে পাণবাৰী বজাৰ কমিটিয়ে এখন সংবাদমেল সম্বোধন কৰে ভুৱা লটাৰী চক্ৰটোৰ বিষয়ে প্ৰকাশ কৰে। পাণবাৰী বজাৰ কমিটিৰ কাৰ্যালয়ত সম্বোধন কৰা এই সংবাদমেলত সভাপতি বিপুল ব্ৰহ্মই কয় যে পাণবাৰীত শিৱ মন্দিৰ নিৰ্মাণৰ সাহায্যৰ বাবে কোনো ধৰণৰ লটাৰী খেল অনুষ্ঠিত হোৱা নাই। কোনো দুষ্ট চক্ৰই অনলাইনৰ জৰিয়তে পাণবাৰীত শিৱ মন্দিৰ মন্দিৰ নিৰ্মাণৰ সাহায্যৰ বাবে ভুৱা লটাৰীৰ টিকট বিক্ৰী কৰে। এয়া সম্পূৰ্ণ ভুৱা আৰু ভিত্তিহীন। তেওঁ জানিব দিয়া অনুসৰি এই ভুৱা লটাৰীৰ বিৰুদ্ধে ইতিমধ্যে পাণবাৰী বজাৰ কমিটিয়ে পাণবাৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। তেওঁ লগতে কয় যে অহা ১৬ নবেম্বৰত পাণবাৰী বজাৰ কমিটিয়ে কালি মন্দিৰ কমপ্লেক্স নিৰ্মাণৰ সাহায্যৰ বাবে লটাৰী খেল অনুষ্ঠিত কৰিব। ইয়াৰ বাবে জিলা প্ৰশাসনৰ পৰা অনুমতি লাভ কৰিছে আৰু পাণবাৰী বজাৰ কমিটিৰ লটাৰীৰ টিকট অনলাইনত বিক্ৰী কৰিব নোৱাৰিব বুলি লটাৰী টিকটৰ নিয়মাৱলীত উল্লেখ থকা বুলি সংবাদমেলত উল্লেখ কৰে। উল্লেখ্য অভিযোগ অনুসৰি, যোৱা ৪ ছেপ্টেম্বৰত পাণবাৰী কালী মন্দিৰ কমপ্লেক্স নিৰ্মাণৰ নামত অনুষ্ঠিত হৈ যোৱা লটাৰী খেলৰ কুপন মুকলি অনুষ্ঠানৰ ভিডিঅ'ৰ লগতে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা পাৰিষদ ধনঞ্জয় বসুমতাৰীৰ বাইট আৰু ভিজুৱেল ব্যৱহাৰ কৰি এই ভুৱা প্ৰচাৰ চলোৱা হৈছে। এটা ফেচবুক পেজৰ জৰিয়তে এই অপপ্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰি পাণবাৰী বজাৰ সমিতিয়ে পাণবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সুধাকণ্ঠৰ জন্ম শতবৰ্ষ পালন

## 'অবিস্মৰণীয় ভূপেনদা' নামৰ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, নুমলীগড়, ৯ ছেপ্টেম্বৰ ঃ** ভাৰত ৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি আৰু ১০১ সংখ্যক ওপজা দিন আজি নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলৰ কুঞ্জকাননত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ উদ্যোগত সৰ্বজনীন কেন্দ্ৰত অনুষ্ঠিত এই অনুষ্ঠানত গীত, মাত আৰু কবিতাৰে সুধাকণ্ঠক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল কুঞ্জকাননত স্থাপিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্থায়ী প্ৰতিমূৰ্তিৰ সন্মুখত ১০১গছি বন্তি প্ৰজ্বলন। বন্তিৰ পোহৰেৰে সুধাকণ্ঠৰ ১০১ সংখ্যক ওপজা দিন স্মৰণ কৰি উপস্থিতসকলে মহান শিল্পীগৰাকীৰ কালজয়ী অৱদানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছতে নগৰাঞ্চলৰ সৰ্বজনীন কেন্দ্ৰত 'গীতে-মাতে-কবিতাৰে সুধাকণ্ঠৰ ওপজা দিন' শীৰ্ষক এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সুধাকণ্ঠৰ অমৰ সৃষ্টি আৰু জীৱন-দৰ্শনক কেন্দ্ৰ কৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা হয়। এই অনুষ্ঠানতে নুমলীগড় শোধনাগাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা বিশিষ্ট সাহিত্যিক অশোক কুমাৰ সেনাপতিৰ নৱতম গ্ৰন্থ 'অবিস্মৰণীয় ভূপেনদা' উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পৱিত্ৰপ্ৰাণ গোস্বামীয়ে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন, সৃষ্টি আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অনন্য অৱদানক বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰতিফলিত কৰা প্ৰবন্ধ সংকলন হিচাপে 'অবিস্মৰণীয় ভূপেনদা' গ্ৰন্থখনে পাঠকৰ মাজত বিশেষ সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰা হয়। উল্লেখ্য যে সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি বছৰজোৱা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। নুমলীগড়তো সাহিত্য, সংস্কৃতি আৰু সুধাকণ্ঠপ্ৰেমীসকলৰ অংশগ্ৰহণেৰে জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানটো স্মৰণীয় কৰি তোলা হয়।

## টকৌবাৰীত শোকৰ ছাঁ

# গহপুৰ মহকুমাধিপতি কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাপ্ত জ্যেষ্ঠ সহায়ক ফুলেশ্বৰ পায়েঙৰ বিয়োগ

**অসম বাৰ্তা, গহপুৰ, ৯ ছেপ্টেম্বৰ ঃ** হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত টকৌবাৰীৰ ৰঙাজান গাঁও নিবাসী তথা তেতিয়াৰ গহপুৰ মহকুমাধিপতি কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ সহায়ক ফুলেশ্বৰ পায়েং (৭০)ৰ কালি সন্ধিয়া প্ৰায় ৬ বজাত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মধুমেহ আৰু বৃক্কৰ জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ আমিনগাঁৱত থকা নাৰায়ণা চুপাৰ স্পেচিয়েলিটি হস্পিতালত যোৱা কেইবামাহো ধৰি চিকিৎসাধীন অৱস্থাত আছিল তেওঁ। যোৱা ৭ চেপ্তেম্বৰত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰিত কৰা হৈছিল যদিও দুৰ্ভাগ্যজনকভাৱে কালি সন্ধিয়া চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লয় ফুলেশ্বৰ পায়েঙে। মৃদুভাষী আৰু সকলোৰে প্ৰিয়ভাজন ফুলেশ্বৰ পায়েঙৰ মৃত্যুত সমগ্ৰ বুৰৈ পৰীয়া অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। অঞ্চলটোৰ এগৰাকী আদৰ্শ পিতৃ হিচাপে পৰিচিত ফুলেশ্বৰ পায়েঙে তেওঁৰ পাঁচোগৰাকী জীয়ৰীকে উপযুক্ত সংস্থাপন দিবলৈ সক্ষম হৈছিল। তেওঁৰ দীৰ্ঘদিনীয়া চাকৰি জীৱনত নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াইছিল ফুলেশ্বৰ পায়েঙে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পাঁচ গৰাকী জীয়ৰী, এগৰাকী জোঁৱাই, দুগৰাকী ভাতৃসহ বহু আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। অসমীয়া প্ৰতিদিনৰ এগৰাকী নিয়মীয়া পঢ়ুৱৈ আছিল তেওঁ।

# পুৰণিগুদামত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পবিত্ৰ জন্ম-শতবাৰ্ষিকী অনুষ্ঠানটি ৮ ছেপ্টেম্বৰত নগাঁও জিলাৰ পুৰণিগুদাম শতদল শাখা সাহিত্য সভা আৰু বাপুজী ভৱন আৰু পুথিভঁৰালৰ উদ্যোগত জ্যেষ্ঠ নাগৰিক মঞ্চৰ সহযোগত উদ্‌যাপন কৰা হয়। উক্ত গাম্ভীৰ্যপূৰ্ণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা আৰু পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সভাপতি বিমল গোঁহাইয়ে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধা জনোৱাৰ লগতে উপস্থিত লোকসকলে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি অসমীয়া জাতিৰ এই মহান পুৰুষজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। উক্ত অনুষ্ঠানৰ পাছতেই এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সভাপতি বিমল গোঁহাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনাচক্ৰখনত বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলিন হাজৰিকাই ড° ভূপেন হাজৰিকাৰ গীত আৰু কৰ্মৰাজীৰ আধাৰত ভাষণ প্ৰদান কৰে। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়ন আৰু বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক দ্বীপেন বৈৰাগীয়ে আঁত ধৰা অনুষ্ঠানটোত লেটিফুল কৰিম, প্ৰফুল্ল কলিতা, দ্বীজেন্দ্ৰ মোহন শইকীয়া, জ্যোৰ্তিময় গোস্বামী, দুলাল শৰ্মাই ড° ভূপেন হাজৰিকাৰ জীৱন দৰ্শনৰ আধাৰত ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত লেটিফুল কৰিম আৰু ৰূপা গায়ন ভূঞাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ লগতে কবি ভাৰতী বৰাই ড° ভূপেন হাজৰিকাৰ ওপৰত লিখা কবিতা পাঠ কৰে। আলোচনাচক্ৰখনৰ অন্তত উপস্থিত লোকসকলে ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি 'মানুহে মানুহৰ বাবে' গীতটো পৰিৱেশন কৰে। উক্ত অনুষ্ঠানটোত কেশৱ বৰা, প্ৰতাপ চন্দ্ৰ দাস, কুলপ্ৰদীপ বৰ্মন, প্ৰলয় শৰ্মা, প্ৰবীণ বৈৰাগী, প্ৰেমানন্দ বৈৰাগীকে ধৰি অঞ্চলৰ শতাধিক গণ্য-মান্য লোক উপস্থিত থাকে বুলি জানিব পৰা গৈছে।

### "যুৱ প্ৰজন্মৰ অংশগ্ৰহণেহে গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰিব"

# নগাঁও মহাবিদ্যালয়ত জিলা আয়ুক্ত আৰণ্যক শইকীয়া

**অসম বাৰ্তা, বঢ়মপুৰ, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচন উপলক্ষ্যে ভোটাৰ শিক্ষা আৰু সজাগতা কাৰ্যসূচীৰ (ছুইপ)ৰ অংশ হিচাপে আজি নগাঁও বিশ্ববিদ্যালয়ৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়াই ১৮ বছৰৰ উৰ্ধ্বৰ নতুন তথা যুৱ শিক্ষাৰ্থীসকলক দেশৰ ৰাজনৈতিক ক্ষেত্ৰত সতৰ্ক আৰু ভোটদানৰ অধিকাৰৰ ক্ষেত্ৰত সক্ৰিয় হ'বলৈ আহ্বান জনায়। আয়ুক্তগৰাকীয়ে নিজৰ ভাষণত আগন্তুক ৬ অক্টোবৰ তাৰিখে অনুষ্ঠিত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিষয়ে



সকলোকে অৱগত কৰোৱাৰ লগতে, প্ৰতিজন যোগ্য নাগৰিকে নিজ নিজ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি নিৰ্বাচনৰ এই মহোৎসৱত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ সক্ৰিয় অংশগ্ৰহণ অপৰিহাৰ্য। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কিছু প্ৰেৰণাদায়ক মন্তব্য আগবঢ়ায়। এই কাৰ্যসূচীত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাৰ লগতে বিশ্ববিদ্যালয়খনৰ শিক্ষাগুৰুসকল আৰু জিলাখনৰ বিভিন্ন মহাবিদ্যালয় তথা নগাঁও বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী উপস্থিত থাকে। উক্ত কাৰ্যসূচীৰ পিছতে জিলা আয়ুক্তই উপাচাৰ্যৰ সৈতে এখন বৈঠকতো মিলিত হয়।

## সম্পাদকীয়

# ব্ৰিকছ সন্মিলন আৰু আঞ্চলিক ভূ-ৰাজনীতি

আগন্তুক ১২ আৰু ১৩ ছেপ্টেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ১৮সংখ্যক ব্ৰিকছ (BRICS) সন্মিলনক কেন্দ্ৰ কৰি দক্ষিণ এছিয়া তথা বিশ্ব ৰাজনীতিত এক নতুন কূটনৈতিক উত্তেজনাৰ সৃষ্টি হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত ক্ৰমে সাত বছৰৰ দীৰ্ঘ বিৰতিৰ পাছত চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ এই ভাৰত ভ্ৰমণে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে। ২০১৯ চনৰ মহাবলিপুৰমৰ অনানুষ্ঠানিক বৈঠক আৰু ২০২০ চনৰ পূব লাডাখৰ গালৱান উপত্যকাৰ অনাকাংক্ষিত সীমান্ত সংঘাতৰ পাছত জিনপিঙৰ এই ভ্ৰমণে দুয়োখন দেশৰ বহুপক্ষীয় আৰু দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰেক্ষাপটত বিশেষ তাৎপৰ্য বহন কৰিছে।

২০২০ চনৰ সীমান্ত সংঘাতৰ পাছত ভাৰত আৰু চীনৰ মাজত সৃষ্টি হোৱা চেপা উত্তেজনাই দুই দেশৰ কূটনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্কত এক প্ৰকাৰৰ স্থবিৰতা আনি দিছিল। অৱশ্যে শেহতীয়াকৈ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়ীৰ মাজত বেইজিঙত অনুষ্ঠিত ২৫সংখ্যক বিশেষ প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত সীমা নিষ্পত্তি আৰু শান্তিপূৰ্ণ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক ইতিবাচক সহমতত উপনীত হোৱা গৈছে। এই পটভূমিত, ব্ৰিকছ সন্মিলনৰ সমান্তৰালভাৱে অনুষ্ঠিত হ'বলগীয়া সম্ভাব্য মোদী-শ্বি দ্বিপাক্ষিক বৈঠকে এছিয়াৰ এই দুই মহাশক্তিৰ মধ্যৱৰ্তী শীতল যুদ্ধসদৃশ পৰিস্থিতিৰ অৱসান ঘটোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। সীমান্তত স্থায়ী শান্তি স্থাপন আৰু বাণিজ্যিক ভাৰসাম্য ৰক্ষাৰ দিশত এই বৈঠক এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি প্ৰমাণিত হ'ব পাৰে।

ভাৰতৰ অধ্যক্ষতাত 'স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ' মূল বিষয়বস্তুক লৈ অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনে বিশ্ব মঞ্চত 'গ্ল'বেল চাউথ' (Global South) বা উন্নয়নশীল দেশসমূহৰ শক্তিক প্ৰতিফলিত কৰিছে। ২০২৪ চনত ইজিপ্ত, ইথিওপিয়া, ইৰাণ, ইউ.এ.ই. আৰু চৌদি আৰব তথা ২০২৫ চনত ইণ্ডোনেছিয়াৰ সক্ৰিয় যোগদানৰ পাছত ব্ৰিকছ কেৱল ৫খন দেশৰে সংগঠন হৈ থকা নাই, বৰঞ্চ ই এক শক্তিশালী গোলকীয় অৰ্থনৈতিক আৰু ভূ-ৰাজনৈতিক মঞ্চত পৰিণত হৈছে। এই বহুপক্ষীয় মঞ্চত বাণিজ্য, জলবায়ু পৰিৱৰ্তন, প্ৰযুক্তি হস্তান্তৰ আৰু বিশ্ব শাসন ব্যৱস্থাৰ সংস্কাৰ আদি দিশত ভাৰতে বিশ্বৰ নেতৃত্ব বহন কৰাৰ এক সোণালী সুযোগ লাভ কৰিছে।

ব্ৰিকছ সন্মিলনৰ এই গঠনাত্মক পৰিৱেশৰ বিপৰীতে বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ শেহতীয়া ভাৰত ভ্ৰমণ বাতিলৰ সিদ্ধান্তই আন এক কূটনৈতিক চৰ্চাৰ জন্ম দিছে। বিমষ্টেকৰ (BIMSTEC) অধ্যক্ষ হিচাপে ভাৰতৰ আমন্ত্ৰণ লাভ কৰাৰ পিছতো আৰু নিজৰ প্ৰথম বিদেশ ভ্ৰমণ হিচাপে চীনক বাছি লোৱাৰ পাছত, নতুন দিল্লীৰ এই সন্মিলনৰ পৰা আঁতৰি থকাৰ সিদ্ধান্তই ওচৰ-চুবুৰীয়া দেশখনৰ ৰাজনৈতিক দিশ পৰিৱৰ্তনৰ ইংগিত দিয়ে। ঢাকাৰ তৰফৰ পৰা ভৱিষ্যতে অনুকূল পৰিৱেশত দ্বিপাক্ষিক ভ্ৰমণৰ আশ্বাস দিয়া হৈছে যদিও, ব্ৰিকছৰ দৰে গুৰুত্বপূৰ্ণ সন্মিলনত বাংলাদেশৰ অনুপস্থিতিয়ে চুবুৰীয়া নীতি আৰু আঞ্চলিক সহযোগিতাত এক নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে।

সামগ্ৰিকভাৱে, ১৮সংখ্যক ব্ৰিকছ সন্মিলনে নতুন দিল্লীক বিশ্ব ৰাজনীতিৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰিত কৰিছে। এফালে চীনৰ ৰাষ্ট্ৰপতিৰ উপস্থিতি আৰু মোদী-শ্বি বৈঠকে সীমান্ত সংঘাতৰ পাছত এক নতুন বিশ্বাসৰ বাতাৱৰণ সৃষ্টিৰ আশা দেখুৱাইছে; আনফালে, বাংলাদেশৰ দৰে প্ৰতিবেশী দেশৰ দূৰত্বই আঞ্চলিক ৰাজনীতিৰ গতিশীলতা আৰু জটিলতাক উন্মোচিত কৰিছে। ব্ৰিকছৰ জৰিয়তে বিশ্বৰ দক্ষিণ অংশৰ অৰ্থনৈতিক আৰু কূটনৈতিক সমীকৰণক এক নতুন মাত্ৰা প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকা এই সময়ত অত্যন্ত সংবেদনশীল আৰু গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে।

# ভূপেন হাজৰিকাৰ গীতত 'জাতি-মাটি -ভেটি'ৰ চিন্তা



*ড° হাজৰিকাৰ গীতে প্ৰতিটো মুহূৰ্ততে সোঁৱৰাই দিছিল অসমৰ ভেটি -মাটি, নদ-নদী, পাহাৰ-ভৈয়াম আৰু প্ৰকৃতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম। তেওঁৰ বাবে অসমৰ মাটি কেৱল এটা ভৌগোলিক ভূখণ্ড নহয় ই অসমীয়া জাতি-মাটি-ভেটিৰ সোণালী আৱেষ্টনী। মই কহিমাৰে আধুনিকা ডালিমী', 'গৌৰীপুৰীয়া গাভৰু দেখিলো', 'টিৰাপ সীমান্তত', 'ডিফু হ'ল তোমাৰ নাম', 'মইনাজান মইনাজান', 'কত জোৱানৰ মৃত্যু হ'ল', 'শ্বিলঙৰে গধূলি', 'শ্বিলঙৰে মনালিছা লিংডো', 'চিয়াঙৰ গালং লুইতৰে খামটি', 'জিলিকাব লুইতৰে পাৰ', 'বিহুৰেনো বিৰিণা পাত হে', 'কপিলী কপিলী', 'কাজিৰঙা', 'ব্ৰহ্ম পুত্ৰৰ দুটি পাৰ দলঙে লগ লগালে', 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'আকাশী যানেৰে উৰণীয়া মনেৰে', 'ফুট গধূলিতে', 'দিচাং মুখৰ ডেকাটি', 'অসম দেশৰ বাগিচাৰে ছোৱালী' ইত্যাদি গীতত আমি বিছাৰি পাওঁ ড° হাজৰিকাৰ তীব্ৰ ঐতিহ্য চেতনা যি চেতনাৰে তেওঁ বড়ো, মিচিং, ৰাভা, কাৰ্বি, খাচী, নগা আদি সকলো জনগোষ্ঠীক সাৰটি এক শক্তিশালী অসমীয়া জাতি গঠনৰ সপোন দেখিছিল।*

**দিলীপ কুমাৰ ৰয়**

১৯৩০ চনৰ ৩০ জানুৱাৰী মাহত কটন কলেজিয়েট স্কুলত অনুষ্ঠিত এখন সভাৰ সভাপতি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেখেতৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'-ত উল্লেখ কৰি গৈছে এইবুলি যে "গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলৰ ছাত্ৰসকলৰ বিশেষ অনুৰোধত আবেলি তেওঁলোকৰ সভালৈ গ'লোঁ।... ছাত্ৰসকলৰ সভাত এটি কম বয়সীয়া ল'ৰাই (শিশু বুলিলেই হয়) হাৰমনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গীত গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালত এটি চুমা খালোঁগৈ। তাহানি কালত কলিকতাত 'মাষ্টাৰ মদন' বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ। আজি অসমীয়া 'মাষ্টাৰ মদন'ক দেখি বৰ সন্তোষ পালোঁ।" জীৱনৰ প্ৰথমখন গীতৰ সভাতে এজন প্ৰবাদ পুৰুষৰ আশিসেৰে ধন্য হোৱা শিশুটিয়েই হ'ল অসমৰ পৰিধি ভাঙি ভাৰত কিম্বা বিশ্বৰ দিগন্ত আকোৱালি লোৱা সৰ্বকালৰ শ্ৰেষ্ঠ সংগীত শিল্পী আমাৰ সকলোৰে হিয়াৰ আমঠু ড° ভূপেন হাজৰিকা। কলা-সংস্কৃতিৰ মাজেৰে এখন সংগীতৰ সমাজ গঢ়া হাজৰিকাদেৱৰ গীতসমূহৰ মাজত কৃষ্টি-সংস্কৃতি, আৱেগ-অনুভূতি, হাঁহি-কান্দোনৰ লগতে জাতি মাটি ভেটিৰ প্ৰতি থকা প্ৰেম অত্যন্ত গভীৰ আৰু স্পষ্ট ৰূপত প্ৰকাশ পাইছে। তেওঁৰ বাবে গীত কেৱল মনোৰঞ্জনৰ আহিলা নহয়, ই অসমীয়া জাতিৰ পৰিচয়, অসমৰ মাটি আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ এক শক্তিশালী হাতিয়া, ভেটি গঢ়াৰ অমোঘ অস্ত্ৰ। তেখেতৰ ভাষাত "মোৰ গীতত, মোৰ সুৰ, মোৰ কণ্ঠ অসমৰ মাটিৰ সুৰৰ ভেটিতেই সজাওঁ। অসমৰ জাতীয় জীৱনৰ গুৰি ধৰোঁতা তথা অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়োৱা, কলা- সংস্কৃতিৰ মাজৰে সমাজ গঢ়া শ্ৰীমন্ত শংকৰদেৱৰ অসমখন ড° হাজৰিকাই সংগীতৰ মাজেৰেই ধৰি ৰাখিব বিচাৰিছিল।

ড° হাজৰিকাৰ গীতে প্ৰতিটো মুহূৰ্ততে সোঁৱৰাই দিছিল অসমৰ ভেটি -মাটি, নদ-নদী, পাহাৰ-ভৈয়াম আৰু প্ৰকৃতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম। তেওঁৰ বাবে অসমৰ মাটি কেৱল এটা ভৌগোলিক ভূখণ্ড নহয় ই অসমীয়া জাতি-মাটি-ভেটিৰ সোণালী আৱেষ্টনী। মই কহিমাৰে আধুনিকা ডালিমী', 'গৌৰীপুৰীয়া গাভৰু দেখিলো', 'টিৰাপ সীমান্তত', 'ডিফু হ'ল তোমাৰ নাম', 'মইনাজান মইনাজান', 'কত জোৱানৰ মৃত্যু হ'ল', 'শ্বিলঙৰে গধূলি', 'শ্বিলঙৰে মনালিছা লিংডো', 'চিয়াঙৰ গালং লুহিতৰে খামটি', 'জিলিকাব লুইতৰে পাৰ', 'বিহুৰেনো বিৰিণা পাত হে', 'কপিলী কপিলী', 'কাজিৰঙা', 'ব্ৰহ্মপুত্ৰৰ দুটি পাৰ দলঙে লগ লগালে', 'মহাবাহু ব্ৰহ্মপুত্ৰ', 'আকাশী যানেৰে উৰণীয়া মনেৰে', 'ফুট গধূলিতে', 'দিচাং মুখৰ ডেকাটি', 'অসম দেশৰ বাগিচাৰে ছোৱালী' ইত্যাদি গীতত আমি বিছাৰি পাওঁ ড° হাজৰিকাৰ তীব্ৰ ঐতিহ্য চেতনা যি চেতনাৰে তেওঁ বড়ো, মিচিং, ৰাভা, কাৰ্বি, খাচী, নগা আদি সকলো জনগোষ্ঠীক সাৰটি এক শক্তিশালী অসমীয়া জাতি গঠনৰ সপোন দেখিছিল। সেই ভাৱেৰে তেওঁ গাইছিল "বহাগ মাথোঁ এটি ঋতু নহয়/ নহয় বহাগ এটি মাহ / অসমীয়া জাতিৰ ই আয়ুস ৰেখা / গণ জীৱনৰ এই সাহ।" বুলি। তেওঁ বুজি পাইছিল যে সকলোৰে মিলনতে অসমীয়া জাতিৰ অস্তিত্ব টিকি থাকিব। হাজৰিকা আছিল বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ অন্যতম কাণ্ডাৰী। তেওঁ কেতিয়াও কোনো সংকীৰ্ণ আঞ্চলিকতাবাদক প্ৰশ্ৰয় দিয়া নাছিল। তেওঁৰ বাবে 'জাতি' মানে আছিল পাহাৰ-ভৈয়ামৰ সকলো জনগোষ্ঠীৰ সন্মিলিত ৰূপ। সমগ্ৰ জীৱন যাযাবৰী হৈ পাৰ কৰা শিল্পী গৰাকীয়ে ৰূপহী অসমী আইক বুকুৰ উম দি জগাই তুলিছিল। তেওঁৰ দৃষ্টিত অসম মানে বৰ্তমানৰ ৰাজনৈতিক অসম নহয় ই বিশাল ভাৰতবৰ্ষৰ উত্তৰ পূব দিশত অৱস্থিত তেওঁৰ প্ৰাণৰো প্ৰাণ সেইখন দেশ, য'ত মাউৰা সন্তানেও পায় মাতৃৰ কোলাৰ উম। তেওঁ গীতৰ মাজেৰে অসমীয়া জাতিক বুজাই দিছিল এইদৰে - "অসম আমাৰ ৰূপহী /গুণৰো নাই শেষ / ভাৰতৰে পূৰ্বদিশৰ সূৰ্য উঠা দেশ।" ঠিক তেনেকৈ 'মহাবাহু ব্ৰহ্মপুত্ৰ মহা মিলনৰ তীৰ্থ' বা 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' আদি গীতত ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ পাৰৰ সাৰুৱা মাটিৰ মহত্ত্ব প্ৰকাশ পাইছে। হাজৰিকাদেৱৰ মনত লুইত হ'ল অসম আৰু অসমীয়াৰ জাতিৰ দাপোণ। তেওঁ অসমৰ সকলো জাতি জনগোষ্ঠী, ধৰ্ম-সম্প্ৰদায়ৰ কলা কৃষ্টিক সন্মান কৰিছিল, অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মানুহক তেওঁ আপোন জ্ঞান কৰিছিল। তেওঁৰ গীতত, তেওঁৰ সুৰত, তেওঁৰ কথাত সেই ভাব অনুৰণিত হৈছিল, প্ৰতিটো গোষ্ঠী, ধৰ্ম-সম্প্ৰদায়ৰ কলা-কৃষ্টিক আধাৰ কৰি, গাই সমন্বয়-সম্প্ৰীতিৰ বাৰ্তা বাহন কৰিছিল।

ভেটি' বুলিলে নিজৰ শিপা, পৰম্পৰা, সংস্কৃতি আৰু থলগিৰিৰ অধিকাৰক বুজায়। ভূপেন হাজৰিকাই অসমীয়া মানুহক নিজৰ ভেটি উচন হ'বলৈ নিদিবলৈ আৰু নিজৰ অধিকাৰৰ প্ৰতি সজাগ হ'বলৈ সকীয়নি দি গীতৰ মাধ্যমেৰে আহ্বান জনাইছিল। 'মহাবাহু ব্ৰহ্মপুত্ৰ'শীৰ্ষক গীতত তেখেতে জাতিটোৰ সমন্বয়ৰ সংবাহক হৈ গাইছে - "কিছু ল'ব লাগে কিছু দিব লাগে/জীন যাবলৈ হ'লে / মিলিব লাগে মিলাব লাগে / ৰবীন্দ্ৰনাথেও ক'লে /অগ্ৰবাল জ্যোতিয়ে ইয়াতে জ্যোতিৰ প্ৰপাত বোৱালে / অজীণ পাতকী সবৰ চক্ৰ জ্যোতিৰ কৰি ব্যৰ্থ।" জাতিটো জীয়াই ৰখাৰ চিন্তাত তেওঁ গাইছে— 'নানা জাতি উপজাতি / ৰহণীয়া কৃষ্টি / আকোৱালি লৈ হৈছিল সৃষ্টি।" ঠিক তেনেকৈ গাতৰ মাজতে অসমীয়া জাতিক তেওঁ সকীয়নিও দিছিল এইবুলি - "প্ৰতি অসমীয়াই কি কৰা উচিত /উপদেশ দিবলৈ নাই লাচিত// ডাঙৰ নহয় দেশতকৈ মোৰ / দুৰ্বল চিতীয়া মোমাই বোৰ......।" বুলি। তেওঁ আকৌ কৈছে - 'অসমৰ ৰাইজে নিজক পাহৰিলে / ভোগালীতো দুৰ্ভোগ পাব / আৰু বাপতি সাহোন সেই ৰঙালী বিহুটিও /কঙালিত পৰিণত হ'ব।" ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত যেতিয়া অসমৰ সমাজ জীৱন থান-বান হৈ যোৱাৰ উপক্ৰম হৈছিল তেতিয়া সমাজখন একগোট কৰি ৰখাৰ উদ্দেশ্যৰ সুধাকণ্ঠগৰাকীয়ে ৰচনা কৰিছিল "মানুহে মানুহৰ বাবে / যদিহে অকণো নেভাবে / অকণি সহানুভূতিৰে / ভাবিব কোনেনো কোৱা সমনীয়া / মানুহে মানুহৰ বাবে.....।" আৰু এদল শিল্পী লগত লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গাই গাই শান্তিৰ বাৰ্তা বিলাইছিল তেওঁ। ঠিক তেনেকৈ অসমীয়া জাতিটোক ভৱিষ্যতৰ বাবে সকীয়াই দিয়া জাতীয় প্ৰেমৰ অন্যতম প্ৰধান গীত আছিল যাৰ আধাৰ আছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ "আমি অসমীয়া, নহওঁ দুখীয়া / কিহৰ দুখীয়া হ'ম" -এই কবিতাটি। সেয়ে তেওঁ গাইছিল - আমি অসমীয়া নহওঁ দুখীয়া / বুলি সান্ত্বনা লভিলে নহ'ব, / আজিৰ অসমীয়াই নিজক নিচিনিলে / অসম ৰসাতলে যাব।"

ড° দিলীপ দত্তই "ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ" গ্ৰন্থৰ আগকথাত সেয়েহে লিখিছে এইদৰে—"তেখেতে অসমৰ আকাশে বতাহে এনে ঢৌ তুলি আহিছে যে তেওঁৰ গীতে কাহানিও আলোড়িত নকৰা এখন অসমীয়া হৃদয় বিচাৰি উলিওৱা হয়তো অসম্ভৱ।" ন-পুৰুষক শংকৰদেৱ, মাধৱদেৱে শিকাই থৈ যোৱা একতা, লাচিতৰ স্বদেশপ্ৰীতি, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ জাতীয়তাবাদৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ বাৰে বাৰে আহ্বান জনাই গৈছে। অম্বিকাগিৰীৰ উদাত্ত ভাষ্য "অসম মৰিলে, আমিও মৰিম"- কথাষাৰ গীতৰ মাধ্যমেৰে পুনৰ সোঁৱৰাই জাতীয় চেতনাৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনাইছে। অসমৰ সমাজখনৰ প্ৰতি সচেতন আছিল বাবে প্ৰতিগৰাকী অসমীয়াক চিৰজাগ্ৰত কৰি তুলিবলৈ তুলিবলৈ বুঢ়া লুইতক যেন সকীয়নি দিছে আৰু সেই আপাহতে গাইছে "বিস্তীৰ্ণ পাৰৰে / অসংখ্য জনৰে / হাহাকাৰ শুনিও / নিঃশব্দে নীৰবে / বুঢ়া লুইত তুমি / বুঢ়া লুইত বোৱা কিয় ? / নৈতিকতাৰ স্খলন দেখিও / মানৱতাৰ পতন দেখিও / আজি নিৰ্লজ্জভাবে বোৱা কিয় ?" বুলি। ১৯৭৯ চনত আৰম্ভ হোৱা ভাষা আন্দোলনত জাতিটোক উৎসাহ দিবলৈ গাইছিল এইবুলি - "কোনোবা কাপুৰুষক / পুৰুষ কৰিবলে /জ্যোতি প্ৰসাদো যে আছে/অসম মৰিলে, আমিও মৰিম / বুলি ক'বলৈ শ্বহীদো আছে / আজি অম্বিকাগিৰীৰ চিঞৰক হেজাৰে / হাতে কামে নৱৰূপ দিব, / আজিৰ অসমীয়াই সংগ্ৰাম নকৰিলে / অসমতে ভগনীয়া হ'ব। ঠিক তেনেদৰে তেওঁ গাইছিল - "আহ আহ ওলাই আহ / সজাগ জনতা / আহ আহ ওলাই আহ / পোহৰ আনোতা।" একেদৰে ১৯৮০ চনত সেই আন্দোলনত গ্ৰেপ্তাৰ হোৱা বহু যুৱকক প্ৰেৰণা দিবলৈ গীত ৰচি গাইছিল এইদৰে - লুইতপৰীয়া ডেকা বন্ধু / তোমাৰ তুলনা নাই / জীয়াই থকাৰ যুঁজত নামিছা / মৃত্যু শপত খাই।" ঠিক তেনেকৈ "মনিৰাম দেৱান" কথা ছবিত গাইছিল - "বুকু হম হম কৰে মোৰ আই / কোনে নিদ্ৰা হৰে মোৰ আই / পুত্ৰ হৈ মই কিমতে তৰোঁ ? /আই, তোৰে হৈ মৰোঁ।" গীতটোত স্বদেশ প্ৰেমৰ গভীৰতাত গীতটোত থকা আইগৰাকী যে দেশ মাতৃ গৰাকীয়েই সেয়া স্পষ্টকৈ বুজাই দিছে। তেনেকৈ অসমী আইৰ গুণ যেন অনুপম, ই কাৰো লগতেই তুলনা নহয়। সেয়ে গাইছে - "অসম আমাৰ ৰূপহী / গুণৰো নাই শেষ / ভাৰতৰে পূৰ্ব দিশত সূৰ্য্য উঠা দেশ।" সমাজ পৰিৱৰ্তনৰ বাবে "ব্যক্তি যদি ব্যক্তিকেন্দ্ৰিক / সমষ্টি যদি ব্যক্তিত্বৰহিত/ তেনে শিথিল সমাজক নাভাঙা কিয় ?" বুলি সকলোকে জাগ্ৰত কৰিছিল ? সকলো যে একেখন নাৱৰে যাত্ৰী সেই সত্যটো তেখেতে পল ৰবচনৰ "we are in the same boat brother" শীৰ্ষক সেই বিখ্যাত গীতটোৰ আলমত মানৱতাবাদ তথা বিশ্ব ভাতৃত্ববোধৰ ভাৱ জগাই তুলিবলৈ গাইছিল-"আমি একেখন নাৱৰে যাত্ৰী, / সহযাত্ৰী একেখন নাৱৰে......।" ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত ৰচনা কৰা গীতটোত তেওঁৰ মানৱ দৰদী চেতনাৰ উন্মুক্ত প্ৰকাশ ঘটিছে - "কত জোৱানৰ মৃত্যু হ'ল /কাৰ জীৱন যৌৱন গ'ল/সেই মৃত্যু অপৰাজেয় / তেনে মৃতক নহ'লো মই কিয় ?"

সমাজৰ বঞ্চিত, ক্ষুধাতুৰ, কৃষক, শ্ৰমিকৰ জীৱন সংগ্ৰামৰ প্ৰতিফলন ঘটাই তেওঁ চেষ্টা কৰিছিল জাতিটো প্ৰতিটো শ্ৰেণীয়েই অন্ততঃ ভোকত নমৰা হওক। সেয়ে তেওঁ নিষ্পেষিত জনতাৰ বিপৰীতে আভিজাত্যৰ মেৰুত বসবাস কৰা ধনিক শ্ৰেণীৰ মানুহৰ তুলনা কৰি গাইছিল - "পোহৰ বিলাসী পাহৰি নাযাবা/ এন্ধাৰতো আছে বহুজন/ মহল নিবাসী কেতিয়া শুনিবা/ভগা জুপুৰিৰ ক্ৰন্দন।" দৰিদ্ৰজনৰ যন্ত্ৰণা-কষ্টৰ পুঞ্জীভূত ক্ষোভ জগাই তুলিবলৈ তেওঁ গাইছিল - 'শীতৰে সেমেকা ৰাতি / বস্ত্ৰবিহীন কোনো খেতিয়কৰ / ভাগি পৰা পঁজাটি / ভূঁহজুই একুৰাত / উমি উমি জ্বলি থকা ৰক্তিম যেন এটি উত্তাপ হওঁ।' সামাজিক চেতনাত উদ্বুদ্ধ হৈ শিল্পী জীৱনৰ আৰম্ভণিতে গীত লিখি গাই ছিল "অগ্নিযুগৰ ফিৰিঙতি মই / নতুন অসম গঢ়িম / সৰ্বহাৰৰ সৰ্বস্ব / পুনৰ ফিৰাই আনিম / নতুন অসম গঢ়িম।"

গাঁৱৰ ছন পৰা মাটিখিনিত নিজহাতে সোণগুটি চপাব পৰিলে আনন্দৰ সীমা নোহোৱা হয়। সেয়েহে চহা খেতিয়কক মহাজনৰ নিষ্ঠুৰ হাতোৱাৰ পৰা মুক্ত হ'বলৈ আহ্বান কৰিছে এইদৰে —

"বহুদিনৰে পৰা ছন পৰা / মোৰ গাঁৱৰ মাটিডৰা / চহ কৰি / সেউজ কৰিম আনন্দে নধৰে। / ধান নিদিওঁ / ঋণ নলওঁ / সুদ নিদিওঁ আৰু / মহাজনৰ নিষ্ঠুৰ বুদ্ধি সহোঁ কেলেই বাৰু ?"

হাজৰিকাদেৱে অসমখনক হাড়ে-হিমজুৰে ভাল যে পাইছিল তাৰ প্ৰমাণ - "জন্ম ল'লোঁ ইয়াতেই, ইয়াতেই যেন মৰোঁ / পাম ক'ত এনে মধুৰ ৰূপৰ সমাৱেশ / ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ। ঠিক তেনেকৈ গাইছিল - "অসমী আইৰে লালিতা পালিতা / মই তোলনীয়া জী / অসমীৰ / সন্মান সদায়ে ৰাখিমে / আৰুনো কওঁ মই কি ?"

তেওঁৰ গীতে যাতে নিৰাশাৰ পৰিৱৰ্তে জাতিটোলৈ আশাৰ বতৰা আনিব পাৰে তাৰে আশাত তেওঁ গায় -/ মোৰ গান হওক / বহু আস্থাহীনতাৰ বিপৰীতে / এক গভীৰ আস্থাৰ গান / মোৰ সুৰ বিন্যাসত / মূৰ্ত্ত হওক অতীত বৰ্তমান / চিৰ উজ্জ্বল ভবিষ্যতে যেন / তাতেই কৰে নিতে স্নান।"

# বৰ্তমানৰ ছাত্ৰ ৰাজনীতি; প্ৰজন্ম গঢ়াৰ শক্তি নে ভৱিষ্যত প্ৰজন্মৰ সংকট ?

**লক্ষ্মীনন্দন কলিতা**

"জ্ঞান, যুক্তি আৰু নৈতিকতাৰে পৰিচালিত ছাত্ৰ ৰাজনীতিয়েই ভৱিষ্যৎ প্ৰজন্মৰ বাবে আশাৰ দীপ জ্বলাব পাৰে।"

ছাত্ৰজীৱন কেৱল পাঠ্যপুথিৰ মাজত সীমাবদ্ধ হৈ থকা জীৱনৰ এটা অধ্যায় নহয়। ই মানুহৰ চিন্তা, চেতনা, মূল্যবোধ আৰু সামাজিক দায়িত্ববোধ গঢ় লৈ উঠাৰ সময়। এখন দেশৰ ভৱিষ্যৎ যুৱ প্ৰজন্মৰ হাতত নিৰ্ভৰশীল, আৰু সেই যুৱ প্ৰজন্মৰ বৌদ্ধিক বিকাশৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈছে ছাত্ৰ ৰাজনীতি। অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ, অধিকাৰৰ বিষয়ে সচেতন হ'বলৈ আৰু নেতৃত্বৰ গুণ বিকশিত কৰিবলৈ ছাত্ৰ ৰাজনীতিয়ে ঐতিহাসিকভাৱে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ছাত্ৰ ৰাজনীতিৰ চৰিত্ৰতো কিছু পৰিৱৰ্তন পৰিলক্ষিত হৈছে। সেয়েহে প্ৰশ্ন উত্থাপন হয়- বৰ্তমান সময়ত ছাত্ৰ ৰাজনীতি ভৱিষ্যৎ প্ৰজন্মৰ বাবে আশংকাৰ কাৰণ হৈ পৰিছে নেকি ?

ছাত্ৰ ৰাজনীতিৰ মূল উদ্দেশ্য আছিল ছাত্ৰসমাজৰ সমস্যা, শিক্ষা ব্যৱস্থাৰ উন্নতি, অধিকাৰ, সামাজিক ন্যায় আৰু গণতান্ত্ৰিক মূল্যবোধৰ পক্ষত সংগঠিতভাৱে মাত মাতি অহা। অসমৰ ইতিহাসতো ছাত্ৰসমাজৰ আন্দোলন আৰু সামাজিক অংশগ্ৰহণৰ এক গৌৰৱোজ্জ্বল অধ্যায় আছে। ভাষা, সংস্কৃতি, শিক্ষা, জাতীয় অধিকাৰ আদি বিভিন্ন প্ৰশ্নত ছাত্ৰসমাজে সময়ে সময়ে জনমত গঢ়াত ভূমিকা গ্ৰহণ কৰিছে। অৰ্থাৎ ছাত্ৰ ৰাজনীতি নিজে কোনো ভয়াবহ বিষয় নহয়, বৰং সুস্থ আৰু নীতিনিষ্ঠ ছাত্ৰ ৰাজনীতি এখন গণতান্ত্ৰিক সমাজৰ শক্তিশালী সম্পদ হ'ব পাৰে।

কিন্তু সমস্যাৰ আৰম্ভণি হয় যেতিয়া আদৰ্শৰ ঠাইত ব্যক্তিস্বাৰ্থ, নীতিনিষ্ঠ বিতৰ্কৰ ঠাইত ক্ষমতাৰ প্ৰতিযোগিতা আৰু যুক্তিৰ ঠাইত অন্ধ সমৰ্থনে স্থান লয়। কেতিয়াবা ছাত্ৰ সংগঠনৰ কাৰ্যকলাপ শিক্ষাৰ মূল উদ্দেশ্যক পিছ পেলাই দলীয় আনুগত্য, গোষ্ঠীগত সংঘাত বা ব্যক্তিগত প্ৰতিপত্তিৰ প্ৰতিযোগিতালৈ পৰিণত হোৱা দেখা যায়। এনে পৰিৱেশে ছাত্ৰৰ সৃষ্টিশীলতা, অধ্যয়নৰ প্ৰতি আগ্ৰহ আৰু স্বাধীন চিন্তাৰ পৰিসৰ সংকুচিত কৰিব পাৰে। আন এক উদ্বেগজনক দিশ হৈছে ৰাজনীতিত বিভাজনৰ সংস্কৃতি। মতভেদ গণতন্ত্ৰৰ স্বাভাৱিক অংগ, কিন্তু মতভেদ যদি বিদ্বেষলৈ ৰূপান্তৰিত হয়, তেন্তে সেই ৰাজনীতি শিক্ষাৰ্থীৰ মানসিক জগতত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। ভিন্ন মতক সন্মান কৰাৰ পৰিৱৰ্তে যদি প্ৰতিপক্ষক শত্ৰু হিচাপে চাবলৈ শিকোৱা হয়, তেন্তে গণতান্ত্ৰিক মূল্যবোধৰ সলনি অসহিষ্ণুতাই স্থান লোৱাৰ আশংকা থাকে। সামাজিক মাধ্যমৰ যুগত এই সমস্যাই নতুন ৰূপ লাভ কৰিছে। কোনো এটা বক্তব্য, বিতৰ্ক বা ৰাজনৈতিক মতামত মুহূৰ্ততে হাজাৰ হাজাৰ মানুহৰ মাজলৈ বিয়পি পৰিব পাৰে। তথ্য পৰীক্ষা নকৰাকৈ মতামত গ্ৰহণ কৰা, অপপ্ৰচাৰ বা উত্তেজনামূলক বক্তব্যৰ প্ৰভাৱত আৱেগিক হৈ পৰা-এইবোৰে ছাত্ৰ ৰাজনীতিক অধিক জটিল কৰি তুলিছে। সেয়েহে বৰ্তমানৰ ছাত্ৰ ৰাজনীতিত ৰাজনৈতিক সচেতনতাৰ লগতে তথ্য-সচেতনতা আৰু ডিজিটেল দায়িত্ববোধো অতি প্ৰয়োজনীয়।

তথাপি ছাত্ৰ ৰাজনীতিক সম্পূৰ্ণৰূপে 'ভয়াবহ' বুলি অভিহিত কৰাটোও যুক্তিসংগত নহয়। ৰাজনীতিৰ পৰা ছাত্ৰসমাজক সম্পূৰ্ণ আঁতৰাই ৰখাৰ অৰ্থ হ'ল তেওঁলোকক সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰশ্নৰ পৰা আঁতৰাই ৰখা। বৰং প্ৰয়োজন হৈছে ছাত্ৰ ৰাজনীতিক সুস্থ, গণতান্ত্ৰিক আৰু শিক্ষামুখী কৰি তোলা। ছাত্ৰ নেতাৰ পৰিচয় কেৱল সভা-সমিতি বা শ্লোগানত সীমাবদ্ধ নাথাকি গ্ৰন্থপাঠ, যুক্তিবাদী আলোচনা, সমাজসেৱা, শিক্ষাৰ অধিকাৰ, পৰিৱেশ সংৰক্ষণ আৰু মানৱীয় মূল্যবোধৰ সৈতে জড়িত হ'ব লাগে। ছাত্ৰ ৰাজনীতিৰ এটা সুস্থ পৰিৱেশত এজন ছাত্ৰই শিকিব লাগে। বিপৰীত মতকো শুনিব লাগে, কেনেকৈ নেতৃত্ব দিব লাগে, কিন্তু ক্ষমতাৰ মোহত নিজকে হেৰুৱাব নালাগে। এই শিক্ষাইহে ভৱিষ্যতৰ দায়িত্বশীল নাগৰিক সৃষ্টি কৰিব পাৰে। শিক্ষানুষ্ঠানসমূহেও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। শিক্ষাৰ পৰিৱেশ যাতে হিংসা, ভয় বা অন্ধ দলীয় প্ৰভাৱৰ দ্বাৰা কলুষিত নহয়, তাৰ বাবে সুস্থ বিতৰ্ক, ছাত্ৰ সংসদ, সাংস্কৃতিক অনুষ্ঠান, সমাজসেৱা আৰু মত-বিনিময়ৰ গণতান্ত্ৰিক পৰিসৰ সৃষ্টি কৰিব লাগে। আচলতে ছাত্ৰ ৰাজনীতি ভয়াবহ হয় তেতিয়াহে, যেতিয়া ৰাজনীতি ছাত্ৰত্বক গ্ৰাস কৰে। কিন্তু ছাত্ৰত্বই যেতিয়া ৰাজনৈতিক জ্ঞান, আদৰ্শ, যুক্তি আৰু মানৱতাৰ পথে পৰিচালিত কৰে, তেতিয়া সেই ৰাজনীতি সমাজৰ বাবে আশীৰ্বাদ হৈ পৰে। কাৰণ আজিৰ ছাত্ৰই কাইলৈৰ শিক্ষক, প্ৰশাসক, সাংবাদিক, সাহিত্যিক, বিজ্ঞানী, সমাজকৰ্মী আৰু ৰাজনীতিবিদ।

সেয়ে প্ৰশ্নটো কেৱল 'ছাত্ৰ ৰাজনীতি থাকিব নে নাথাকিব' নহয়, প্ৰশ্নটো হ'ল-আমি কেনেধৰণৰ ছাত্ৰ ৰাজনীতি বিচাৰোঁ ? এনে ৰাজনীতি, যিয়ে শিক্ষাৰ্থীৰ হাতত বিভাজনৰ পতাকা তুলি দিয়ে, নে এনে ৰাজনীতি, যিয়ে তেওঁলোকৰ হাতত জ্ঞান, যুক্তি, গণতন্ত্ৰ আৰু মানৱতাৰ দীপশিখা তুলি দিয়ে ?

ভৱিষ্যৎ প্ৰজন্মৰ বাবে ছাত্ৰ ৰাজনীতি ভয়াবহ নহয়, ভয়াবহ হ'ব পাৰে আদৰ্শহীন ছাত্ৰ ৰাজনীতি। আৰু সেইবাবেই আজিৰ প্ৰয়োজন ৰাজনীতিবিমুখ ছাত্ৰসমাজ নহয়, বৰং জ্ঞানী, সচেতন, যুক্তিবাদী, সহিষ্ণু আৰু নৈতিক ছাত্ৰ নেতৃত্ব। কাৰণ এখন সুস্থ গণতন্ত্ৰৰ বীজ আজিৰ শিক্ষানুষ্ঠানতেই ৰোপিত হয়-আৰু সেই বীজৰ পৰাই এদিন গঢ় লৈ উঠিব ভৱিষ্যতৰ সমাজ।

# ভাৰ্চুৱেল শৈশৱ ঃ অন্য এক আতংক

**নিবেদিতা হাজৰিকা**

বৰ্তমান যুগতো হ'ল তথ্য প্ৰযুক্তিৰ যুগ বা ডিজিটেল যুগ। ইয়াৰ অবিহনে যেন সকলো অচল। শিশু সকলো ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা পৰিলক্ষিত হৈছে। ভাৰ্চুৱেল শৈশৱৰ আতংক বৰ্তমান সময়ৰ এক ডাঙৰ সমস্যালৈ পৰিণত হৈছে। ইয়াৰ নেতিবাচক প্ৰভাৱ চিন্তাজনক। আগৰ দৰে শিশু সকলে সমনীয়াৰ লগত খেলাৰ পৰিৱৰ্তে হাতত সেই নীৰৱ ঘাটক স্বৰূপ ম'বাইল ফোনটোৰ লগত চকুৰ টিপ নমৰাকৈ একাত্ম হৈ এখন অন্য জগত বিচৰণ কৰে, যিখন জগতৰ বাস্তৱৰ লগত কোনো সম্পৰ্ক নাই। প্ৰাকৃতিক খেল-ধেমালিৰ পৰিৱৰ্তে ম'বাইল, ইণ্টাৰনেট তথা বিভিন্ন ৱেবছাইটৰ মাজত সময় অতিবাহিত কৰাটো আজিৰ সময়ৰ এটি পৰিচিত দৃশ্য। এই আসক্তিয়ে সন্তানক বহুত ক্ষতি কৰিছে। ভাৰ্চুৱেল পৃথিৱীৰ গ্ৰাসৰ পৰা শিশু, সন্তানক উলিয়াই আনিব পৰাটো অভিভাৱকৰ বাবে এক প্ৰত্যাহ্বান যদিও সঠিক ৰূপত নিৰ্দেশনা দিব পাৰিলে বা জানিলে শিশু সকলক নিশ্চয়কৈ এই আসক্তিৰ পৰা ৰক্ষা কৰিব পৰা যাব। সঠিক পথত শিশু সকলক পৰিচালনা কৰাৰ সময় আহি পৰিছে। শিশু সকলক সঠিক পথ নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আৰু সময় আহি পৰিছে। এই ক্ষেত্ৰত শিশু সকলৰ অনলাইন একটিভিটি মনিটৰ কৰা উচিত। শিশু সকলক অনলাইন ছেফটিৰ বিষয়ে শিক্ষা দিয়া উচিত, শিকোৱা উচিত। শিশু সকলক সঠিক ভাবে পৰিচালনা নকৰিলে এক ভয়ানক সংকট নামি আহিব। শিশু সকলক ভাৰ্চুৱেল জগতৰ লোভনীয় প্ৰলোভনৰ পৰা ৰক্ষা কৰিবলৈ অভিভাৱক সকল তথা সমাজৰ অন্য লোক সকলো সজাগ-সচেতন হ'ব লাগিব। বৰ্তমান সময়ত শিশু সকলৰ ভাৰ্চুৱেল প্ৰীতি বা আগ্ৰহ এক আসক্তিলৈ পৰিণত হৈছে বুলি ক'ব পাৰি। যিয়ে উঠি অহা শিশু সকলৰ যথেষ্ট ক্ষতি সাধন কৰিছে। শাৰীৰিক, মানসিক তথা মানসিক দিশত বিশেষ ভাবে প্ৰভাৱিত কৰা পৰিলক্ষিত হৈছে। সেয়ে সময় থাকোঁতেই ভাৰ্চুৱেল পৃথিৱী খনৰ পৰা শিশু সকলক উদ্ধাৰ কৰিবলৈ সকলোৱে যত্ন পৰ হোৱা উচিত। ভাৰ্চুৱেল পৃথিৱী, বাস্তৱ পৃথিৱীৰ পৰা সম্পূৰ্ণ পৃথক। সেয়ে শৈশৱ কালত এই পৃথিৱীখনৰ পৰা আঁতৰাই নাৰাখিলে আমাৰ সম্পদ সমূহ কলিতেই মৰহি যাব। ভাৰ্চুৱেল শৈশৱ বা ম'বাইল-ইণ্টাৰনেটৰ অতিমাত্ৰা নিৰ্ভৰশীলতাৰ আতংক আঁতৰ কৰিবলৈ হ'লে শিশু সকলক প্ৰাকৃতিক পৰিৱেশ আৰু মুকলি খেল-ধেমালিৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। অভিভাৱকে হাজাৰ ব্যস্ততাৰ মাজতো সন্তানক সময় দিয়া উচিত। সন্তানক আজৰি সময় উলিয়াই অলপ প্ৰকৃতিৰ সান্নিধ্য দিবলৈ যত্ন কৰা উচিত। বিভিন্ন সৃজনাত্মক কাম আৰু ঘৰুৱা সৰু-সুৰা কাৰ্যত তেওঁলোকক ব্যস্ত ৰাখিবলৈ যত্ন কৰিব লাগিব। পৰিয়ালৰ সদস্য সকলেও শিশুটিৰ লগত বেছিকৈ মানসন্মত সময় অতিবাহিত কৰক, যাতে তেওঁলোকে ভাৰ্চুৱেল জগতৰ পৰিৱৰ্তে বাস্তৱিক মৰম আৰু নিৰাপত্তা অনুভৱ কৰে। ভয়ানক ব্যাধি স্বৰূপ হৈ পৰা এই ৰোগাক্ৰান্ত শিশু সকলক ইয়াৰ ভয়াবহতাৰ পৰা ৰক্ষা কৰিবলৈ হ'লে আমি অভিভাৱক সকল সৰ্বতো প্ৰকাৰে সচেতন হ'ব লাগিব, প্ৰয়োজনত কিছু কঠোৰ হ'ব লাগিব।

শিশু সকলৰ শৈশৱ কালতো খেল-ধেমালি, প্ৰকৃতিৰ লগত, সমনীয়াৰ লগত অতিবাহিত হ'লে যি আনন্দ পোৱা যায় সেই আনন্দৰ পৰা আজিৰ শিশু সকলৰ যেন বহুতেই বঞ্চিত। ৰুটিনবদ্ধ জীৱনে শিশু সকলৰ শৈশৱৰ হাঁহি -ধেমালি সমূহটো কাঢ়ি নিয়াৰ দৰে হৈছে, ইয়াৰ লগতে ভাৰ্চুৱেল জগতৰ ত্ৰাস। ম'বাইল বা স্ক্ৰীণৰ মাজত সৰুৰে পৰা সময় কটোৱাৰ ফলত শিশু সকলৰ শাৰীৰিক-মানসিক দুয়ো দিশৰে ব্যাপক ক্ষতি সাধন হৈছে। সমাজ আৰু মুকলি পৰিৱেশৰ পৰা দূৰ হৈ পৰিছে, সামাজিক বিচ্ছিন্নতাৰ ভাব গঢ় লৈ উঠিছে। ভয়, উদ্বেগ, খিংখিঙীয়া স্বভাৱ আৰু একাকিত্ব ভাব বৃদ্ধি পাব ধৰিছে। এই বিষয় সমূহ একেবাৰেই উলাই কৰা উচিত নহয়। ভাৰ্চুলেল জগতখনৰ পৰা শিশুক সম্পূৰ্ণ ৰূপে আঁতৰাই ৰখাটো সম্ভৱ নহয়, কিন্তু সঠিক নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ জৰিয়তেহে শিশু সকলক ইয়াৰ কু-ফলৰ পৰা ৰক্ষা কৰি এক সুস্থ ভৱিষ্যত তথা সুস্থ জীৱন প্ৰদান কৰিব পৰা যাব। সেয়ে অভিভাৱক সকল সতৰ্ক আৰু সচেতন হোৱাটো বৰ্তমান সময়ৰ এক বিশেষ আহ্বান।

বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ লগতে ১০১ গছি বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# ডুমডুমাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১০১ সংখ্যক জন্মদিন উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ভাৰতৰত্ন, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠানৰ লগতে মহান শিল্পীজনৰ ১০১ সংখ্যক জন্ম দিৱসটি ৰূপাই শতদল শাখা সাহিত্য সভা আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ যুটীয়া উদ্যোগত তথা ডুমডুমা-ৰূপাই বাসীৰ সহযোগত ৮ ছেপ্টেম্বৰত ৰূপাই চাইডিঙস্থিত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি আৰু শ্বহীদ বেদীৰ প্ৰাঙ্গণত উদ্‌যাপন কৰা হয়। এই উপলক্ষে ৰাতিপুৱা সুধাকণ্ঠৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াই ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি কৃষ্ণকিংকৰ সোণোৱালে। ইয়াত উপস্থিত থাকে ডুমডুমা মহাবিদ্যালয় আৰু বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যাপক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। আনফালে সন্ধিয়া ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি আৰু শ্বহীদ বেদীত ১০১গছি বন্তি প্ৰজ্বলন কৰি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থা, ৰূপাই শতদল শাখা সাহিত্য সভাৰ বিষয়ববীয়া আৰু উপস্থিত ৰাইজে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে ৰূপাই শতদল শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন অসম সাহিত্য সভাৰ আদৰণি গীতেৰে শুভাৰম্ভ কৰা হয়। সভাত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিংফুকন আৰু ড° মীনা দেৱী বৰুৱাই ড° ভূপেন হাজৰিকাৰ গীতত থকা মানৱতাবোধ আৰু মহান শিল্পীগৰাকীৰ জীৱনৰ বিভিন্ন দিশ সাঙুৰি মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ঋণুমণি দত্ত ভূঞা, জিনুমণি গোহাঁই, সংগীতা চৌধুৰী, ৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী গাৰ্গী হাজৰিকা, সুৰাঞ্জলি সংগীতালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা দলীয় গীত, শিশু শিল্পী প্ৰজ্ঞা প্ৰিয়ম দত্তৰ গীত, অৰ্পণা সেনাপতি, ৰুমী কলিতা গগৈৰ কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলাৰ লগতে সকলোকে আপ্লুত কৰে। অনুষ্ঠানত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীনা দেৱী বৰদলৈ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণীতা সন্দিকৈ ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ মালা বৰুৱা কাকতি, ডুমডুমা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰঞ্জীতা গগৈ বৰুৱা, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি কৃষ্ণকিংকৰ সোণোৱাল, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দুৰ্জয় মৰাণ, শাখাৰ সদস্য সুখেন নেওগ, ৰাজু বৰুৱা, মাধুৰিমা বৰুৱা, মৃদুপৱন বড়া, প্ৰাণকৃষ্ণ দাস, মমী সোণোৱাল, অনন্ত বৰুৱা, বিকিয়ান বাইলুং, বীৰেন সোণোৱাল, আনন্দ সোণোৱাল, কান্তেশ্বৰ বড়া, প্ৰফুল্ল ভৰালী, অজন্তা সোণোৱাল, টুটুমণি মৰাণ, কবিতা শইকীয়া, অনিল সোণোৱালকে আদি কৰি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য-সদস্যাসকল উপস্থিত থাকে। উপস্থিত ৰাইজে সমস্বৰে ড° হাজৰিকাৰ যুগমীয়া গীত "মানুহে মানুহৰ বাবে" পৰিৱেশন কৰে। জুনুমণি বৰাই আঁত ধৰা এই অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ দাতা বিশিষ্ট সমাজসেৱক ৰামধন আগৰৱালাক আদৰণি জনায়। ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰাতুল গগৈয়ে শলাগ জ্ঞাপন কৰাৰ পাছতে জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে। আনহাতে ডুমডুমা শতদল শাখা সাহিত্য সভাই সন্ধিয়া শাখাৰ বাকৰিত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ লগত সংগতি ৰাখি ১০০গছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আৰম্ভণিতে শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলাৰ কাৰ্যকৰী সভাপতি বিনোদ শইকীয়া আৰু অসমীয়া যুৱ মঞ্চৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি মানস শৰ্মাই এগছিকৈ বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই সুধাকণ্ঠৰ জীৱনৰ বিভিন্ন দিশ সামৰি এটি চমু বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতেই সমবেত কণ্ঠত সুধাকণ্ঠৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' পৰিৱেশন কৰে। শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাসে আঁত ধৰা এই অনুষ্ঠানত তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, শাখা সাহিত্য সভাৰ কাৰ্যালয় সম্পাদক কুলধৰ বৰ্মন, আজীৱন সভ্য ৰীমা ডেকা, নিভাৰাণী চৌধুৰী, নমী বৰঠাকুৰ শৰ্মা, অনামিকা লহকৰসহ বহু সংখ্যক শুভাকাংক্ষী ব্যক্তি উপস্থিত থাকে। ইয়াৰ উপৰিও ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ উদ্যোগত নাট্যমন্দিৰ ভৱনত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জনাই এটি অনুষ্ঠান অনুষ্ঠিত কৰে। সমিতিৰ সহকাৰী সম্পাদক দেবেন ডেকাই আঁত ধৰা এই অনুষ্ঠানত সমিতিৰ সভাপতি ডাঃ প্ৰণৱজ্যোতি ডেকাই সুধাকণ্ঠৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। সমিতিৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি মুকলি কৰে। অনুষ্ঠানত সমিতিৰ ভালে সংখ্যক সদস্য আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

৭৫ শতাংশ ছাত্ৰ-ছাত্ৰীক দিক্-নিৰ্দেশনা বিদ্যালয় পৰ্যায়ৰ পৰাই দিব লাগিব ঃ আয়ুক্ত

# আউনীআটী উচ্চতৰ মাধ্যমিকত নৱাগত আদৰণি




**অসম বাৰ্তা, উজনী মাজুলী, ১০ ছেপ্টেম্বৰ ঃ** আধুনিক জগতখনত বৰ্তি থাকিবলৈ আমাৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা প্ৰমাণ পত্ৰ পোৱা ৭৫ শতাংশ ছাত্ৰ-ছাত্ৰীক আত্মনিৰ্ভৰশীল হ'বলৈ বিদ্যালয় পৰ্যায়ৰ পৰাই দিক্ নিৰ্দেশনা দিব লাগিব। চৰকাৰী সংস্থাপন কেৱল ২৫ শতাংশই হে লাভ কৰে। ভাল ভাল মাৰ্কচিট থকাৰ পিছতো বাকীসকল মুৰকত দিশহাৰা হ'ব লগীয়া হয়। আজি ইয়াৰ আউনীআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণি সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে এই আহ্বান জনায়। চৰকাৰী চাকৰি ল'ব নোৱৰা সকলে যাতে আমাৰ পথাৰখন, নৈখন-বিলখন আৰু কাৰিকৰী দিশৰ সৰু বৰ বিশাল ক্ষেত্ৰখন মুখী হ'ব পাৰে তাৰ অনুকূল বাতাবৰণ বিদ্যালয়ৰ পৰাই ৰচনা হোৱাত গুৰুত্ব দিয়ে। অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকি বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা ভাৰপ্ৰাপ্ত জিলা প্ৰাথমিক শিক্ষা বিষয়া লিপিকা বুঢ়াগোহাঁই (অঃ শিঃ সেৱা-১) মহোদয়াই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক গুৰুত্বপূৰ্ণ আৰু অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি একাগ্ৰতা, শৃংখলাবোধ, নৈতিক মূল্যবোধ আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে জীৱনত সফলতা অৰ্জন কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি, মাজুলী জিলাৰ সহকাৰী জিলা আয়ুক্ত অনুৰাগ প্ৰীতম বৰবৰাই অনুষ্ঠানত উপস্থিত থাকে। উক্ত অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট গণ্য-মান্য ব্যক্তিসকল, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকি নৱাগতসকলক উৎসাহিত কৰে। অনুষ্ঠানটোৱে নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয় জীৱনৰ এক নতুন অধ্যায়ৰ শুভাৰম্ভণি ঘটোৱাৰ লগতে তেওঁলোকৰ মনত শিক্ষা, শৃংখলা আৰু ভৱিষ্যৎ জীৱনৰ প্ৰতি নতুন উদ্যম, আত্মবিশ্বাস আৰু প্ৰেৰণাৰ সঞ্চাৰ কৰে। অধ্যক্ষ প্ৰশান্ত দোলাকাষৰীয়াৰ সভাপতিত্ব অনুষ্ঠিত সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এক সমবেত সংগীতেৰে আৰম্ভ হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া। সাম্প্ৰতিক যুৱ উচ্ছৃঙ্খলতা বিষয়ত বক্তৃতা প্ৰদান কৰি তেখেতে, ইয়াৰ পৰা পৰিত্ৰাণৰ বাবে অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী সকলো দায়ৱদ্ধতাৰে আগবঢ়াত গুৰুত্ব দিয়ে। তেওঁ ছাত্ৰ-ছাত্ৰীক অমূল্য জীৱনক উচ্ছৃঙ্খলতাৰ বলি নকৰিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি ৰূপে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ জগত জ্যোতি সাতোলা, কমলাবাৰী একাডেমিৰ প্ৰধান শিক্ষক কমল দত্ত, অতিথি হিচাপে আউনীআটী সত্ৰৰ বৈষ্ণৱ হেৰম্ব প্ৰসাদ হাজৰিকা, খগেন লেখাৰু, যুৱছাত্ৰ পৰিষদৰ মাজুলী জিলা সভাপতি মুনীন্দ্ৰ ভূঞা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৱিত্ৰ গোস্বামী, সভাপতি (ভা) প্ৰাঞ্জল শইকীয়া, কানকুৰিকা বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক, সাংবাদিক দিপু বৰা, শিক্ষক পংকজ বৰা উপস্থিত থাকে আৰু কেইগৰাকীয়ে ভাষণ প্ৰদান কৰে। সভাখনিৰ আঁতধৰে পাৰ্থপ্ৰতিম বৰাই। মুকলি সভাৰ পূৰ্বে বিদ্যালয়ৰ নৱ নিৰ্মিত গণিত আৰু বিজ্ঞানৰ সংহত গৱেষণাগাৰৰ দ্বাৰ উদঘাটন কৰে আয়ুক্ত গৰাকীয়ে। সভাত কেইবাটাও সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ হোৱাৰ উপৰিও বিয়লি ২-৩০ বজাৰ পৰা এক বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ হয়। সাংস্কৃতিক কাৰ্যসূচী শুভ উদ্বোধন কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সত্ৰৰ বৈষ্ণৱ প্ৰসন্ন ভুঞাই।

# নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু শালনা চাহ বাগিছা শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত লোক-সাংস্কৃতিক সমাৰোহ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু শালনা চাহ বাগিছা শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত আৰু শালনা সমূহীয়া চাহ শ্ৰমিক উন্নয়ন কেন্দ্ৰৰ সহযোগত অহা ১৭ আৰু ১৮ নৱেম্বৰত শালনাত বৃহৎ লোক-সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰিছে। আজি এই উপলক্ষে শালনা সমূহীয়া চাহ শ্ৰমিক উন্নয়ন কেন্দ্ৰত সমাজ কৰ্মী তথা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সীমাঞ্চল দীঘালৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে অংশগ্ৰহণ কৰি কয় যে, লোক-সাংস্কৃতিক সমাৰোহ মানে কেৱল নৃত্য-গীত, সাজ-পোছাকৰ উৎসৱ নহয়। লোক-সংস্কৃতি হৈছে এটা জনগোষ্ঠীৰ পৰিচয়, ইতিহাস, স্মৃতি আৰু আত্মাৰ ভাষা। সেই অৰ্থত চাহ জনগোষ্ঠীৰ সংস্কৃতি অসমৰ বহুৰঙী সাংস্কৃতিক পৰম্পৰাৰ এক অমূল্য সম্পদ বুলি সভাপতি ড° বৰকটকীয়ে কয়। লগতে তেওঁ কয় যে, সাহিত্য সভাৰ এই প্ৰস্তাৱিত লোক সাংস্কৃতিক সমাৰোহে এটা সুন্দৰ বাৰ্তা দিব যে, বৈচিত্ৰ্যই জাতিক বিভক্ত নকৰে বৰং বৈচিত্ৰ্যই অসমক অধিক সমৃদ্ধ কৰি আহিছে। বড়ো, মিচিং, কাৰ্বি, তিৱা, ডিমাছা, চাহ জনগোষ্ঠীকে ধৰি অন্যান্য সকলো জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ সমন্বয়তেই অসমৰ অসমীয়াৰ প্ৰকৃত পৰিচয়। সভাখনত জিলা সাহিত্য সভাৰ হৈ মহেশ নাথ, গাৰ্গী গীতম বৰাই ভাগ লয় আৰু সমাৰোহৰ বিষয়ে সভাপতি সীমাঞ্চল দীঘালে কয় যে, চাহ বাগিচাৰ সেউজীয়া পাতৰ মাজত যি সুৰ আছে সেই সুৰ কেৱল এটা জনগোষ্ঠীৰ নহয়, সেই সুৰ হৈছে অসমৰ মাটিৰ সুৰ, অসমৰ মানুহৰ সুৰ। শাখাৰ সম্পাদক ৰাম বিলাস তাঁতীয়ে সভাৰ উদেশ্য আৰু ব্যাখ্যা কৰে। আজিৰ সভাখনত লোক-সাংস্কৃতিক সমাৰোহৰ বাবে মন্ত্ৰী কেশৱ মহন্তক সভাপতি, সীমাঞ্চল দীঘালক কাৰ্যকৰী সভাপতি আৰু মেঘনাথ তাঁতী, ৰাণা বৰকাকতি, উদন চহৰীয়া, চন্দন দীঘালক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। লোক-সাংস্কৃতিক সমাৰোহ আয়োজন উপলক্ষে চাহ বাগিচাৰ জনসাধাৰণৰ মাজত উৎসাহ পৰিলক্ষিত হৈছে। সভাত দিলীপ বড়াইক, মেঘনাথ তাঁতী, অঞ্জনা পাহাৰীয়া, প্ৰান্তৰ বৰা, ৰাণা বৰকাকতি, প্ৰতিমা ৰাজৱাৰ আদিৰ লগতে কেইবাগৰাকী ব্যক্তিয়ে সাহিত্য সভাৰ এই উদ্যোগৰ শলাগ লয়। এই প্ৰস্তাৱিত সাংস্কৃতিক সমাৰোহে চাহ জনগোষ্ঠীৰ ঐতিহ্যক অধিক শক্তিশালী কৰাৰ লগতে বিভিন্ন জনগোষ্ঠীৰ নতুন প্ৰজন্মক নিজৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে সমন্বয়, সম্প্ৰীতি আৰু ভাতৃত্ববোধক অধিক সুদৃঢ় কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। এই সভাত অঞ্জনা পাহাৰীয়া আৰু সমূহীয়া কেন্দ্ৰৰ তৰুণ ছাত্ৰীয়ে কেইবাটাও দেশ আৰু অসমীয়া ভাষাক লৈ লিখা কালজয়ী গীত পৰিৱেশন কৰি সভাখনৰ গুৰুত্ব বৃদ্ধি কৰিছিল।

## গৌৰীপুৰত সন্দেহযুক্ত গো-মাংসসহ এজনক আটক

**অসম বাৰ্তা, গৌৰীপুৰ, ৯ ছেপ্টেম্বৰ ঃ** গৌৰীপুৰ থানাৰ অন্তৰ্গত শিলাইৰপাৰ অঞ্চলত অবৈধভাৱে গৰু নিধন আৰু মাংস বিক্ৰী কৰাৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই এজন ব্যক্তিক আটক কৰাৰ লগতে সন্দেহযুক্ত গো-মাংস উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত গৌৰীপুৰ আৰক্ষীয়ে শিলাইৰপাৰ অঞ্চলত অভিযান চলায়। অভিযানকালত সাজুৱাৰকুটিৰ বাসিন্দা আবুল হাছান প্ৰধানীৰ পুত্ৰ জহিৰুল হক নামৰ ব্যক্তিজনক এখন মটৰচাইকেলত আহি থকা অৱস্থাত আৰক্ষীয়ে পথত আগভেটি ধৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে চলোৱা তালাচীত মটৰচাইকেলখনৰ পৰা প্ৰায় ৭.৫ কিলোগ্ৰাম সন্দেহযুক্ত কটা কেঁচা গো-মাংস আৰু গৰুৰ দুখন ভৰি উদ্ধাৰ কৰা হয়। ঘটনাৰ পিছতে আৰক্ষীয়ে জহিৰুল হকক আটক কৰি গৌৰীপুৰ থানালৈ লৈ আহে। উদ্ধাৰ হোৱা মাংসখিনি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা লগতে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে জানিব পৰা গৈছে।

## নদীত মাছ ধৰিবলৈ গৈ নিৰুদ্দেশ মাজুলীৰ ময়ূৰী মিলি পায়েং

**অসম বাৰ্তা, মাজুলী, ৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ জিলাৰ পকাজৰা গাঁও পঞ্চায়তাৰ অন্তৰ্গত বালি জকাইবোৱা গাঁৱৰ নিলমজ্যোতি পায়েঙৰ পত্নী ময়ূৰী মিলি পায়েং (২৫) নামৰ মহিলা গৰাকী আজি পুৱাৰে পৰা সন্ধানহীন হীন হৈ আছে। জানিব পৰা মতে আজি পুৱা প্ৰায় ৮: ৩০ বজাত গাঁওখনৰ সমীপৰ খেৰসূতী নদীত মাছ ধৰিবলৈ গৈছিল। জানিব পৰা মতে মহিলা গৰাকী তেওঁ পৰিয়ালৰ নবৌৱেকৰ লগত নদীত আঁঠুৱা জাল লৈ মাছ ধৰি আছিল। তেনে সময়তে তেওঁলোকে মাছ ভৰাবলৈ লৈ যোৱা পাত্ৰটো (বতুৱা) তেওঁলোকৰ কাষৰ পৰা সোঁতত আঁতৰি উটি যোৱাত ময়ূৰীয়ে পাত্ৰ তো আনিবলৈ যাওঁতে নদীত খহনিয়া ৰোধৰ বাবে সংস্থাপন কৰি থোৱা জি' অ বেগত পিছলখাই দলৈ পৰি যায় আৰু তেতিয়াৰ পৰাই মহিলা গৰাকী নদীৰ বুকুত সন্ধান হৈ আছে। মহিলা গৰাকীৰ সন্ধানত নদীখনত বৰ্তমান SDRF বাহিনী আৰু স্থানীয় ৰাইজে নদীত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

## লোহিত নদীৰ KKG-BSB দলঙৰ পৰা ক্ষতিগ্ৰস্ত বাহন আঁতৰাই যোগাযোগ ব্যৱস্থা পুনৰ বাহাল



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ** সীমান্ত পথ সংস্থাৰ 'প্ৰজেক্ট উদয়ক' এ অৰুণাচল প্ৰদেশৰ লোহিত নদীৰ ওপৰত ক্ৰোৱতীত অৱস্থিত KKG-BSB দলঙত আৱদ্ধ হৈ থকা এখন চিভিল টিপাৰ সফলতাৰে আঁতৰাই অঞ্চলটোৰ গুৰুত্বপূৰ্ণ যোগাযোগ ব্যৱস্থা পুনৰ বাহাল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্যযোগ্য যে ১ ছেপ্টেম্বৰত দলঙখনত সম্পূৰ্ণভাৱে বোজাই কৰা চিভিল টিপাৰখন আৱদ্ধ হৈ পৰাৰ ফলত দলঙখন ক্ষতিগ্ৰস্ত হৈছিল। 'প্ৰজেক্ট উদয়ক'ৰ মুখ্য অভিযন্তা এছ. কে. বাৰ্মাৰ নিৰ্দেশনা আৰু তত্ত্বাৱধানত ৪৮ টাস্ক ফৰ্চ আৰু ১১৬ RCC-ৰ কৰ্মযোগীসকলে অত্যন্ত প্ৰতিকূল পৰিস্থিতিৰ মাজতো অসাধাৰণ কাৰিকৰী দক্ষতা, নিখুঁত পৰিকল্পনা আৰু অক্লান্ত প্ৰচেষ্টাৰে এই জটিল উদ্ধাৰ অভিযান সফলতাৰে সম্পন্ন কৰে। দুৰ্গম ভূখণ্ড আৰু ইতিমধ্যে ক্ষতিগ্ৰস্ত হৈ থকা দলঙখনৰ প্ৰতি লক্ষ্য ৰাখি অভিযানটো যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল। তথাপিও BRO-ৰ কৰ্মযোগীসকলে অসাধাৰণ অভিযান্ত্ৰিক কৌশল প্ৰয়োগ কৰি দলঙত আৱদ্ধ হৈ থকা বাহনখন নিৰাপদে আঁতৰাবলৈ সক্ষম হয়। বাহনখন আঁতৰোৱাৰ পিছত দলঙখন এতিয়া পাতল যান-বাহনৰ চলাচলৰ বাবে মুকলি কৰি দিয়া হৈছে। ইয়াৰ ফলত দুৰ্গম অঞ্চলটোৰ বাসিন্দাসকলে যথেষ্ট সকাহ লাভ কৰিছে আৰু দৈনন্দিন যাতায়াত তথা অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণত সুবিধা হ'ব। ইফালে, দলঙখনক পুনৰ পূৰ্বৰ সম্পূৰ্ণ ভাৰ বহন ক্ষমতালৈ ঘূৰাই অনাৰ বাবে BRO-ৰ তৰফৰ পৰা যুদ্ধকালীন তৎপৰতাৰে মেৰামতি আৰু পুনৰুদ্ধাৰৰ কাম অব্যাহত আছে। অতি শীঘ্ৰেই এই কাম সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। প্ৰজেক্ট উদয়ক, BRO-ৰ এই ক্ষিপ্ৰ পদক্ষেপ আৰু নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাই দেশৰ অতি দুৰ্গম অঞ্চলসমূহলৈ নিৰাপদ, নিৰ্ভৰযোগ্য আৰু নিৰৱচ্ছিন্ন যোগাযোগ ব্যৱস্থা নিশ্চিত কৰাৰ ক্ষেত্ৰত সংস্থাটোৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ প্ৰতিফলিত কৰিছে।

## বৰবালাত হাউলী আৰক্ষীৰ অভিযানত ২ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ; এজনক আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১০ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ হাউলী আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখি কালি নিশা বৰবালাত এক সফল অভিযান চলাই বৃহৎ পৰিমাণৰ ইয়াবা টেবলেট উদ্ধাৰ কৰাৰ লগতে এগৰাকী ব্যক্তিক আটক কৰে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, গোপন তথ্যৰ ভিত্তিত হাউলী আৰক্ষীয়ে কালি নিশা বৰবালাত অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে প্ৰায় ২,০০০টা ইয়াবা টেবলেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ সৈতে জড়িত থকাৰ অভিযোগত আছাদুল হক নামৰ এজন ব্যক্তিক আৰক্ষীয়ে আটক কৰে। উদ্ধাৰ হোৱা নিষিদ্ধ ড্ৰাগছখিনিৰ আনুমানিক বজাৰমূল্য আৰু ইয়াৰ সৰবৰাহৰ সৈতে জড়িত অন্যান্য ব্যক্তিৰ বিষয়ে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আটকাধীন ব্যক্তিজনক সোধা-পোছা কৰি ড্ৰাগছ সৰবৰাহৰ আঁৰৰ চক্ৰটোৰ সন্ধান উলিওৱাৰ চেষ্টা চলাইছে আৰক্ষীয়ে। উল্লেখ্য যে, বৰপেটা জিলাত ক্ৰমাৎ বৃদ্ধি পোৱা ড্ৰাগছৰ অবৈধ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অধিক তীব্ৰতৰ কৰি তুলিছে। শেহতীয়াকৈ জিলাখনৰ বিভিন্ন অঞ্চলত চলোৱা অভিযানত ড্ৰাগছসহ একাধিক লোক আটক হোৱাৰ ঘটনাই বিষয়টোৰ গুৰুত্ব অধিক বৃদ্ধি কৰিছে। ইফালে, বৰবালাৰ এই অভিযানক লৈ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ লগতে এই অবৈধ ব্যৱসায়ৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে।

গহপুৰ সমজিলাত ৩২খন পকী দলং নিৰ্মাণৰ বাবে প্ৰস্তাৱ প্ৰেৰণ

# বিশ্বনাথৰ জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণৰ তৎপৰতা

**অসম বাৰ্তা, গহপুৰ, ১০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ গ্ৰাম্য অঞ্চলসমূহৰ পথ যোগাযোগ ব্যৱস্থা অধিক উন্নত আৰু সুচল কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণে। জিলা আয়ুক্তগৰাকীৰ তৎপৰতাত গহপুৰ সমজিলাৰ বিভিন্ন গ্ৰাম্য পথত মুঠ ৩২খন পকী দলং নিৰ্মাণৰ বাবে ইতিমধ্যে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, লোক নিৰ্মাণ বিভাগৰ পথ সংমণ্ডলৰ গহপুৰ অসামৰিক উপ-সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাই প্ৰস্তাৱিত দলংসমূহৰ তালিকা অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ পথ সংমণ্ডল (ইএপি)ৰ মুখ্য অভিযন্তালৈ প্ৰেৰণ কৰিছে। প্ৰস্তাৱিত দলংসমূহ নিৰ্মাণ হ'লে সমজিলাখনৰ বহু গ্ৰাম্য অঞ্চলৰ ৰাইজে বছৰ বছৰ ধৰি সন্মুখীন হৈ অহা যাতায়তৰ সমস্যাৰ পৰা যথেষ্ট সকাহ লাভ কৰিব বুলি আশা কৰা হৈছে। প্ৰস্তাৱিত দলংসমূহৰ ভিতৰত ডাঠকলাৰ পৰা বৰতামোলী সংযোগী পথ, মুঢ়ানীগাঁও গ্ৰাম্য পথ, কঠাইচুক গাঁৱৰ পথ, হালদিবাৰী-সোণাজুলীৰ পৰা আলুপাৰা সংযোগী পথ, ককিলা ৰঙাজানৰ পৰা হালদিবাৰী সংযোগী পথ, ককিলা ৰঙাজানৰ পৰা হালদিবাৰীৰ দ্বিতীয়টো পথ, ককিলা নেপালী তিনিআলিৰ পৰা হালদিবাৰী সংযোগী পথ, হাৱাজানৰ পৰা নপমুৱা সংযোগী পথ, ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পূব কলিতা গাঁও সংযোগী পথ আৰু মৰণৈগুৰী গড়কাপ্তানী পথৰ পৰা পূব কলিতা গাঁও সংযোগী পথৰ নিৰ্ধাৰিত স্থানত পকী দলং নিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াৰ উপৰি মৰণৈগুৰী গড়কাপ্তানী পথৰ পৰা পূব কলিতা গাঁৱৰ দ্বিতীয়টো পথ, ককিলাগুৰিৰ পৰা জাৰণিগাঁও সংযোগী পথ, এক নং নাহৰণিৰ পৰা খাৰনীজান সংযোগী পথ, নিগম পূব লাইনৰ পৰা গোপচাৰগুৰি পথ, সোণাপুৰৰ পৰা নাৰেংগুৰী পথ, ৰাজগড় পথৰ পৰা মাধৱপুৰ পথ, বৰপুখুৰীৰ পৰা বিষ্ণুপুৰ মাজগাঁও পথ, পশ্চিম কলাবাৰীৰ পৰা ধন্দী পথাৰ পথ, দুই নং শকুৰাৰ পৰা ৰজাবাৰী পথ, হাজৰিকা চুবুৰীৰ পৰা নগএগ্ৰা চুবুৰী পথ, গোপালপুৰৰ পৰা গৰৈমাৰী হৈ ৰঙাজান সংযোগী পথত পকী দলং নিৰ্মাণৰ প্ৰস্তাৱ দিয়া হৈছে। একেদৰে ব্ৰহ্মাজানৰ পৰা ডেলহাউচি কছাৰী পথ, আউনীবাৰীৰ পৰা কেন্দুগুৰি পথ, চিলঠিয়াৰ পৰা ভোলাগুৰি পথ, এক নং ডলাডলনীৰ পৰা দেউৰী চুক পথ, খালমৰাৰ পৰা হিলৈপড়ীয়া পথ, দলগুৰিৰ পৰা নৱপুৰৰ পথ, আলি গুৰিৰ পৰা ডাক চাপৰি জমুনচুবুৰী পথ, খাটৰ গাঁৱৰ পৰা চেঁচাটিকা পথ, খাটৰ গাঁৱৰ পৰা চেঁচাটিকা সংযোগী দ্বিতীয়টো পথ, ঔগুৰিৰ পৰা দক্ষিণ কলাবাৰী পথ আৰু ঔগুৰিৰ পৰা দক্ষিণ কলাবাৰী সংযোগী দ্বিতীয়টো পথতো পকী দলং নিৰ্মাণৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। দীৰ্ঘদিন ধৰি বহু গ্ৰাম্য পথত দলঙৰ অভাৱত বাৰিষাৰ সময়ত যাতায়ত ব্যাহত হৈ অহাৰ লগতে কৃষিজাত সামগ্ৰী কঢ়িয়াই নিয়া, ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ অহা-যোৱা আৰু জৰুৰীকালীন সেৱাৰ ক্ষেত্ৰতো ৰাইজে সমস্যাৰ সন্মুখীন হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত প্ৰস্তাৱিত ৩২খন পকী দলং নিৰ্মাণৰ কাম বাস্তৱায়িত হ'লে গহপুৰ সমজিলাৰ গ্ৰাম্য যোগাযোগ ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অহাৰ সম্ভাৱনা আছে। জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণৰ তৎপৰতাত এই প্ৰস্তাৱসমূহ আগবঢ়োৱা কাৰ্যক গহপুৰ সমজিলাৰ গ্ৰাম্য পথ যোগাযোগ ব্যৱস্থা উন্নয়নৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে।

# ডিব্ৰুগড়ত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ সংগীতসূৰ্য ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** সংগীত সূৰ্য, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড়তো নিখিল ভাৰত বংগ সাহিত্য সন্মিলন, ডিব্ৰুগড় শাখাৰ উদ্যোগত স্থানীয় মাৰোৱাৰী পট্টিস্থিত "বিৰাজ আশ্ৰম"ত এক অনুষ্ঠান অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত সুধাকণ্ঠৰ কালজয়ী গীত পৰিৱেশনেৰে মহান শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক ড° চন্দন চুতীয়াই সুধাকণ্ঠৰ জীৱন, কৰ্ম আৰু সৃষ্টিৰ বিভিন্ন দিশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ ডিব্ৰুগড় শাখাৰ সম্পাদিকা তথা ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যাপিকা ড° ৰীতা পোদ্দাৰে ড° ভূপেন হাজৰিকাৰ বিশ্বজনীন দৰ্শনৰ ওপৰত আলোকপাত কৰে। মৈত্ৰেয়ী বৰুৱা ভৌমিকে আঁত ধৰা অনুষ্ঠানত সুধাকণ্ঠ ড° হাজৰিকা কেৱল অসমৰ মাটি আৰু মানুহৰ শিল্পী হৈ থকা নাছিল, তেওঁৰ সৃষ্টিত প্ৰতিফলিত হৈছিল সমগ্ৰ বিশ্ব মানৱতাৰ প্ৰতি গভীৰ আত্মিক দায়বদ্ধতা। বিশেষকৈ 'মানুহে মানুহৰ বাবে' গীতটোৰ মাজেৰে তেওঁ মানৱতা, ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ যি অমৰ বাৰ্তা আগবঢ়াই গৈছে, সেই বাৰ্তা আজিৰ সমাজতো সমানে প্ৰাসংগিক বুলি উল্লেখ কৰে। সমাজৰ সকলো ধৰণৰ সংকীৰ্ণতা আঁতৰাই মানৱীয় প্ৰমূল্যবোধ আৰু বিশ্ব ভাতৃত্ববোধ সুদৃঢ় কৰাৰ ক্ষেত্ৰত ড° হাজৰিকাৰ সৃষ্টিৰ গুৰুত্ব অপৰিসীম বুলি মন্তব্য কৰি ড° পোদ্দাৰে সুধাকণ্ঠৰ বিশাল সৃষ্টিকামী চিন্তা-চেতনাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক ড° শেখৰ পুৰকায়স্থয়ো বক্তব্য আগবঢ়াই সুধাকণ্ঠৰ শিল্পীসত্তা আৰু সমাজ-সচেতন সৃষ্টিশীলতাৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত সাংস্কৃতিক কাৰ্যসূচীত বিশিষ্ট শিল্পী অজন্তা ভট্টাচাৰ্য আৰু সুবীৰ চৌধুৰীয়ে ড° ভূপেন হাজৰিকাৰ কেইবাটাও কালজয়ী গীত পৰিৱেশন কৰে। ইয়াৰ উপৰি বহুসংখ্যক শিল্পীয়ে সুধাকণ্ঠৰ গীত, কবিতা আৰু গীতৰ আধাৰত নৃত্য পৰিৱেশন কৰে। সংগীত আৰু নৃত্যৰ মনোমোহা পৰিৱেশনে অনুষ্ঠানটোক এক বিশেষ মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানত বক্তাসকলে কয় যে ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ মূল সুৰ হৈছে মানুহৰ প্ৰতি মানুহৰ ভালপোৱা, সামাজিক সমতা, সম্প্ৰীতি আৰু ঐক্য। তেওঁৰ কালজয়ী সৃষ্টিয়ে কেৱল এটা প্ৰজন্মকে নহয়, প্ৰজন্মৰ পিছত প্ৰজন্মক মানৱীয়তাৰ পথ দেখুৱাই যাব। সুধাকণ্ঠৰ গীত আৰু চিন্তা-চেতনাই চিৰদিন মানৱ সমাজক একতাৰ ডোলেৰে বান্ধি ৰাখিব বুলিও তেওঁলোকে মত প্ৰকাশ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## অভিষেক বেনাৰ্জীৰ ব্যক্তিগত

অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰি ছালবনীৰ চৰকাৰী মাটি বিক্ৰী কৰি ৰায়ে নিজৰ বেংক একাউণ্টত বিপুল পৰিমাণৰ ধন জমা কৰাৰ অভিযোগও উত্থাপন হৈছে। যোৱা ৮ আগষ্টত ছালবনী ভূমি জালিয়াতি গোচৰৰ সৈতে জড়িত চিআইডি বিষয়াৰ সন্মুখত হাজিৰ হৈ সুমিত ৰায়ে জেৰাত অংশ লয় আৰু তদন্তকাৰী বিষয়াই তেওঁৰ বক্তব্য লিপিবদ্ধ কৰে। তেওঁৰ অধিবক্তাই আদালতত অৱগত কৰে যে শেহতীয়াকৈ সুমিত ৰায়ৰ বিৰুদ্ধে আৰু দুটা গোচৰ ৰুজু হৈছে, যাৰ ফলত তেওঁৰ বিৰুদ্ধে মুঠ গোচৰৰ সংখ্যা চাৰিটালৈ বৃদ্ধি পাইছে। এই নতুন গোচৰৰ সৈতে জড়িত গ্ৰেপ্তাৰৰ আশংকাত সুমিত ৰায়ে পুনৰ উচ্চতম ন্যায়ালয়ৰ কাষ চাপে। অৱশ্যে উচ্চতম ন্যায়ালয়ে আবেদনটো সাংবিধানিকভাৱে গ্ৰহণযোগ্য নহয় বুলি খাৰিজ কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে, ভূমি কেলেংকাৰীত সুমিতৰ নাম তৃণমূল কংগ্ৰেছৰ মেদিনীপুৰৰ প্ৰাক্তন বিধায়ক সুজয় হাজৰাক জেৰা কৰাৰ লগতে পৰৱৰ্তী তদন্তৰ সময়ত পোহৰলৈ আহে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে দলীয় টিকট দিয়াৰ প্ৰলোভনেৰে কেইবাজনো লোকৰ পৰা লাখ লাখ টকা আদায় কৰাৰ অভিযোগো সুমিত ৰায়ৰ বিৰুদ্ধে উত্থাপন হৈছে। পশ্চিম মেদিনীপুৰৰ ছালবনীত ভূমি জালিয়াতি আৰু দুৰ্নীতিৰ এক সুকীয়া গোচৰতো তেওঁৰ বিৰুদ্ধে অভিযোগ আছে। বৰ্তমান এই গোচৰসমূহৰ তদন্ত অব্যাহত থকা বুলি জানিব পৰা গৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰায় এবছৰ

গাৰ্গৰ অন্তিম মুহূৰ্তত ইয়টত উপস্থিত থকা সুস্মিতা গোস্বামীয়ে সাক্ষ্যত কয় যে তেওঁৰ ওচৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ছোৱাৰ বহু ভিডিঅ' আছে। তেওঁ কয়, "জুবিন মৃত্যুৰ সময়ছোৱাৰ বহু ভিডিঅ' মোৰ সৈতে আছিল। এই ভিডিঅ'সমূহ আদালতত দেখুৱাইছোঁ। মোৰ ভিডিঅ'সমূহত জিঅ' টেগ আৰু লোকেচন আছে। গোচৰটোৰ বাবে এই ভিডিঅ'সমূহৰ বহু গুৰুত্ব আছে। ছিংগাপুৰৰ আদালতত যিখিনি কৈছোঁ, ইয়াতো একেখিনি কথাকে কৈছোঁ। জুবিন গাৰ্গে কোনটো সময়ত কি কৰিছিল, সেই সম্পৰ্কে এই ভিডিঅ'সমূহত প্ৰমাণ আছে।" সুস্মিতা গোস্বামীয়ে লগতে কয়, "ঘটনাৰ দিনা প্ৰথম ফোনকলটো মেডিকেললৈ মোৰ ফোনৰ পৰাই কৰা হৈছিল। সামাজিক মাধ্যমত দেখা ভিডিঅ'টো অন্তিম মুহূৰ্তৰ ভিডিঅ' নহয়। ত্ৰঢথ্ব আৰু ছিংগাপুৰ আৰক্ষীকো সকলো ভিডিঅ'ৰ তথ্য দিছোঁ। ১৯ ছেপ্তেম্বৰত সেই সময়ত পৰিৱেশ সাংঘাতিক আছিল। জুবিনদাৰ অসুখৰ বিষয়ে আমি জনা নাছিলোঁ; জনা হ'লে জুবিনদাক ময়েই যাবলৈ নিদিলোহেঁতেন।" তেওঁ আৰু কয়, "আগতে বেমাৰ থকা বুলি গম পোৱা হ'লে জুবিন গাৰ্গক যাবলৈ দিয়া নহ'লহেঁতেন। অভিযুক্ত কেইজনে সেই সময়ত জুবিনক বুৰাবলৈ বিচাৰিছিল নে ষড়যন্ত্ৰ কৰিছিল, সেয়া আদালতে বিবেচনা কৰিব। মোৰ লগত ভিডিঅ' থকাৰ লগতে বহুতৰ হাতত ভিডিঅ' আছে। আনহাতে অভিযুক্তৰ হাততো ভিডিঅ' আছে। বিপক্ষৰ অধিবক্তাই মোক বহু প্ৰশ্ন কৰিছে, কিন্তু মই সকলো স্পষ্টকৈ কৈছোঁ।" ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ ৩৫৩ দিনৰ মুৰত ফাষ্টট্ৰেক আদালতত সাক্ষ্য দিবলৈ উপস্থিত হোৱা দ্বিতীয়গৰাকী ছিংগাপুৰ প্ৰৱাসী অসমীয়া হ'ল সুস্মিতা গোস্বামী। আদালতৰ চমন লাভ কৰি ৮ ছেপ্তেম্বৰৰ পুৱাই বিশেষ ফাষ্টট্ৰেক আদালতত তেওঁ হাজিৰ হৈছিল। জুবিন গাৰ্গৰ সৈতে ইয়ট পাৰ্টিত হাঁহি-খিকিন্দালি কৰি উপস্থিত আছিল এইগৰাকী সুস্মিতা গোস্বামী। কেৱল সেয়াই নহয়, অমৃতপ্ৰভা মহন্তৰ সৈতে তেওঁ ম'বাইলত প্ৰতিটো সময়ৰ ভিডিঅ' কৰিছিল। ৮, ৯ আৰু ১০ ছেপ্তেম্বৰ-তিনিদিন ধৰি সুস্মিতা গোস্বামীয়ে ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰে। তেওঁৰ সাক্ষ্যই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত নতুন মোৰ সৃষ্টি কৰিছে বুলি অনুমান কৰা হৈছে।

## ১১ ছেপ্তেম্বৰত পুটিন-মোদীৰ

ইতিমধ্যে আৰম্ভ হৈছে। ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন ভাৰতলৈ আহিব। ৰাষ্ট্ৰপতি পুটিনৰ আগমনৰ পূৰ্বেই নয়ডা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ৰাছিয়াৰ তিনিখন বিশেষ বিমান অৱতৰণ কৰা দেখা গৈছে। বিশ্বনেতাগৰাকীৰ নিৰাপত্তা আৰু ভ্ৰমণৰ প্ৰস্তুতিৰ বাবে এই বিমানকেইখন ইতিমধ্যে ভাৰতত উপস্থিত হৈছে। আনহাতে, ভাৰত ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে এক গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ক্ৰেমলিনৰ মুখপাত্ৰ দিমিত্ৰী পেস্কোভে মস্কোৰ পৰা এক ভাৰ্চুৱেল সংবাদমেলৰ জৰিয়তে এই কথা নিশ্চিত কৰিছে। পেস্কোভে প্ৰকাশ কৰা মতে, ব্ৰিকছ সন্মিলনৰ আনুষ্ঠানিক আৰম্ভণিৰ ঠিক পূৰ্বে, অৰ্থাৎ ১১ ছেপ্তেম্বৰ শুকুৰবাৰে দুয়োগৰাকী নেতাৰ মাজত এই উচ্চস্তৰীয় বৈঠকখন অনুষ্ঠিত হ'ব। পেস্কোভে কয়, "আমি এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি পুটিন আৰু প্ৰধানমন্ত্ৰী মোদীৰ মাজত অনুষ্ঠিত হ'বলগীয়া দ্বিপাক্ষিক বৈঠকখনলৈ অত্যন্ত আগ্ৰহী। ইয়াৰ সময়সূচী ইতিমধ্যে নিৰ্ধাৰণ কৰা হৈছে। শুকুৰবাৰে প্ৰথমে তেওঁলোক দুয়োগৰাকী নেতা বৈঠকত মিলিত হ'ব, য'ত মুখ্যতঃ দুয়োখন দেশৰ মাজত বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বিষয়ে বিশেষ আলোচনা কৰা হ'ব।" উল্লেখ্য যে বিশ্বৰ বৰ্তমানৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ এই দ্বিপাক্ষিক বৈঠকলৈ এতিয়া সমগ্ৰ বিশ্বৰ চকু নিবদ্ধ হৈ পৰিছে।

## নলবাৰীত পেপচিক'ৰ খাদ্য

কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয়, "পশ্চিমবংগ বা আন ৰাজ্যৰ পৰা যাতে আমি আলু আনিব নালাগে। আমি অসমতে আলু উৎপাদন কৰি এই উদ্যোগটো সফল কৰিব পাৰোঁ, তাৰে আহ্বান জনাইছোঁ।" এই ক্ষেত্ৰত কৃষকসকলক সহায় কৰাৰ কথা উল্লেখ কৰি তেওঁ কয়, "ইতিমধ্যে মন্ত্ৰী পীযুষ হাজৰিকাই কৃষকসকলৰ সৈতে কথা পাতি গৈছে। আমি কৃষকসকলক কেনেকৈ সহায় কৰিব পাৰোঁ, তাৰ আঁচনি হাতত লম।" উল্লেখ্য, প্ৰায় ১২০ বিঘা ভূমি সামৰি স্থাপন কৰা এই উদ্যোগত প্ৰাৰম্ভিক পৰ্যায়ত প্ৰায় ৪৫০ গৰাকী কৰ্মচাৰী থাকিব। ইতিমধ্যে বহু স্থানীয় যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছে। পেপচিক'ৰ ইণ্ডিয়া আৰু দক্ষিণ এছিয়াৰ সংমণ্ডলৰ চিইঅ'ই সভাত ভাষণ প্ৰদান কৰি কয় যে ৬০০ কৃষকৰ পৰা ইতিমধ্যে ৭ হাজাৰ টন আলু ক্ৰয় কৰা হৈছে। অহা বছৰত ৩০ হাজাৰ টন আলু ক্ৰয়ৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। উদ্যোগটোৱে ৫০০০ কৃষকক আলু উৎপাদনৰ বাবে উৎসাহিত কৰিব বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত কয় যে ৭৭৮ কোটি টকাৰে নিৰ্মাণ কৰা এই প্ৰকল্পত ৭৫ শতাংশ মহিলাক নিয়োগ কৰা হৈছে। একেদৰে এই প্ৰকল্পস্থলীত ৰোজ ফুডচ কোম্পানীয়ে শীতলীকৰণ ভঁৰাল নিৰ্মাণ কৰিছে। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, তাত ৪০ গৰাকী স্থানীয় লোকে নিযুক্তি লাভ কৰিছে। আলু খেতিৰ বীজ ক্ৰয় কৰাৰ বাবে ষ্টেট বেংকৰ পৰা কেচিচিৰ ঋণ দিয়াৰ ব্যৱস্থা কৰাৰ লগতে চৰকাৰৰ পৰা এই সম্পৰ্কত বিশেষভাৱে সহায় কৰাৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ইফালে এই বছৰৰ শেষৰ ফালে ৭-৮ লাখ যুৱকক আত্মনিৰ্ভৰশীল ঋণ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। পেপচিক' উদ্যোগৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী আৰু কোম্পানীটোৰ শীৰ্ষ বিষয়াৰ লগতে অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিশ্বজিৎ দৈমাৰী, বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, নাৰায়ণ ডেকাসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্যোগটো উদ্বোধন কৰাৰ পিছতে নতুন দেহৰ মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এক মুকলি সভা অনুষ্ঠিত হয়, য'ত আদৰণি ভাষণ প্ৰদান কৰে বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে আন কেইবাটাও বিষয়ত মন্তব্য কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰে ৮০ৰ দশকৰ ফটো বনাই সামাজিক মাধ্যমত আপলোড কৰা প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে ৰাইজক ২০ বছৰ আগলৈও চিন্তা কৰিব লাগে বুলি উল্লেখ কৰে। গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সম্পৰ্কতো পুনৰ মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ একপ্ৰকাৰ গৌৰৱ গগৈক সকীয়নি প্ৰদান কৰি কয় যে নদী শান্ত হৈ থকা মানে ঢল নাহিব বুলি ভাবি নালাগে। যি কৰ্ম কৰিছে, তাৰ ফল পাব বুলিও তেওঁ উল্লেখ কৰে। অসমলৈ বহুত উদ্যোগৰ আগমন হৈছে যদিও মাটিৰ অভাৱৰ কথাও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "আমাক মাটিৰ প্ৰয়োজন। অসমত বহুত উদ্যোগ আহিব খোজে, কিন্তু সেই ধৰণে আমি মাটি নাপাওঁ। গতিকে এতিয়া আমি লেণ্ড বেংক বনাবলৈ চেষ্টা কৰি থাকোঁ। য'তে মাটি থাকিব, তাতেই উদ্যোগবোৰ লৈ যাব পাৰিম।" নিযুক্তি সম্পৰ্কতো তেওঁ মন্তব্য কৰে। তেওঁ কয়, "আমি চেষ্টা কৰি আছোঁ যাতে প্ৰতিশ্ৰুতি অনুসৰি বিজ্ঞাপনবোৰ প্ৰকাশ কৰিব পাৰোঁ। দুটা আৰক্ষী বেটেলিয়ন হ'ব। ১৩-১৪ তাৰিখে আমি আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হম। যাতে পদোন্নতিবোৰ হ'ব পাৰে। যিমানে পদোন্নতি হ'ব, তলৰ পদবোৰ খালী হ'ব। বৰ্তমান ৰ লাখ ৩০ হাজাৰ মই সাজু কৰি ৰাখিছোঁ। কিন্তু আৰু ৬৫ হাজাৰ পদ মোক লাগে। তাৰ বাবে চেষ্টা কৰি আছোঁ। প্ত বছৰত মোৰ লক্ষ্য হ'ল চ লাখৰ আশে-পাশে নিযুক্তি দিয়া।"

## ONGC পাইপলাইনৰ তেল চুৰি

ভেদ কৰে। সেই সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা বহু আপত্তিজনক সামগ্ৰী জব্দ কৰে। পিছদিনা অৰ্থাৎ ৪ আগষ্টত আৰক্ষীৰ বৃহৎ দলে পুনৰ ঘটনাস্থলীত উপস্থিত হৈ পাইপলাইন ফুটা কৰি তেল চুৰি কৰাত ব্যৱহৃত বিভিন্ন সঁজুলি জব্দ কৰে যদিও চুৰি কাৰ্যৰ লগত প্ৰত্যক্ষভাৱে জড়িত কোনো লোকক তেতিয়া কৰায়ত্ত কৰিব পৰা নগৈছিল। ইয়াৰ পিছত ২৯ আগষ্টত ৰজাপুখুৰীত সংঘটিত তেল চুৰি কাণ্ডৰ মূল অভিযুক্তসকল আৰক্ষীৰ জালত পৰে। প্ৰথম অৱস্থাত উৰিয়ামঘাট ৰজাপুখুৰী গাঁৱৰ লক্ষ্মী শ্যাম, ডিব্ৰুগড়ৰ অমিত বৰশইকীয়া আৰু উৰিয়ামঘাট ৰজাপুখুৰীৰ লুকুমণি শ্যাম গোঁহাইক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ উপৰি ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত ধুবুৰীৰ গোপাল বৰ্মনকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। শেষত তদন্ত আগবাঢ়ি যোৱাৰ লগে লগে ONGCৰ খাৰুৱা তেল চুৰিৰ লগত জড়িত থকাৰ অভিযোগত বৃহস্পতিবাৰে সৰুপথাৰ সমজিলাৰ আৰক্ষী অধীক্ষক দ্বীপেন পাটৰক সৰুপথাৰত গ্ৰেপ্তাৰ কৰা হয়। গোলাঘাট জিলা আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## শক্তি খণ্ডৰ উন্নয়ন আৰু

কৰে। ৰাজ্যৰ শক্তি খণ্ডৰ বিকাশ, আধুনিক গৱেষণা আৰু হাইড্ৰ'কাৰ্বনৰ সম্ভাৱনাক কেন্দ্ৰ কৰি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানত বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ শতাধিক শিক্ষাৰ্থীৰ লগতে বহু নতুন-পুৰণি উদ্যোগীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অইল ইণ্ডিয়া লিমিটেড (OIL), নুমলীগড় ৰিফাইনেৰী লিমিটেড (NRL) আৰু অ' এন জি চি (ONGC)ৰ দৰে সংস্থাৰ লগতে শিক্ষাৰ্থী আৰু উদ্যোগীসকলৰ মাজত নতুন চিন্তা তথা উদ্ভাৱন বিনিময় কৰাৰ লক্ষ্যৰে এই মঞ্চ সৃষ্টি কৰা হয়। কাৰ্যসূচীত সেউজ হাইড্ৰ'জেন, ক্লিন এনাৰ্জী আৰু তেল-গেছ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিগত প্ৰয়োগ সম্পৰ্কে গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰা হয়। আই আই টি গুৱাহাটীৰ দৰে প্ৰতিষ্ঠানসমূহক ৰাজ্যৰ ইন্ধন আৰু শক্তি খণ্ডৰ উন্নতিৰ বাবে 'জ্ঞান আৰু প্ৰযুক্তি সংগী' হিচাপে গঢ়ি তোলাৰ আহ্বান জনোৱা হয়। একেদৰে শক্তি খণ্ডত নতুন নতুন ষ্টাৰ্ট-আপ আৰম্ভ কৰিবলৈ উদ্যোগীসকলক উৎসাহিত কৰাৰ লগতে প্ৰয়োজনীয় সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়া হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে আই আই টি গুৱাহাটী কেৱল এক শিক্ষানুষ্ঠান নহয়, ই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আশা-আকাংক্ষাৰ প্ৰতীক। ৰাজ্যৰ বান নিয়ন্ত্ৰণ, স্বাস্থ্যসেৱা, অত্যাধুনিক উদ্যোগ আৰু প্ৰযুক্তিগত উত্তৰণৰ ক্ষেত্ৰত আই আই টি গুৱাহাটীয়ে এক মুখ্য 'জ্ঞান আৰু প্ৰযুক্তি সংগী' হিচাপে আত্মপ্ৰকাশ কৰিবলৈ তেওঁ আহ্বান জনায়। এন আৰ এল (NRL) আৰু আই আই টি গুৱাহাটীৰ এই যৌথ প্ৰচেষ্টাই ৰাজ্যত প্ৰযুক্তিভিত্তিক উদ্ভাৱন আৰু কৰ্মসংস্থান সৃষ্টিৰ পথ প্ৰশস্ত কৰিব বুলিও অনুষ্ঠানত আশা প্ৰকাশ কৰা হয়।

## ১৬০০ কোটি টকাৰ চুক্তিৰে

অত্যাধুনিক সুবিধাযুক্ত মল আৰু ১৬৪টা কোঠাযুক্ত হায়াট ৰিজেন্সী থাকিব। ই গুৱাহাটী মহানগৰীক লৈ পোষণ কৰা সম্ভাৱনাৰ বিপৰীতে চৰকাৰৰ ওপৰত থকা আস্থাৰ এক বৃহৎ চিন।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "এই বিনিয়োগে গ্ৰাহকসকলৰ চাহিদা বৃদ্ধিৰ লগতে গুৱাহাটী মহানগৰীৰ বিকাশৰ প্ৰতিফলন ঘটায়। মই ঔদ্যোগিক সংস্থা, বিনিয়োগকাৰী আৰু বজাৰৰ নেতাসকলক এই বিকাশৰ কাহিনীৰ অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনাইছোঁ।" উল্লেখ্য যে এখন দেশৰ অৰ্থনীতিত ৰিয়েল ইষ্টেট খণ্ডৰ গুৰুত্বপূৰ্ণ অৱদান আছে। ৰিয়েল ইষ্টেটত বিনিয়োগৰ ফলত চাকৰিৰ সৃষ্টি হয়। অসমত বিশেষকৈ গুৱাহাটীত ৰিয়েল ইষ্টেট বজাৰত বাৰ্ষিক বৃদ্ধি ৮-১০ শতাংশ হাৰত হৈছে। ২০৪৫ চনৰ ভিতৰত গুৱাহাটীৰ জনসংখ্যা প্ৰায় ৪০ লাখলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত ৭.৫ লাখ পৰিয়ালৰ গৃহৰ চাহিদা সৃষ্টি হ'ব আৰু ৰিয়েল ইষ্টেটৰ চাহিদা অব্যাহতভাৱে বৃদ্ধি পাই থাকিব। ইয়াৰ পূৰ্বে অসম চৰকাৰৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিলৰ সময়ত তেতিয়াৰ বিত্তমন্ত্ৰী অজন্তা নেওগে ৰিয়েল ইষ্টেট ব্যৱসায়ৰ বিভিন্ন শিতান অন্তৰ্ভুক্ত কৰিছিল। এই পদক্ষেপে ৰাজ্যৰ ৰিয়েল ইষ্টেট খণ্ডত নতুন গতি আনিব বুলি আশা কৰা হৈছে।

## তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ বাতিল

লোৱাৰ পাছত ভাৰতত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সন্মিলনক কেন্দ্ৰ কৰি তাৰিক ৰহমানৰ সম্ভাব্য ভাৰত ভ্ৰমণক লৈ জল্পনা-কল্পনা চলি আছিল। বাংলাদেশৰ তৰফৰ পৰা দাবী কৰা হৈছিল যে সাতখন দেশৰ আঞ্চলিক সহযোগিতা সংস্থা বিমষ্টেকৰ অধ্যক্ষ হিচাপে তাৰিক ৰহমানক ব্ৰিকছ সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰীৰ তৰফৰ পৰাই এই আমন্ত্ৰণ অহা বুলি বাংলাদেশে প্ৰকাশ কৰিছিল। কিন্তু বৃহস্পতিবাৰে ঢাকাই স্পষ্ট কৰি দিয়ে যে প্ৰধানমন্ত্ৰী তাৰিক ৰহমানে এইবাৰ ভাৰত ভ্ৰমণ নকৰে। বৈদেশিক সেৱা একাডেমীত ৰহিংগীয়া সমস্যাক লৈ অনুষ্ঠিত হৈ থকা আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ মাজতে বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হুমায়ুন কবীৰে তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণৰ সন্দৰ্ভত মন্তব্য কৰে। তেওঁ স্পষ্টভাৱে কয় যে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকী এইবাৰ ভাৰতলৈ নাযায়। অৱশ্যে ভৱিষ্যতে পৰিৱেশ অনুকূল হ'লে তাৰিক ৰহমানে ভাৰতলৈ দ্বিপাক্ষিক ভ্ৰমণ কৰিব পাৰে বুলিও তেওঁ ইংগিত দিয়ে। হুমায়ুন কবীৰৰ এই মন্তব্যৰ পাছতে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক লৈ পুনৰ আলোচনা আৰম্ভ হৈছে। বিশেষকৈ ব্ৰিকছৰ দৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চত বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ উপস্থিতিৰ সম্ভাৱনা থকাৰ পাছতো ভাৰত ভ্ৰমণ নকৰাৰ সিদ্ধান্তক কূটনৈতিক মহলে তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচনা কৰিছে।

## ছদিনৰ পিছতো অনুশোচনাহীন

স্বাস্থ্য পৰীক্ষাৰ পাছত সংবাদমাধ্যমৰ আগত ৰামানুজ গোস্বামীয়ে হাতযোৰ কৰি কয়, "মই যি কাম কৰিছোঁ, সেয়া অতি বেয়া কাম কৰিছোঁ। মোক চাই আন কোনোৱে এনে কাম নকৰিব। এইটোৱে মোৰ অনুৰোধ।" মুখত ৰামৰ নাম লোৱাৰ বাবে ৰাইজে গালি পৰা বুলি সাংবাদিকে সোধাত তেওঁ কয়, "মই বেয়া কাম কৰিছোঁ, মানুহে গালি পাৰিবই।" ইপিনে, ৰিয়া তালুকদাৰৰ ৯টা ছিন্ন আঙুলিৰ ভিতৰত দুটা আঙুলি উদ্ধাৰ হৈছে যদিও বাকী সাতটা এতিয়াও উদ্ধাৰ হোৱা নাই। এই সন্দৰ্ভত হাতীগাঁও আৰক্ষীয়ে কোনো মন্তব্য কৰা নাই। আৰক্ষীৰ জিম্মাত জেৰাৰ সময়ত ৰামানুজ গোস্বামীয়ে বহু গুৰুত্বপূৰ্ণ মন্তব্য দিয়া বুলি জানিব পৰা গৈছে। তেওঁ উল্লেখ কৰা পত্নীৰ 'চুগাৰ ডেডী' সম্পৰ্কীয় বিষয়তো আৰক্ষীৰ তদন্তই বহুখিনি অগ্ৰগতি লাভ কৰিছে। এই সন্দৰ্ভতো আৰক্ষীয়ে সোধ-পোচ চলোৱাৰ সম্ভাৱনা আছে।

## ৰকিবুল হুছেইন-তাঞ্জিল হুছেইনৰ

শিঙিমাৰী ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা নগাঁও জিলা কংগ্ৰেছৰ উপ-সভাপতি আব্দুল মালেক আৰু শিঙিমাৰী ব্লক কংগ্ৰেছ তথা নগাঁও জিলা কংগ্ৰেছৰ কোষাধ্যক্ষ ওছমান আলী। জানিব পৰা মতে, দুয়োজন নেতাই চাৰি দশক ধৰি চামগুৰি সমষ্টিত কংগ্ৰেছ দলৰ হৈ অহোপুৰুষাৰ্থ কৰি আহিছিল। তেওঁলোক সাংসদ ৰকিবুল হুছেইনৰ ঘনিষ্ঠ বুলি জনা যায়। কিন্তু সাংসদ ৰকিবুল হুছেইন আৰু তাঞ্জিল হুছেইনৰ বিৰুদ্ধে ক্ষোভ উজাৰিয়েই দুয়োজন জ্যেষ্ঠ নেতাই দলত্যাগ কৰিছে বুলি সূত্ৰই জনাইছে। এই ঘটনাই নগাঁও লোকসভা উপনিৰ্বাচনৰ পূৰ্বে চামগুৰি সমষ্টিত কংগ্ৰেছৰ সাংগঠনিক ভেটিত নেতিবাচক প্ৰভাৱ পেলাব বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে। ইপিনে, দলীয় সূত্ৰই জনোৱা মতে, এই দুজন নেতাৰ পদত্যাগে স্থানীয় কংগ্ৰেছ কৰ্মীসকলৰ মাজত অসন্তোষ সৃষ্টি কৰিছে। উপনিৰ্বাচনত ইয়াৰ প্ৰভাৱ কেনেদৰে পৰে, সেয়া সময়েহে ক'ব।

## ব্ৰিটিছ ভাৰ্চুৱেল বেণ্ড 'গৰিলাজে'ৰ

হিচাপে অহা বছৰৰ ৩১ জানুৱাৰীত গুৱাহাটীত সংগীত পৰিৱেশন কৰিব। গুৱাহাটীৰ উপৰিও বেণ্ডটোৱে ক্ৰমে ২৩ জানুৱাৰীত বেংগালুৰুত আৰু ২৭ জানুৱাৰীত মুম্বাইত অনুষ্ঠান পৰিৱেশন কৰিব। এটা চ'চিয়েল মিডিয়া পোষ্টত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "এই কথা ঘোষণা কৰি আনন্দিত হৈছোঁ যে কিংবদন্তি বেণ্ড গৰিলাজে তেওঁলোকৰ প্ৰথমটো ভাৰত ভ্ৰমণৰ অংশ হিচাপে ২০২৭ চনৰ্ ৰ জানুৱাৰীত গুৱাহাটীত অনুষ্ঠান পৰিৱেশন কৰিব।" তেওঁ লগতে কয়, "এই ঐতিহাসিক ভ্ৰমণৰ আয়োজক চহৰসমূহৰ ভিতৰত গুৱাহাটীও অন্যতম হোৱাটো অতি গৌৰৱৰ বিষয়। আমি বেণ্ডটোক আৰু সমগ্ৰ দেশৰ অনুৰাগীসকলক অসমলৈ আদৰিবলৈ আগ্ৰহেৰে বাট চাই আছোঁ।" উল্লেখ্য, ১৯৯৮ চনত সংগীতজ্ঞ ডেমন আলবাৰ্ণ আৰু শিল্পী জেমি হিউলেটে গৰিলাজ বেণ্ডটো গঠন কৰিছিল। বেণ্ডটোত মূলতঃ চাৰিগৰাকী কাল্পনিক সদস্য আছে-টু-ডি, মাৰ্ডক নিকেলছ, নুডল আৰু ৰাছেল হবছ। ইয়াৰ লগতে অহা ১৭ নৱেম্বৰত আমেৰিকান হাৰ্ড ৰক বেণ্ড 'গানছ এণ্ড ৰোজেছ'য়েও গুৱাহাটীত অনুষ্ঠান পৰিৱেশন কৰাৰ সূচী নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা বছৰৰ ডিচেম্বৰ মাহত গুৱাহাটীত আমেৰিকান ৰেপাৰ প'ষ্ট মালোনেও অনুষ্ঠান পৰিৱেশন কৰিছিল। ৰাজ্য চৰকাৰে গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাটক মূল কেন্দ্ৰ হিচাপে লৈ ২০২৫ চনৰ মে' মাহত 'কনচাৰ্ট টুৰিজম' প্ৰসাৰৰ বাবে এখন নতুন নীতিৰ অনুমোদন জনাইছিল। তদুপৰি, ৰাজ্যখনত বিভিন্ন সংগীতানুষ্ঠান আয়োজন কৰিবলৈ চৰকাৰে টিকট বুকিং প্লেটফৰ্ম 'বুকমাইশ্ব' পৰিচালনা কৰা প্ৰতিষ্ঠান 'বিগট্ৰি এণ্টাৰটেইনমেণ্ট'ৰ লগতো চুক্তিবদ্ধ হৈছে।

## দিল্লীত চংথাম বিক্ৰম সিঙৰ

"তেওঁৰ সংগীত আৰু স্মৃতি অনুৰাগীসকলৰ হৃদয়ত সদায় জীয়াই থাকিব। এই শোকৰ সময়ত মই তেওঁৰ পৰিয়াল আৰু আপোনজনৰ সৈতে থিয় দিছোঁ।" ইয়াৰ পূৰ্বেও তেওঁ শিল্পীজনৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰি ন্যায় প্ৰাপ্তিৰ আশ্বাস দিছিল। সংগীতশিল্পীজনৰ হত্যাকাণ্ডক লৈ ৰাহুল গান্ধীয়ে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ তীব্ৰ সমালোচনা কৰে। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয় যে গৃহ মন্ত্ৰী অমিত শ্বাহৰ মন্ত্ৰালয়ে বৰ্ধিত অপৰাধজনিত ঘটনা হ্ৰাস কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, "এনে বহু ঘটনাৰ পিছত দিল্লীত বাস কৰা উত্তৰ-পূৰ্বৰ প্ৰতিটো পৰিয়ালে আজি একেই প্ৰশ্ন সুধিছে-আমি ইয়াত নিৰাপদ নে? বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ বিৰুদ্ধে বাঢ়ি যোৱা অপৰাধ ৰোধ কৰিবলৈ গৃহ মন্ত্ৰালয় আৰু দিল্লী আৰক্ষীয়ে কি কৰিছে?" তেওঁ এই ঘটনাৰ তদন্তৰ দাবীও জনায়। আৰক্ষী সূত্ৰ অনুসৰি, যোৱা দেওবাৰে নিজৰ কিলোকাৰীস্থ এপাৰ্টমেণ্টৰ বাহিৰত ডেলিভাৰী কৰ্মী আৰু ধাবাৰ কৰ্মচাৰীৰ চিঞৰ-বাখৰ তথা সুৰাপানক লৈ আপত্তি কৰাৰ ফলত সংগীতশিল্পীগৰাকীক একাংশ লোকে আক্ৰমণ কৰিছিল। শিল্পীজনৰ পত্নীয়ে জনোৱা মতে, নিশা প্ৰায় ১১ঃ৩০ বজাত তেওঁ এপাৰ্টমেণ্টৰ তললৈ নামি অহাৰ সময়ত প্ৰায় আঠজন লোকে তেওঁক খেদি খেদি আক্ৰমণ কৰে। আক্ৰমণকাৰীসকল পলাই যোৱাৰ পিছত পৰিয়ালৰ লোকে তেওঁক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু সোমবাৰে পুৱতি নিশা চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়। দিল্লী আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰু এগৰাকী নাবালককে ধৰি মুঠ সাতজন লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনা সম্পৰ্কে অধিক তথ্য সংগ্ৰহ কৰি তদন্ত অব্যাহত থকা বুলি আৰক্ষীয়ে জানিছে। ইপিনে, দেশৰ অন্যান্য প্ৰান্তত থকা উত্তৰ-পূৰ্বৰ লোকসকলৰ নিৰাপত্তা আৰু সুৰক্ষা সন্দৰ্ভতো গৃহ মন্ত্ৰালয়ে সতৰ্কতা অৱলম্বন কৰিছে।

## বিজেপিক উৎখাত কৰাটোৱেই মূল

তেওঁৰ দলৰ মূল লক্ষ্য। কিন্তু কংগ্ৰেছৰ সৈতে আগন্তুক দিনত মিত্ৰতা থাকিব নে নাই, সেই সন্দৰ্ভত দলৰ ভিতৰত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। গগৈয়ে কয় যে বিজেপিয়ে অসমৰ সমাজ আৰু জাতীয় জীৱনৰ ক্ষতি কৰিছে। সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে জনগণক সজাগ-সচেতন কৰাটো বিৰোধী শক্তিসমূহৰ মৌলিক দায়িত্ব। বিগত নিৰ্বাচনত বিৰোধী শক্তিসমূহে সাধাৰণ মানুহক এই বিশ্বাস দিব নোৱাৰাৰ বাবেই বিজেপিক বাধা দিব পৰা নগ'ল বুলিও তেওঁ মন্তব্য কৰে। মূল্যবৃদ্ধি, বান পৰিস্থিতি, কাজিৰঙাৰ ইক' ছেন্সিটিভ জ'ন হ্ৰাস, বাট-পথৰ দুৰৱস্থা আৰু গুৱাহাটীৰ কৃত্ৰিম বানপানীকে ধৰি বিভিন্ন বিষয়ত চৰকাৰৰ বিৰুদ্ধে বিৰোধীয়ে শক্তিশালীভাৱে মাত মাতিব লাগিব বুলি গগৈয়ে কয়। সোণাপুৰত পথৰ গাঁতৰ বাবে সংঘটিত দুৰ্ঘটনাত ছয়গৰাকী লোকৰ মৃত্যু হোৱা ঘটনাৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সন্দৰ্ভত গগৈয়ে কয় যে তেওঁ তিনিবাৰ নিৰ্বাচনত পৰাজিত হ'লেও জনগণৰ হৈ যুঁজি আছে আৰু আগলৈও যুঁজি থাকিব। বিধায়ক হ'ব নোৱাৰিলেও জনগণৰ স্বাৰ্থ সুৰক্ষিত কৰিব পাৰিলে তেওঁ সন্তুষ্ট বুলি মন্তব্য কৰি গণতন্ত্ৰত মুক্ত কণ্ঠ আৰু স্বাধীন চিন্তাৰ অধিকাৰ সুৰক্ষিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বিদেশী নাগৰিকৰ প্ৰসংগত গগৈয়ে কয় যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অসমলৈ অহা বিদেশীসকলক বিতাড়ন কৰিব লাগিব বুলি অসম জাতীয় পৰিষদৰ স্থিতি স্পষ্ট। একে সময়তে অসমৰ খিলঞ্জীয়া লোক, থলুৱা মুছলমান, থলুৱা শিখ, বিভিন্ন জাতি-জনগোষ্ঠী তথা অসমত বসবাস কৰা বাংলাভাষী আৰু হিন্দীভাষী লোকসকলকো জাতি গঠন প্ৰক্ৰিয়াৰ সৈতে সম্পৃক্ত কৰাৰ পোষকতা কৰে তেওঁ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবেও অসম জাতীয় পৰিষদে সময়সীমা নিৰ্ধাৰণ কৰি কাম কৰি থকা বুলি গগৈয়ে জানিবলৈ দিয়ে। ছেপ্তেম্বৰ মাহৰ ভিতৰত তিনিখন জিলা সমিতি পুনৰুজ্জীৱিত কৰাৰ লগতে ডিচেম্বৰৰ ভিতৰত সমষ্টি পৰ্যায়ৰ সংগঠন সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২৭ চনৰ ভিতৰত বুথ পৰ্যায়লৈকে মূল সংগঠনৰ লগতে ভাতৃ-ভগ্নী সংগঠনসমূহো শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ কয়। কংগ্ৰেছৰ সৈতে থাকিব নে নাই বুলি পুনৰ সোধাত গগৈয়ে কয় যে বিজেপিক উৎখাত কৰাটোৱেই মূল লক্ষ্য যদিও এই মুহূৰ্তত তেওঁ নিজে কোনো চূড়ান্ত ঘোষণা কৰিব নোৱাৰে। নগাঁও লোকসভা নিৰ্বাচনক লৈ দলৰ পৰ্যবেক্ষকসকলৰ সৈতে আলোচনা চলি আছে আৰু পৰৱৰ্তী সময়ত ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত ৰণকৌশল সম্পৰ্কে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। গগৈয়ে লগতে কয় যে বিজেপিয়ে কেৱল সংখ্যালঘুৰ বিৰুদ্ধে নহয়, সাধাৰণ জনগণ, জনজাতি আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বাৰ্থৰ বিৰুদ্ধেও কাম কৰিছে বুলি তেওঁ অনুভৱ কৰে। ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী আৰু জনজাতীয় লোকৰ ভূমি অধিগ্ৰহণৰ প্ৰসংগ উত্থাপন কৰি তেওঁ বিজেপিৰ নীতিৰ সমালোচনা কৰে। সংখ্যালঘু লোক বিজেপিৰ নে কংগ্ৰেছৰ-সেই হিচাপত বিষয়টোক নাচাই তেওঁলোকক সাধাৰণ নাগৰিক হিচাপে চাব লাগিব বুলিও গগৈয়ে কয়। তেওঁৰ মতে, সাধাৰণ মানুহ দিনক দিনে আৰ্থিকভাৱে দুৰ্বল হৈ গৈ আছে, আনহাতে সমাজৰ এটা শ্ৰেণীয়ে সম্পদ আৰু ব্যৱসায়িক সুবিধা লাভ কৰিছে। সাধাৰণ জনগণে এই বাস্তৱতা উপলব্ধি কৰি ৰাজনৈতিকভাৱে আগবাঢ়ি নাহিলে বিজেপিক উৎখাত কৰা সম্ভৱ নহ'ব বুলিও তেওঁ মন্তব্য কৰে।" গণতন্ত্ৰত ৰাইজেই ৰজা" বুলি উল্লেখ কৰি গগৈয়ে কয় যে কেৱল ৰাজনৈতিক দলসমূহে নহয়, সাধাৰণ জনগণেই ভোটৰ জৰিয়তে চৰকাৰ সলনি কৰিব পাৰে। বিৰোধী শক্তিসমূহৰ কাম হৈছে জনগণৰ মাজত সজাগতা আৰু সচেতনতা সৃষ্টি কৰি তেওঁলোকৰ হৈ সন্মুখত থাকি যুঁজ দিয়া।

## জলসিঞ্চনৰ পৰিসৰ বৃদ্ধি আৰু

কনভেনচন চেণ্টাৰত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ কৃষি তথা জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰীকাৰ পৌৰোহিত্যত অনুষ্ঠিত এই বৈঠকত বিভাগীয় জ্যেষ্ঠ বিষয়াসকলৰ উপৰিও জলসিঞ্চন বিভাগৰ ঠিকাদাৰসকলে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। বৈঠকত ভাষণ দি মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে ৰাজ্যৰ ৭০ শতাংশ লোকে কৃষিৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পিছতো বৰ্তমান মাত্ৰ চৰ শতাংশ কৃষিভূমিহে জলসিঞ্চনৰ আওতালৈ আহিছে। কৃষকৰ পথাৰলৈ পানী যোগান ধৰাটো বিভাগৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য বুলি উল্লেখ কৰি তেওঁ কয় যে অহা ৫ বছৰত জলসিঞ্চন বিভাগত ৬, ০০০ কোটি টকা ব্যয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পৰিমাণ বিগত ৫ বছৰৰ ১, ৪০০ কোটি টকাৰ বাজেটতকৈ বহু পৰিমাণে অধিক। তেওঁ লগতে জনায় যে বাহ্যিকভাৱে সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ এক প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আঁচনিৰ মেৰামতি আৰু সংৰক্ষণৰ বাবে অহা বছৰৰ পৰা জিলা কাৰ্যালয়সমূহলৈ অগ্ৰীম পুঁজি প্ৰদান কৰা হ'ব। আঁচনি সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰি মন্ত্ৰী হাজৰীকাই ঠিকাদাৰসকলক সকীয়াই দিয়ে যে জলসিঞ্চন বিভাগে কেৱল ঠিকাদাৰক কাম বিতৰণ কৰাৰ বাবে নহয়, কৃষকৰ স্বাৰ্থত আঁচনি ৰূপায়ণ কৰাৰ বাবেহে কাম কৰি আছে। কাম সময়মতে সম্পূৰ্ণ কৰিব নোৱাৰিলে কাম নল'বলৈ তেওঁ ঠিকাদাৰসকলক স্পষ্ট কৰি দিয়ে। একেদৰে কামৰ গুণগত মানত কোনো ধৰণৰ আপোচ কৰা নহ'ব আৰু ঠিকাদাৰৰ বিল পৰিশোধত যাতে কোনো বিলম্ব নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ তেওঁ বিষয়া-অভিযন্তাসকলক নিৰ্দেশ দিয়ে। কাৰ্যস্থলী পৰিদৰ্শন নকৰাকৈ আঁচনি সম্পূৰ্ণ হোৱাৰ প্ৰমাণপত্ৰ নিদিবলৈ আৰু প্ৰকল্পৰ ব্যয় সংকুচিত কৰিবলৈ লিফ্‌ট ইৰিগেশ্যন ব্যৱস্থাত 'ইণ্টেক পইণ্ট' কমাই 'ডিষ্ট্ৰিবিউশ্যন পইণ্ট' বৃদ্ধি কৰিবলৈ তেওঁ অভিযন্তাসকলক আহ্বান জনায়। কৃষি কেৱল দৰিদ্ৰ লোকৰ জীৱিকা নহয়, বৰং উদ্যান শস্য আৰু বাণিজ্যিক খেতিৰ জৰিয়তে কৃষকসকলক অৰ্থনৈতিকভাৱে সমৃদ্ধ কৰাৰ চৰকাৰৰ লক্ষ্যত জলসিঞ্চন বিভাগে মুখ্য ভূমিকা ল'ব লাগিব বুলি মন্ত্ৰী হাজৰীকাই স্পষ্ট কৰি দিয়ে। প্ৰয়োজন সাপেক্ষে নিৰ্দিষ্ট জিলাৰ ভৌগোলিক পৰিসীমাৰ বাহিৰলৈ গৈ হলেও যোগ্য কৃষিভূমি জলসিঞ্চনৰ আওতালৈ আনিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

## গুৱাহাটীত প্ৰথমবাৰৰ বাবে

পঞ্জীয়ন কৰিব পাৰিব। মাৰাথনৰ পথ ঐতিহাসিক জৰ্জ খেলপথাৰৰ পৰা আৰম্ভ হ'ব। ই জৰ্জ খেলপথাৰৰ পৰা কুমাৰ ভাস্কৰ বাৰ্মা সেতু আৰু আই আই টি গুৱাহাটী হৈ গুৱাহাটী বিশ্ববিদ্যালয় দিশে আগবাঢ়িব। তাৰ পিছত একেটা পথেৰে উভতি আহি জৰ্জ খেলপথাৰতে মাৰাথনৰ সামৰণি পৰিব। প্ৰতিযোগিতা পুৰুষ আৰু মহিলা দুয়োটা শাখাতেই অনুষ্ঠিত হ'ব। PMG Sports LLP-ৰ উদ্যোগত আয়োজিত এই মাৰাথনক অসম পৰ্যটন উন্নয়ন নিগমে সহযোগিতা আগবঢ়াইছে। মুকলি অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, "কিছুদিন পূৰ্বে সুনীল গাভাস্কাৰে মোক আন্তঃৰাষ্ট্ৰীয় মাৰাথন আয়োজনৰ প্ৰস্তাৱ দিছিল। এই মাৰাথন ৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। ইয়াত আন্তঃৰাষ্ট্ৰীয় লগতে ৰাষ্ট্ৰীয় তাৰকাসকলে অংশগ্ৰহণ কৰিব। এই মাৰাথনে অসমৰ পৰ্যটনক বিশেষভাৱে আকৰ্ষণ কৰিব। কাইলৈৰ পৰা পঞ্জীয়ন আৰম্ভ হ'ব।" তেওঁ লগতে কয় যে অহা অক্টোবৰৰ পৰা গুৱাহাটী সাংস্কৃতিক আৰু সংগীত অনুষ্ঠানৰ কেন্দ্ৰবিন্দু হৈ পৰিব। গানছ এণ্ড ৰোজেছ, গৰিলাজ, লাকী আলী, শ্ৰেয়া ঘোষাল আৰু সুনিধী চৌহানৰ দৰে শিল্পী চহৰখনলৈ আহিব। ইয়াৰ জৰিয়তে এক প্ৰকাৰৰ সাংস্কৃতিক পৰ্যটন (Cultural Tourism) আৰম্ভ হ'ব। আন্তঃৰাষ্ট্ৰীয় মাৰাথন আয়োজন কৰিব পৰাটো অসমৰ বাবে সৌভাগ্যৰ বিষয় বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নিজেই গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় মাৰাথনৰ প্ৰথমগৰাকী প্ৰতিযোগী হিচাপে পঞ্জীয়ন কৰে। এই মাৰাথনে গুৱাহাটীৰ ব্ৰেণ্ড মূল্য বৃদ্ধি কৰাৰ লগতে ৰাজ্যলৈ পৰ্যটকৰ আগমন বঢ়াব বুলি আশা প্ৰকাশ কৰা হৈছে।

## ১২-১৩ ছেপ্টেম্বৰত নতুন দিল্লীত

বিশেষকৈ ২০২০ চনৰ পূব লাডাখৰ সীমান্ত বিবাদৰ পাছত দুয়োখন দেশৰ সম্পৰ্ক স্বাভাৱিক কৰাৰ প্ৰচেষ্টা চলি থকাৰ সময়তে এই ভ্ৰমণ যথেষ্ট তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। ২০১৯ চনত তামিলনাডুৰ মহাবলিপুৰমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে অনানুষ্ঠানিক সন্মিলনত মিলিত হোৱাৰ পাছত এইবাৰেই প্ৰথমবাৰৰ বাবে ভাৰতলৈ আহিব ঝি জিনপিং। ইয়াৰ পূৰ্বে ২০১৬ চনত গোৱাত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰিবলৈ তেওঁ ভাৰতলৈ আহিছিল। ২০১৪ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰিছিল। শ্বিৰ আগন্তুক ভাৰত ভ্ৰমণৰ পূৰ্বে ভাৰত আৰু চীনৰ মাজত সীমান্ত সমস্যাক লৈ কূটনৈতিক আলোচনা অব্যাহত আছে। যোৱা মাহত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়ীয়ে বেইজিঙত সীমান্ত সমস্যা, সীমান্তত শান্তি বজাই ৰখা আৰু দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ বিভিন্ন দিশত আলোচনা কৰিছিল। ২৫ আগষ্টত বেইজিঙত অনুষ্ঠিত বিশেষ প্ৰতিনিধি পৰ্যায়ৰ চপ্তসংখ্যক আলোচনাত দুয়োপক্ষই সীমা নিষ্পত্তি আৰু সীমান্ত ব্যৱস্থাপনাৰ আলোচনা আগুৱাই নিয়াৰ ক্ষেত্ৰত কেইবাটাও বিষয়ত সহমতত উপনীত হৈছিল। এই পৰিপ্ৰেক্ষিতত ব্ৰিকছ সন্মিলনৰ সময়ত মোদী—ঝি বৈঠক অনুষ্ঠিত হ'লে ভাৰত—চীন সম্পৰ্কৰ ভৱিষ্যৎ দিশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব পাৰে। ভাৰতৰ অধ্যক্ষতাত এইবাৰ নতুন দিল্লীত ১৮সংখ্যক ব্ৰিকছ সন্মিলন অনুষ্ঠিত হ'ব। ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাক লৈ আৰম্ভ হোৱা ব্ৰিকছৰ পৰিসৰ পৰৱৰ্তী সময়ত বৃদ্ধি পাইছে। ২০২৪ চনত ইজিপ্ত, ইথিওপিয়া, ইৰাণ, সংযুক্ত আৰব আমিৰশ্বাহী আৰু চৌদি আৰব সংগঠনটোৰ সৈতে যুক্ত হয়। ২০২৫ চনত ইণ্ডোনেছিয়াই সদস্য হিচাপে যোগদান কৰে। ভাৰতৰ ব্ৰিকছ অধ্যক্ষতাৰ মূল বিষয়বস্তু হৈছে 'স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ'। সন্মিলনত বাণিজ্য, বিনিয়োগ, বিজ্ঞান আৰু প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাকে ধৰি বিভিন্ন বিষয়ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ অংশগ্ৰহণে এইবাৰৰ ব্ৰিকছ সন্মিলনৰ কূটনৈতিক গুৰুত্ব বৃদ্ধি কৰিছে। বিশেষকৈ সাত বছৰৰ মূৰত তেওঁৰ ভাৰত ভ্ৰমণ আৰু সম্ভাব্য মোদী—শ্বি বৈঠনৰ ফলাফলৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় মহলৰ দৃষ্টি থাকিব।

# ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী; কলকাতাত তিনিদিনীয়া বিশাল উদ্‌যাপনৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য অমৰ গায়ক-গীতিকাৰ ভূপেন হাজৰিকাৰ ১০০তম জন্ম বাৰ্ষিকী উপলক্ষে কলকাতা অসমীয়া সাংস্কৃতিক সংস্থা আৰু অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ যুটীয়াভাৱে ৫, ৬ আৰু ৮ ছেপ্টেম্বৰত তিনিদিনীয়া বিশেষ অনুষ্ঠানৰ সফলতাৰে আয়োজন কৰা হয়। অনুষ্ঠানটো ৫ ছেপ্টেম্বৰত মুকুন্দপুৰৰ থিয়েটাৰত ববিতা শৰ্মাৰ দ্বাৰা পৰিচালিত তথ্যচিত্ৰ "ভূপেন দা আনকাট"ৰ প্ৰদৰ্শনেৰে আৰম্ভ হৈছিল, য'ত লণ্ডনত ৰেকৰ্ড কৰা গীতিকাৰৰ অকপট সংলাপ অন্তৰ্ভুক্ত আছিল। প্ৰখ্যাত সংগীত সুৰকাৰ বিক্ৰম ঘোষ, অভিনেত্ৰী জয়া ছীল আৰু লেখিকা নৱমালতী নেওগে এই প্ৰদৰ্শনৰ উদ্বোধন কৰিছিল। পৰিচালক আৰু প্ৰযোজক চিন্ময় শৰ্মাও উপস্থিত আছিল। ৬ ছেপ্টেম্বৰত ছল্টলেকৰ অসম ভৱনত অনুষ্ঠিত সাংস্কৃতিক অধিৱেশনটো যুটীয়াভাৱে উদ্বোধন কৰে পশ্চিম বংগ চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ শাৰদ্বাত মুখাৰ্জী, অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ডাঃ বি কল্যাণ চক্ৰৱৰ্তী, তথ্য সঞ্চালক অৰনীত পুনিয়া, অসম সাংস্কৃতিক সঞ্চালকালয় ৰাহুল চন্দ্ৰ দাস, অসম ভৱনৰ যুটীয়া আৱাসিক আয়ুক্ত ৰণদীপ ডাম আৰু কলিকতা অসমীয়া সাংস্কৃতিক সংস্থাৰ সভাপতি ড. খনিন্দ্ৰ পাঠকে যুটীয়াভাৱে উদ্বোধন কৰে। অতিথি বক্তা শ্বেইখ মকবুল ইছলামে ভূপেন হাজৰিকাৰ সৃষ্টিশীলতা আৰু ব্যক্তিত্বৰ ওপৰত তেওঁৰ মতামত ব্যক্ত কৰে। উপস্থাপনত মনা বেনাৰ্জীৰ নেতৃত্বত প্ৰেয়াশ গোটে ভূপেনৰ সুৰ, কিশোৰী কানুশী বৰুৱাই অসমীয়া, হিন্দী আৰু বঙালী ভাষাত পৰিৱেশন কৰে। ভূপেন হাজৰিকাৰ সহকৰ্মী কলকাতাৰ মধুন ধৰে তেওঁৰ অভিজ্ঞতা আৰু স্মৃতিৰে গীত গাইছিল। ঐশানী দত্ত ৰায়ে ভূপেন্দ্ৰ সংগীতত কথক নৃত্য পৰিৱেশন কৰাৰ বিপৰীতে উৰ্মিমালা সেনগুপ্ত আৰু প্ৰসন্ন ছায়াৰ ফিউজন নৃত্যই বংগ-অসমৰ ঐক্য প্ৰদৰ্শন কৰে। অনুষ্ঠানত কলিকতা অসমীয়া সাংস্কৃতিক সংস্থাৰ সদস্যসকলে নৃত্য-গীত-নাটকৰ জৰিয়তে হাজৰিকাৰ কবিতা আৰু সাহিত্য ৰচনা মঞ্চস্থ কৰে। ৰাষ্ট্ৰীয় বঁটা বিজয়ী গায়ক-গীতিকাৰ তৰালী শৰ্মাৰ সমৰ্পিত পৰিৱেশনেৰে সাংস্কৃতিক সন্ধ্যাৰ সামৰণি মাৰে। এই উপলক্ষে কলিকতা অসমীয়া সাংস্কৃতিক সংস্থাৰ ত্ৰিভাষিক বাৰ্ষিক আলোচনী 'সৃষ্টি'ৰ ১৫তম সংস্কৰণৰ ১৫তম সংখ্যাৰ দ্বিতীয় সংস্কৰণ ড° শাৰদাৱত্ত মুখাৰ্জীয়ে প্ৰকাশ কৰে। এই সংখ্যাটো সম্পাদনা কৰিছে ড° জ্যোতিষ পায়েঙে। ৮ ছেপ্টেম্বৰত তালিগুঞ্জৰ ভূপেন হাজৰিকাৰ বাসগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত উপস্থিত থকা সমাজৰ লগতে তালিগুঞ্জৰ বিধায়ক পাপিয়া অধিকাৰী আৰু শিক্ষাবিদ তথা সমাজকৰ্মী ড° শৈকতবীয়ে ১০০টা মাটিৰ চাকি জ্বলাই শতবাৰ্ষিকী উদযাপন কৰে। মিনাংক ডেকাৰ নেতৃত্বত টিম নিৰ্বাকে মাইম পৰিৱেশন কৰে আৰু তাত সমবেত সাধাৰণ ৰাইজে ভূপেন হাজৰিকাৰ অমৰ গীত গাই কবি-গীতিকাৰগৰাকীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰু বংগৰ মাজত সাংস্কৃতিক সেতু নিৰ্মাণৰ ক্ষেত্ৰত ভূপেন হাজৰিকাৰ অৱদান আৰু মানৱতা, বিশ্ব ভাতৃত্ববোধৰ বাৰ্তা স্মৰণ কৰাৰ বাবে কলকাতাত অনুষ্ঠিত এই অনুষ্ঠানটো এক অৰ্থপূৰ্ণ প্ৰচেষ্টা আছিল।

# ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সুধাকণ্ঠৰ ১০১ সংখ্যক জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে ডুমডুমাৰ ৰূপাই চাইডিঙত অৱস্থিত ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো ৮ ছেপ্টেম্বৰ তাৰিখে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ ১০১ সংখ্যক জন্মদিন উদযাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলুএ সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে আৰু বিদ্যালয়খনৰ সহকাৰী শিক্ষক অভিজিৎ খাটনিয়াৰে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত এখন ফুলাম গামোচা পিন্ধাই শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পাছতেই শিক্ষক অভিজিৎ খাটনিয়াৰে সুধাকণ্ঠৰ জীৱন আৰু কৰ্মৰ বিভিন্ন দিশ সামৰি শিক্ষাৰ্থীসকল উপকৃত হোৱাকৈ এটি দীঘলীয়া বক্তৃতা প্ৰদান কৰে। তেওঁ বক্তৃতাত আমেৰিকাত গৈ লাভ কৰা আফ্ৰিকান-আমেৰিকান কিংবদন্তি শিল্পী প'ল ৰ'বছনৰ সান্নিধ্যই কিদৰে ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিক পৰৱৰ্তী সময়ত প্ৰভাৱিত কৰিছিল তাৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তেওঁ লগতে ৰ'বছনৰ দুটা বিখ্যাত গীত- 'অল্ডমেন ৰিভাৰ' আৰু 'উই আৰ ইন দ্যা ছেইম ব'ট ব্ৰাডাৰ' কিদৰে ভূপেন হাজৰিকাই অসমীয়ালৈ ভাঙনি কৰিছিল সেই কথা উল্লেখ কৰি খাটনিয়াৰে কয় যে ভূপেন হাজৰিকাই এই দুটি গীতৰ কেৱল ভাষাই তৰ্জমা কৰা নাছিল, তেওঁ এই গীত দুটিৰ জৰিয়তে মানুহৰ অভিজ্ঞতাক মিছিছিপিৰ পৰা বুঢ়া লুইতলৈ বোৱাই আনিছিল। ভাষণৰ মাজে মাজে এই কেউটা গীত মাইকযোগে শিক্ষাৰ্থীসকলক শুনোৱা হয়। বিদ্যালয়খনৰ অসমীয়া বিষয়ৰ শিক্ষয়িত্ৰী ৰিতুমণি দত্ত শইকীয়াই সুধাকণ্ঠৰ 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক....' শীৰ্ষক কবিতাটো আবৃত্তি কৰে। নৱম শ্ৰেণীৰ ছাত্ৰী অন্বেষা কাকতিয়ে সুধাকণ্ঠৰ এটি গীত পৰিৱেশন কৰা উপৰিও শিক্ষাৰ্থীসকলে বাৰ্বী শইকীয়া আৰু অন্বেষা কাকতিৰ নেতৃত্বত সমবেত কণ্ঠত সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে....' গীতটি পৰিৱেশন কৰে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট কুংফু ফেডাৰেশ্বন কাপ ২০২৬ত বিহালীৰ বৰগাং স্পৰ্টছ একাডেমীৰ সাফল্য

## ৪টা সোণৰ আৰু ২টা ব্ৰঞ্জৰ পদক অৰ্জন

**অসম বাৰ্তা, জিনজিয়া, ৯ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ পল্টন বজাৰস্থিত গোৰ্খা ভৱনত অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট কুংফু ফেডাৰেশ্বন কাপ ২০২৬ত উজ্জ্বলিল বিহালীৰ বৰগাং স্পৰ্টছ একাডেমীৰ খেলুৱৈ। কুংফু স্পৰ্টছ এছচিয়েচন অৱ আসামৰ উদ্যোগত আৰু নৰ্থ-ইষ্ট কুংফু স্পৰ্টছ ফেডাৰেশ্বনৰ সহযোগত যোৱা ৫ আৰু ৬ ছেপ্টেম্বৰত দুদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত বৰগাং স্পৰ্টছ একাডেমীৰ পৰা অংশগ্ৰহণ কৰি গায়ত্ৰী মাঝী, বিশিষ্টা শৰ্মা, প্ৰেৰণা শৰ্মা, আৰু বৃষ্টি বন্যা চাহুৱে সোণৰ পদক লাভ কৰাৰ সমান্তৰালকৈ জিষ্ণু দাস আৰু ভব্য শইকীয়াই ব্ৰঞ্জৰ পদক লাভ কৰি একোখন যোগ্যতাৰ প্ৰমাণপত্ৰ আৰু মেডেলেৰে সন্মানিত হয়। দলটোক প্ৰশিক্ষণ প্ৰদান কৰিছিল অন্যতম সুদক্ষ প্ৰশিক্ষক (ব্লেকবেল্ট) হিচাপে পৰিচিত অৰূপ প্ৰজাই। উল্লেখ্য যে, এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ পৰা ছাব-জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ প্ৰায় ২ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।

# ডিব্ৰুগড়ৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত ড° ভূপেন হাজৰিকা জন্ম শত-বাৰ্ষিকী উদযাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত ভাৰত ৰত্ন ড: ভূপেন হাজৰিকা জন্ম শত-বাৰ্ষিকী বিশেষভাৱে উদ্‌যাপন কৰা হয়। কাৰ্যালয়ৰ মুখ্য সহায়ক নুৰুল ইছলামে আঁতধৰা অনুষ্ঠানত সদৰৰ স্বাস্থ্য বিষয়া ডাঃ স্মৃতি গোহাঁইয়ে ড° হাজৰিকাৰ প্ৰতিচ্ছবি সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে চিকিৎসা বিষয়া ডাঃ ডিম্পী বৰঠাকুৰে পুষ্পমাল্য অৰ্পণ কৰে। চিকিৎসা বিষয়াদ্বয়ে ড° ভূপেন হাজৰিকাৰ জীৱনজোৰা সাধনাৰ বিষয়ে চমুকৈ উপস্থিত কৰ্মচাৰীৰ আগত দাঙি ধৰি সকলোকে সুধাকণ্ঠ ভূপেন দাৰ আৰ্দশৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে কাৰ্যালয়ৰ কৰ্মচাৰী নৱ সোণোৱাল, কনক বৰ্মন, কবিতা ফুকন, নিবেদিতা কলিতা, নিলাক্ষী গগৈ, দিব্য সোণোৱাল, অভিজিত দেৱনাথ, ক্ষিৰোদ বুঢ়াগোহাঁই, চেমিম, অজিত শৰণীয়া, বিজুমনি ভট্ট, প্ৰনতি বৰশইকীয়া, মনিশা কলিতা, মৈত্ৰেয়ী ফুকন, দেৱৰাজ দাস, বিষ্ণু চেত্ৰী, ৰাজুদ্দিন আহমেদ, নিপু চেতিয়াৰ লগতে সমূহ কৰ্মচাৰীয়ে ড° হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিৱেদন কৰে। সমজুৱাৰ ভাষণত বিশিষ্ট লেখক, সুবক্তা বিভাস দুৱৰাই ড: ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ বিষয়ে এক সুন্দৰ বিশ্লেষণ দাঙি ধৰি ভূপেন-জুবিনৰ আৰ্দশৰে অনুপ্ৰাণিত হৈ তেওঁবিলাকৰ সৃষ্টিশীল কৰ্মৰাজিক সদায়েই স্মৰণ কৰি আগুৱাই যাবলৈও পৰামৰ্শ প্ৰদান কৰে। সেই কৰ্মৰাজি বিলাক ভৱিষ্যতৰ প্ৰজন্মই যাতে সুন্দৰভাৱে অনুধাৱন কৰিব পাৰে তাৰ বাবেও যথাযথ ব্যৱস্থা কৰিবলৈ ভাষণত ব্যক্ত কৰে। সভাৰ শেষত সকলো কৰ্মচাৰীয়ে ভূপেনদাৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" সমস্বৰে পৰিৱেশন কৰি অনুষ্ঠানটি সামৰণি মাৰে।

# ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া নাম ফাকেবৌদ্ধ বিহাৰত প্ৰয়াত সাংবাদিক বুলন কুমাৰ শইকীয়াৰ ৰচনা সমগ্ৰ উন্মোচন

## □ ২০ হাজাৰ টকাত বিক্ৰী প্ৰথমটো কপি □



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ বিশিষ্ট সাংবাদিক, সমালোচক, ঔপন্যাসিক, কবি, গল্পকাৰ, ব্যংগলেখক, ৰাজনৈতিক বিশ্লেষক, উদ্যোগী প্ৰয়াত "বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাস"ৰ উদ্যোগত "অপ্ৰতিৰোধ্য বুলন কুমাৰ শইকীয়াঃ সৃষ্টি, আদৰ্শ আৰু কম" শীৰ্ষক ১,৩০০ পৃষ্ঠাৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ নাহৰকটীয়াৰ নামফাকে বৌদ্ধ বিহাৰৰ প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উন্মোচন কৰা হয়। বিশিষ্ট সাংবাদিক তথা 'মাহেকীয়া সোণোৱাল বাৰ্তা'ৰ সম্পাদক ৰতন হাজৰিকাৰ সম্পাদনাত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থখনে বুলন কুমাৰ শইকীয়াৰ বহুলচৰ্চিত উপন্যাস 'আৰাকান ইণ্টেল'সহ দুখন কাব্য সংকলন, দুখন আত্মজীৱনী মূলক উপন্যাস (এখন অপ্ৰকাশিত), এখন ৰন্ধন সম্পৰ্কীয়, এখন নিবন্ধ সংকলন আৰু এখন অনুদিত গ্ৰন্থসহ মুঠ ৯খন গ্ৰন্থ সামৰি লৈছে। তদুপৰি 'বাটৰ কচু পুৰাণ' শীৰ্ষক ব্যংগ সংকলন আৰু লেখক গৰাকীৰ কেতবোৰ গ্ৰন্থৰ সমালোচনা আৰু তেওঁৰ সান্নিধ্য লাভ কৰা বিশিষ্ট ব্যক্তি সকলৰ লেখা, সামাজিক মাধ্যমত প্ৰচাৰিত এশটা প'ষ্ট গ্ৰন্থখনিত সন্নিৱিষ্ট হৈছে। এই উপলক্ষে 'বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাস'ৰ উদ্যোগত আয়োজিত উন্মোচন অনুষ্ঠানৰ পূৰ্বে দুটিকৈ গছপুলি ৰোপণ কৰাৰ লগতে বুলন কুমাৰ শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। বুলন কুমাৰ শইকীয়া স্মাৰক ন্যাসৰ সভাপতি তথা নাহৰকটীয়া পৌৰসভাৰ উপ পৌৰপতি অমূল্য চেংলাৰীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত শংখধ্বনি, বৌদ্ধস্তোত্ৰৰে গ্ৰন্থখন উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, নাট্যকাৰ ড° জ্যোতিপ্ৰসাদ শইকীয়াই ভাষণ প্ৰসংগত উল্লেখ কৰে যে বুলন কুমাৰ শইকীয়াৰ লিখনি সমূহত মানৱদৰদী আৰু সংবেদনশীল কণ্ঠ বিচাৰি পোৱাৰ লগতে সৎ সাহসী আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা যায়। বিশেষকৈ গ্ৰন্থখনত সন্নিৱিষ্ট হোৱা চাৰিটা গল্প বিশ্বৰ জনপ্ৰিয় গল্পকাৰ ৰাস্কিন বণ্ড, এণ্টন শ্বেকভ, অ' হেনৰীৰ দৰে অনন্য বৈশিষ্ট্যপূৰ্ণ। বুলন শইকীয়াৰ কবিতাই নতুন প্ৰজন্মক চিন্তাৰ বাট বুলিবলৈ সুবিধা দিব বুলি উল্লেখ কৰি তেওঁ কয় যে ভুলটোক ভুল বুলি ক'ব পৰাৰ সাহস আছিল বুলনৰ। নতুন প্ৰজন্মই তেওঁৰ চিন্তা চৰ্চাক বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আছে বুলি কয়। গ্ৰন্থখনিৰ সম্পাদক ৰতন হাজৰিকাই আঁত ধৰা অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, বিশিষ্ট সাহিত্যিক গুণেশ্বৰ সোণোৱাল, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰ, নামফাকে বৌদ্ধ বিহাৰৰ বিহাৰাধ্যক্ষ জ্ঞানপাল মহাথেৰ, বুলন কুমাৰ শইকীয়াৰ সহধৰ্মিনী নৱনীতা কোঁৱৰ শইকীয়াৰ উপস্থিতিত গ্ৰন্থখনি উন্মোচন কৰাৰ পিছতেই প্ৰথম কপিটো নিলাম কৰা হয়। ১০০১ টকাৰ পৰা আৰম্ভ হোৱা এই নিলামত ২০ হাজাৰ টকাত গ্ৰন্থখনখন ক্ৰয় কৰে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে। তেখেতে নিজৰ বক্তব্যত বুলন কুমাৰ শইকীয়াৰ জীৱন আৰু দৰ্শন ওপৰত আলোকপাত কৰাৰ লগতে শইকীয়াৰ কন্যা ভৈৰৱী শইকীয়া পঢ়া-শুনাৰ বাবে যাৱতীয় খৰচৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰে। নামফাকে বৌদ্ধ বিহাৰৰ ভাণ্টে গৰাকীয়ে বুলন কুমাৰ শইকীয়াই যি সকল সাংবাদিকক হাতত ধৰি ধৰি সাংবাদিকতাৰ আদি পাঠ দিছিল সেইসকল সাংবাদিক সভাত উপস্থিত নথকা কাৰ্যত ক্ষোভ প্ৰকাশ কৰি কয় যে সেই সকল সাংবাদিকে সমাজৰ কি উন্নতি কৰিব। অনুষ্ঠানত যোৰহাট, ধেমাজি, দুলীয়াজান, টেঙাখাট, নামৰূপ আৰু স্থানীয় ডেৰ শতাধিক লোকে বুলনৰ শুভাকাংক্ষী, বিশিষ্ট ব্যক্তি আৰু গুণমুগ্ধৰ উপস্থিতিত অনুষ্ঠিত এই গ্ৰন্থখন উন্মোচনৰ পিছতেই ৫০ শতাংশ ৰেহাই মূল্যত গ্ৰন্থখন বিক্ৰী কৰা হয়। গ্ৰন্থ বিক্ৰী কৰি পোৱা সমুদায় ধন বুলন কুমাৰ শইকীয়াৰ পৰিয়ালক ন্যাসে অৰ্পণ কৰিব। এই অনুষ্ঠানতে ন্যাসৰ সদস্য জয়শ্ৰী বৰুৱা আৰু বুলন কুমাৰ শইকীয়াৰ কন্যা ভৈৰৱী শইকীয়াই একোটিকৈ কবিতা পাঠ কৰাৰ লগতে বুলন কুমাৰ শইকীয়া সম্পৰ্কে দেৱজিৎ সোণোৱালে প্ৰস্তুত কৰা এখনি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়।

## সংস্থাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে পুঁজি আবণ্টন পাবলৈ বিধায়ক দেউৰীক স্মাৰক পত্ৰ প্ৰদান

# বিধায়ক ৰমাকান্ত দেউৰীক মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্বৰ্দ্ধনা



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীক আজি মৰিগাঁও জিলা সাংবাদিক সংস্থাই নিজ কাৰ্যালয়ত আনুষ্ঠানিক ভাৱে সম্বৰ্দ্ধনা জনায়। ৫৪ নং মৰিগাঁও সমষ্টিৰ পৰা তৃতীয়বাৰলৈ নিৰ্বাচিত হোৱা বিজেপি দলৰ বিধায়ক দেউৰীক বিয়লিৰ ভাগত অংগবস্ত্ৰ, মানপত্ৰ আদিৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ হৈ সম্বৰ্দ্ধনা জনায় সভাপতি অজিত শৰ্মাই। সম্পাদক গুলজাৰিলাল শৰ্মাই আঁতধৰা অনুষ্ঠানটোত সম্বৰ্দ্ধনা গ্ৰহণ কৰি বিধায়ক দেউৰীয়ে এগৰাকী জনপ্ৰতিনিধি হিচাপে তেওঁৰ সমষ্টিবাসীৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা অকপটে স্বীকাৰ কৰে। মৰিগাঁও সমষ্টিৰ লগতে জিলাখনৰ উন্নয়নক প্ৰাধান্য দি আগন্তুক দিনবোৰত নিষ্ঠা আৰু সততাৰে জনপ্ৰতিনিধিৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি যাব বুলিও তেওঁ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সম্বৰ্দ্ধনা অনুষ্ঠানটোত একোটিকৈ শুভেচ্ছামূলক চমু ভাষণ প্ৰদান কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, প্ৰাক্তন সভাপতি ক্ৰমে প্ৰতাপ হাজৰিকা আৰু বিৰিঞ্চি কুমাৰ শৰ্মাই। সম্বৰ্দ্ধনা অনুষ্ঠানতে সংস্থাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে পুঁজি আবণ্টন পাবলৈ বিধায়ক গৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মৰিগাঁও জিলা বিজেপিৰ সম্পাদক জিতু বৰা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি ক্ৰমে উপেন চন্দ্ৰ ডেকা, মহেন্দ্ৰনাথ হাজৰিকা, জগদীশ নাথ, প্ৰাক্তন সম্পাদক বুবুমণি গোস্বামী, প্ৰণৱ ভট্টাচাৰ্য, উপসভাপতি কল্পতৰু চৌধুৰী, সহকাৰী সম্পাদক জোন ফৰিদুল ঠাকুৰীয়া প্ৰমুখ্যে বিষয়ববীয়া আৰু সদস্য সকল উপস্থিত থাকে।

# আজিও নিজ ঘৰলৈ উভতি যাব পৰা নাই বিহুবৰৰ বানাক্ৰান্তসকল

**অসম বাৰ্তা, গেলেকী, ১০ ছেপ্টেম্বৰ ঃ** বিগত সময়ত অহা ভয়াৱহ বানপানীয়ে সৰ্বস্বান্ত কৰা বিহুবৰৰ বহু পৰিয়ালে আজিও নিজৰ আপোন ঘৰখনলৈ উভতি যাব পৰা নাই। বানপানীয়ে ঘৰ-দুৱাৰ, সা-সম্পত্তি আৰু জীৱন-জীৱিকাৰ ওপৰত চলোৱা ব্যাপক ধ্বংসলীলাৰ ফলত দুৰ্ভগীয়া লোকসকল এতিয়াও আশ্ৰয় শিবিৰ, আত্মীয়-স্বজনৰ ঘৰ বা অস্থায়ী আশ্ৰয়স্থলতে দিন কটাবলগীয়া হৈছে। বানপানীৰ জলস্তৰ কমাৰ পিছতো ক্ষতিগ্ৰস্ত অঞ্চলসমূহত স্বাভাৱিক পৰিৱেশ এতিয়াও ঘূৰি অহা নাই। বানত আক্ৰান্ত হৈ বহু লোকৰ বাসগৃহ জৰাজীৰ্ণ বা আংশিকভাৱে ধ্বংস হৈ পৰিছে। এই বাসগৃহসমূহ পুনৰ বাসযোগ্য কৰি তুলিবলৈ পৰ্যাপ্ত ধন আৰু সময়ৰ প্ৰয়োজন, যিটো অতিমাৰী বা বানপীড়িত পৰিয়ালসমূহৰ বাবে অত্যন্ত দুৰ্লভ হৈ পৰিছে। এই কঠিন পৰিস্থিতিত ক্ষতিগ্ৰস্ত লোকসকলে ক্ষোভ আৰু দুখ প্ৰকাশ কৰি চৰকাৰ তথা জিলা প্ৰশাসনৰ পৰা শীঘ্ৰে পুনৰ সংস্থাপন, ক্ষতিপূৰণ, গৃহ নিৰ্মাণৰ সাহায্য আৰু প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দাবী জনাইছে। নিজৰ ভাঙি পৰা ঘৰখনলৈ কেতিয়া পুনৰ উভতি যাব পাৰিব এই আশাতেই এতিয়া দিন গণিছে বিহুবৰৰ বানপীড়িত প্ৰতিটো পৰিয়ালে।

# আই আই টি গুৱাহাটীত বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ ছেপ্টেম্বৰ ঃ** বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উপলক্ষে বৃহস্পতিবাৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT) গুৱাহাটীত কমৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু IIT গুৱাহাটীৰ সহযোগত এক সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। আত্মহত্যা প্ৰতিৰোধ সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰা, মানসিক স্বাস্থ্যৰ বিষয়ে মুকলিকৈ আলোচনা কৰাৰ পৰিৱেশ গঢ়ি তোলা আৰু মানসিক সমস্যাত ভুগি থকা ব্যক্তিসকলক সময়মতে সহায় আৰু পৰামৰ্শ লাভৰ বাবে উৎসাহিত কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল। এই বছৰৰ বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱসৰ মূল বিষয়বস্তু আছিল "Changing the Narrative on Suicide" আৰু ইয়াৰ আহ্বান আছিল "Start the Conversation"। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ডাঃ জয়ন্ত দাসে কয় যে মানসিক স্বাস্থ্য সম্পৰ্কে আলোচনা কৰিবলৈ এতিয়াও বহু লোকে সংকোচ অনুভৱ কৰে। তেওঁ শাৰীৰিক স্বাস্থ্যৰ দৰেই মানসিক স্বাস্থ্যৰ বিষয়েও বিদ্যালয়, কৰ্মক্ষেত্ৰ, পৰিয়াল আৰু সমাজত মুকলিকৈ আলোচনা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ হতাশা বা অন্যান্য মানসিক সমস্যাত ভুগি থকা ব্যক্তিসকলক নিজৰ অনুভূতি প্ৰকাশ কৰিবলৈ উৎসাহিত কৰা আৰু সময়মতে উপযুক্ত সহায় তথা চিকিৎসা লাভৰ সুযোগ প্ৰদান কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি তেওঁ উল্লেখ কৰে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই মানসিক স্বাস্থ্য সম্পৰ্কে ভয়, সংকোচ বা সামাজিক বিচাৰৰ আশংকামুক্ত এক সহায়ক পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে শিশু আৰু কিশোৰ-কিশোৰীৰ মানসিক সুস্থতা নিশ্চিত কৰাৰ ক্ষেত্ৰত ইতিবাচক আৰু সহায়ক অভিভাৱকত্বৰ গুৰুত্বৰ কথাও তেওঁ উল্লেখ কৰে। কাৰ্যসূচীত আত্মহত্যা প্ৰতিৰোধৰ ক্ষেত্ৰত মানসিক স্বাস্থ্যজনিত সমস্যাৰ আগতীয়া চিনাক্তকৰণ, মনোযোগেৰে আনৰ কথা শুনা, মানসিক সমৰ্থন আগবঢ়োৱা আৰু সময়মতে পেছাদাৰী সহায় লাভ কৰাৰ গুৰুত্ব পুনৰ দোহৰা হয়। বক্তাসকলে উল্লেখ কৰে যে পৰিয়াল, শিক্ষানুষ্ঠান, কৰ্মক্ষেত্ৰ, স্বাস্থ্যসেৱা প্ৰদানকাৰী আৰু সমাজৰ সামূহিক প্ৰচেষ্টাৰ জৰিয়তেই সংকটৰ সময়ত কোনো ব্যক্তিয়েই যাতে নিজকে অকলশৰীয়া অনুভৱ নকৰে, সেয়া নিশ্চিত কৰিব পৰা যায়। অনুষ্ঠানৰ সামৰণিত মানসিক স্বাস্থ্যৰ বিষয়ে খোলাখুলিকৈ কথা পতাৰ, সহানুভূতিৰে আনৰ কথা শুনাৰ আৰু প্ৰয়োজনৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে সমাজৰ সকলো স্তৰৰ লোকলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানত, কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) মনিকা বৰগোহাঁই, IIT গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেবেন্দ্ৰ জলিহাল, ডাঃ জয়ন্ত দাস, ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য কাৰ্যসূচী (NMHP)-ৰ পৰামৰ্শদাতা ডাঃ প্ৰকাশ বৰ্মন, ডাঃ অন্বেষক দাস, ডাঃ জয়শ্ৰী দাসৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## কবিৰ প্ৰিয় সোণাৰু গছ ৰোপণ, আজাদ পুস্তকালয়লৈ মূল্যৱান গ্ৰন্থদান

# জন্মভূমিত নীলমণি ফুকনৰ জন্মদিন



**অসম বাৰ্তা, দেৰগাঁও, ১০ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত দেৰগাঁও আজাদ পুস্তকালয়ৰ উদ্যোগত আজি জ্ঞানপীঠ বঁটা বিজয়ী কবি নীলমণি ফুকনৰ ৯৪ সংখ্যক ওপজা দিন উপলক্ষে 'নীলমণি ফুকনৰ সাৰস্বত সাধনা আৰু সিদ্ধি' শীৰ্ষক এখন মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হয়। শিক্ষাবিদ যতীন্দ্ৰনাথ নেওগৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটোত পুস্তকালয় পৰিচালনা সমিতিৰ সম্পাদক ৰাজেন পূজাৰীয়ে আঁত ধৰে। আলোচনা চক্ৰত বক্তব্য আগবঢ়াই দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অতিৰিক্ত উপাধ্যক্ষ ড° চণ্ডীচৰণ গোস্বামীয়ে কয় যে শিক্ষা, কাব্য আৰু কলা সাধনাৰ জৰিয়তে সিদ্ধি লাভ কৰা নীলমণি ফুকন আধুনিক অসমীয়া কবিতাৰ ধাৰা প্ৰৱৰ্তক। চিত্ৰকল্পই তেওঁৰ কবিতাৰ মূল বাহক বুলি উল্লেখ কৰি তেওঁ কয় যে নীলমণি ফুকনৰ চিন্তন নিৰ্মাণত দেৰগাঁৱৰো গুৰুত্বপূৰ্ণ অৱদান আছে। আজাদ পুস্তকালয়ে প্ৰতিবছৰে কবিগৰাকীৰ ওপজা দিন পালন কৰি এক বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰি অহাৰ বাবেও তেওঁ শলাগ লয়। সঞ্চালক শিক্ষাবিদ যতীন্দ্ৰনাথ নেওগে কয় যে নীলমণি ফুকনৰ কবিতাত প্ৰত্যক্ষ বক্তব্যতকৈ অনুভূতিৰ প্ৰকাশ অধিক। তেওঁৰ কবিতাত কোনো নিৰ্দিষ্ট ৰাজনৈতিক বা সামাজিক বাদৰ প্ৰভাৱ নাই; আছে এক গভীৰ নীৰৱতা আৰু কল্পনাৰ বিস্তৃতি। এই গভীৰ কল্পনাশক্তিয়েই তেওঁক এগৰাকী শ্ৰেষ্ঠ কবিলৈ ৰূপান্তৰিত কৰিছে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বিদ্যালয়ৰ অধ্যক্ষা জ্যোতিকুমাৰী শৰ্মা আৰু শিক্ষক দুগ্ধ চন্দ্ৰ গোস্বামীয়েও বক্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে কাব্যঋষি নীলমণি ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিক্ষাবিদ প্ৰাণ গোপাল বৰঠাকুৰে। অনুষ্ঠানত গোলাঘাট জিলা ভিত্তিত কৃতী শিক্ষক বঁটা লাভ কৰা সাহিত্যিক দুগ্ধ চন্দ্ৰ গোস্বামীক সম্বৰ্ধনা জনোৱা হয়। শিক্ষয়িত্ৰী গীতাৰ্থী ঠাকুৰ, কবি তথা ৰে'লৰে অভিযন্তা অনুপম মহন্ত আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অনিমা দেৱী বৰঠাকুৰে কবিতা আবৃত্তি কৰে। সভাত কাৰ্যকৰী সভাপতি দুলু বৰুৱা, ৰমেশ বৰুৱা, সঞ্জীৱ শৰ্মা, সঞ্জীৱ প্ৰতিম বৰুৱা, চিত্তৰঞ্জন বৰুৱা, অমৰ বৰুৱা, কুমুদ বৰা, অনাদি বৰঠাকুৰ, জ্যোতিকুমাৰী শৰ্মা, ৰাতুল শৰ্মা, কালী প্ৰসন্ন বৰুৱা, চক্ৰধৰ বৰুৱা, শশাংকৰ বড়ি আদিকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাৰ শেষত বিচিত্ৰভূষণ কলিতাই শলাগৰ শৰাই আগবঢ়ায়। ইফালে, আজি পুৱা প্ৰয়াত কবিগৰাকীৰ সহধৰ্মিণী দুলুমণি ফুকনে প্ৰায় ১০ হাজাৰ টকা মূল্যৰ মূল্যৱান গ্ৰন্থৰ টোপোলা দেৰগাঁও আজাদ পুস্তকালয়লৈ আগবঢ়ায়। কবিৰ পৰিয়ালৰ হৈ ভতিজাক অঞ্জন ফুকনৰ পৰা গ্ৰন্থৰ টোপোলাটো গ্ৰহণ কৰে পুস্তকালয়ৰ সম্পাদক ৰাজেন পূজাৰীয়ে। এই সময়ত ৰমেশ বৰুৱা আৰু কালী প্ৰসন্ন বৰুৱাও উপস্থিত থাকে। গুৱাহাটীৰ অন্বেষা গ্ৰন্থ প্ৰকাশনেও আজাদ পুস্তকালয়লৈ গ্ৰন্থৰ টোপোলা প্ৰেৰণ কৰে। কবিগৰাকীৰ প্ৰিয় সোণাৰু গছৰ স্মৃতি সংৰক্ষণৰ উদ্দেশ্যে আজি পুৱা আজাদ পুস্তকালয়ৰ সম্পাদক ৰাজেন পূজাৰীৰ নেতৃত্বত লাচিত বৰফুকন পুলিচ একাডেমিৰ ওচৰৰ ফ'ৰলেনৰ দাঁতিত ১১টা সোণাৰু গছৰ পুলি ৰোপণ কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সমাজকৰ্মী দুলু বৰুৱাই।

# দৰং জিলাত ৯ম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ৰ জিলা পৰ্যায়ৰ অভিসৰণ সভা তথা উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, দেওমৰনৈ, ১০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় পৰ্যায়ত ৯ ছেপ্টেম্বৰত ৯ম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ৰ শুভাৰম্ভণিৰ সৈতে সংগতি ৰাখি দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু মহিলা উন্নয়ন আৰু শিশু বিকাশ বিভাগৰ সহযোগত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা পৰ্যায়ৰ অভিসৰণ সভা তথা উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। দৰং জিলাৰ জিলা আয়ুক্ত আয়ুষী জৈন, IAS-ৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, বিশিষ্ট সমাজকৰ্মী মকুন্দ ডেকা আৰু কমলেশ বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা, মহিলা উন্নয়ন আৰু শিশু বিকাশ বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকল, জিলাখনৰ বিভিন্ন শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়াসকল, সহযোগী বিভাগসমূহৰ মুৰব্বী বিষয়াসকল তথা অন্যান্য সংশ্লিষ্ট অংশীদাৰসকল উপস্থিত থাকে। এইবাৰৰ ৯ম ৰাষ্ট্ৰীয় পোষণ মাহৰ মূল বিষয়বস্তু হৈছে "আমাৰ অংগনৱাড়ী, আমাৰ দায়িত্ব"। ইয়াৰ অধীনত খাদ্যৰ বৈচিত্ৰ্য আৰু পৰ্যাপ্ত প্ৰ'টিন গ্ৰহণৰ প্ৰসাৰ, অংগনৱাড়ী কেন্দ্ৰত সতেজ আৰু ৰন্ধা গৰম আহাৰ, সামাজিক অংশীদাৰিত্ব আৰু জবাবদিহিতা, প্ৰাৰম্ভিক শৈশৱকালীন যত্ন, শিক্ষা আৰু বিকাশ, তথা প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ জৰিয়তে মাতৃস্বাস্থ্যৰ যত্ন আদি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। পোষণ মাহৰ অধীনত ৰূপায়ণ হ'বলগীয়া বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে জিলাখনত পুষ্টিৰ ফলাফল উন্নত কৰা, স্বাস্থ্যসন্মত আৰু সুষম খাদ্যাভ্যাসৰ প্ৰসাৰ, প্ৰাৰম্ভিক শিশু যত্ন আৰু শিক্ষণ ব্যৱস্থা অধিক শক্তিশালী কৰা, মাতৃ আৰু শিশু কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা বৃদ্ধি কৰা তথা পুষ্টিৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ দায়বদ্ধতা আৰু সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। সভাৰ আৰম্ভণিতে মহিলা উন্নয়ন আৰু শিশু বিকাশ বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াই আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে অভিসৰণ সভাৰ উদ্দেশ্য আৰু পোষণ মাহৰ তাৎপৰ্য ব্যাখ্যা কৰে। ইয়াৰ পিছত বিভাগটোৰ জিলা কাৰ্যসূচী সমন্বয়ক পাৰভেজ মেহদীয়ে জিলা পৰ্যায়ত ৰূপায়ণ হ'বলগীয়া পোষণ মাহৰ বিভিন্ন কাৰ্যসূচীৰ ওপৰত এক তথ্যসমৃদ্ধ PowerPoint Presentation আগবঢ়াই সমগ্ৰ অভিযানটোৰ লক্ষ্য, উদ্দেশ্য আৰু কাৰ্যপন্থাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে ৰাষ্ট্ৰীয় পোষণ মাহক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক প্ৰশংসনীয় পদক্ষেপ হিচাপে অভিহিত কৰে। পোষণ মাহৰ কাৰ্যসূচী কেৱল এটা মাহৰ ভিতৰতে সীমাবদ্ধ নাৰাখি পুষ্টি সজাগতাৰ এই প্ৰচেষ্টা দৈনন্দিন জীৱনৰ অংশ হিচাপে অব্যাহত ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ আজিৰ অনুষ্ঠানতে নিজৰ স্থানীয় অঞ্চলৰ SAM (Severe Acute Malnutrition)ত আক্ৰান্ত শিশুসকলৰ ভিতৰত এগৰাকী শিশুৰ ছয় মাহ অথবা এবছৰৰ বাবে পুষ্টিগত দায়িত্ব গ্ৰহণ কৰাৰ কথাও আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অনুষ্ঠানত উপস্থিত বিশিষ্ট সমাজকৰ্মী মকুন্দ ডেকা আৰু কমলেশ বৰুৱাইও নিজৰ ভাষণত মাতৃসকলৰ মাজত পুষ্টিকৰ খাদ্যৰ বিষয়ে অধিক সজাগতা সৃষ্টি কৰাৰ লগতে দৈনন্দিন খাদ্য তালিকাত স্থানীয়ভাৱে উপলব্ধ আৰু ঘৰুৱাভাৱে উৎপাদিত পুষ্টিকৰ খাদ্য অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্ত আয়ুষী জৈনে নিজৰ ভাষণত পোষণ মাহৰ কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে সকলো সংশ্লিষ্ট বিভাগক সমন্বিতভাৱে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। জিলাখনত বৰ্তমান থকা মুঠ ১,৬৪৪টা অংগনৱাড়ী কেন্দ্ৰৰ অন্ততঃ এক-তৃতীয়াংশ কেন্দ্ৰত Nutri-Garden স্থাপনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। লগতে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহৰ কাম-কাজ অধিক ক্ষিপ্ৰ আৰু ফলপ্ৰসূ কৰি তোলাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। জিলা পৰ্যায়ত এইবাৰ তিনি ধৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেইসমূহ হৈছে—এইবাৰ 'মোৰ অংগনৱাড়ী, মোৰ পোষণ থালী', পোষণ গোপালভোগ প্ৰস্তুতি উৎসৱ' আৰু SAM শিশু adoption। আজিৰ অনুষ্ঠানৰ অংশ হিচাপে ৩ গৰাকী MAM (Moderate Acute Malnutrition) শিশুক ফলৰ টোপোলা বিতৰণ কৰা হয়। লগতে এক উল্লেখযোগ্য পদক্ষেপ হিচাপে SAM (Severe Acute Malnutrition)-ত আক্ৰান্ত এগৰাকী শিশুৰ পুষ্টিগত দায়িত্ব জিলা আয়ুক্ত আয়ুষী জৈনে গ্ৰহণ কৰে। শিশুটিয়ে স্বাভাৱিক স্বাস্থ্য আৰু পুষ্টিগত অৱস্থা পুনৰ লাভ নকৰালৈকে জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজনীয় পুষ্টিকৰ খাদ্যৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব। এই পদক্ষেপে অপুষ্টিত ভোগা শিশুসকলৰ বাবে বিশেষ যত্ন, পুষ্টিগত সহায় আৰু নিয়মীয়া নিৰীক্ষণ নিশ্চিত কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ দায়বদ্ধতা আৰু প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে। উল্লেখযোগ্য যে ১১ ছেপ্টেম্বৰৰ পৰা ১৭ ছেপ্টেম্বৰ, ২০২৬লৈ "খাদ্যৰ বৈচিত্ৰ্য আৰু পৰ্যাপ্ত প্ৰ'টিন" বিষয়বস্তুৰ ওপৰত জিলাখনৰ অংগনৱাড়ী কেন্দ্ৰসমূহত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উপযুক্ত কেন্দ্ৰীয় স্থানত ওচৰ-পাজৰৰ অংগনৱাড়ী কেন্দ্ৰসমূহক একত্ৰিত কৰি POSHAN Mela আয়োজন কৰা হ'ব। এই মেলাসমূহত পুষ্টি বিষয়ক খেল-ধেমালি, শিশুৰ বৃদ্ধি নিৰীক্ষণ, স্বাস্থ্য পৰীক্ষা আৰু স্থানীয়ভাৱে উপলব্ধ ঋতুভিত্তিক পুষ্টিকৰ খাদ্যৰ প্ৰদৰ্শন আদি অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰি মাতৃসকলৰ মাজত স্বাস্থ্যসন্মত আৰু স্থানীয় খাদ্যৰ ৰন্ধন প্ৰদৰ্শনী তথা ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। এই কাৰ্যসূচীসমূহত স্থানীয়ভাৱে উপলব্ধ, সাংস্কৃতিকভাৱে উপযোগী আৰু প্ৰ'টিনসমৃদ্ধ পুষ্টিকৰ পৰিপূৰক আহাৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। অংগনৱাড়ী কেন্দ্ৰসমূহে অঞ্চলভেদে স্থানীয়ভাৱে উপলব্ধ প্ৰ'টিনসমৃদ্ধ খাদ্যৰ উৎসসমূহ চিনাক্ত কৰি প্ৰদৰ্শন কৰাৰ লগতে Village Health, Sanitation and Nutrition Day (VHSND)-ৰ মঞ্চ ব্যৱহাৰ কৰি খাদ্যৰ বৈচিত্ৰ্য, অনাময়, প্ৰ'টিনসমৃদ্ধ খাদ্য আৰু টিকাকৰণৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিব। POSHAN Champion উদ্যোগৰ অধীনত স্থানীয় উচ্চ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক পুষ্টি বিষয়ক চাৰ্ট প্ৰস্তুত কৰা, সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা আৰু হিতাধিকাৰীসকলৰ মাজত পুষ্টি সম্পৰ্কীয় বাৰ্তা প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰা হ'ব। লগতে Home Science আৰু Nutrition বিষয়ৰ প্ৰতিষ্ঠান, পুষ্টি পৰামৰ্শদাতা, NRC Dietician তথা অন্যান্য সংশ্লিষ্ট বিশেষজ্ঞসকলক বিভিন্ন সজাগতা কাৰ্যসূচীত জড়িত কৰা হ'ব। জিলা প্ৰশাসনে সকলো সংশ্লিষ্ট বিষয়া, অংগনৱাড়ী কৰ্মী, স্ব-সহায়ক গোট, সম্প্ৰদায়ৰ সদস্য, অভিভাৱক আৰু অন্যান্য অংশীদাৰক POSHAN Maah 2026-ৰ অধীনত ৰূপায়ণ হ'বলগীয়া বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সামূহিক অংশগ্ৰহণ আৰু আন্তঃবিভাগীয় অভিসৰণৰ জৰিয়তে জিলাখনত পুষ্টি, মাতৃস্বাস্থ্য আৰু প্ৰাৰম্ভিক শিশু বিকাশৰ ক্ষেত্ৰত অধিক সজাগতা আৰু দায়বদ্ধতা গঢ়ি তুলি এক সুস্থ, পুষ্টিসম্পন্ন আৰু সবল প্ৰজন্মৰ ভেটি সুদৃঢ় কৰাৰ লক্ষ্যৰে POSHAN Maah 2026 ৰূপায়ণ কৰা হ'ব।

পথাৰত কাম কৰি থকা অৱস্থাতে বজ্ৰপাতত মৃত্যু দুই বৃদ্ধৰ

# গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত বজ্ৰপাতৰ তাণ্ডৱ

**অসম বাৰ্তা, গোলকগঞ্জ, ৯ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তৰ কেদাৰ তৃতীয়খণ্ডত সংঘটিত এক মৰ্মান্তিক ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। পথাৰত কাম কৰি থকা অৱস্থাত বজ্ৰপাত পৰি একেলগে মৃত্যু ঘটে দুই বৃদ্ধৰ। মৃত দুজনক কেদাৰ তৃতীয়খণ্ডৰ বাসিন্দা মচলেম উদ্দিন (৭৫) আৰু আবুল হুছেইন (৬৫) বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, দুয়োজন ব্যক্তি খেতিৰ কামৰ বাবে ভাৰত-বাংলাদেশ সীমান্তৰ কাঁটাতাৰৰ সিপাৰে থকা নিজৰ কৃষিভূমিলৈ গৈছিল। সীমান্তৰ ৫১ নম্বৰ গেটেৰে পাৰ হৈ পথাৰত কাম কৰি থকা সময়তে হঠাতে মুষলধাৰ বৰষুণৰ সৈতে অহা প্ৰচণ্ড বজ্ৰপাতত দুয়োজনেই ঘটনাস্থলীতে ঢলি পৰে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে সীমান্ত সুৰক্ষা বাহিনী (BSF) আৰু গোলকগঞ্জ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষী আৰু বিএছএফে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, মৃত দুয়োজন সম্পৰ্কত খুড়া-ভতিজা বুলি জানিব পৰা গৈছে। আকস্মিক এই ঘটনাত কেদাৰ তৃতীয়খণ্ডৰ লগতে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ সৃষ্টি হৈছে। ঘটনাক লৈ স্থানীয় ৰাইজে শোক প্ৰকাশ কৰাৰ লগতে সীমান্তৰ কাঁটাতাৰৰ সিপাৰে কৃষিকাৰ্য কৰিবলৈ যোৱা লোকসকলৰ সুৰক্ষা সন্দৰ্ভতো উদ্বেগ প্ৰকাশ কৰিছে।

কবিতা বৰাৰ কবিতা পুথি "লহৰ" উন্মোচন

# নামনি মাজুলীৰ ভালুকমৰাত মনোজ্ঞ অনুষ্ঠান

**অসম বাৰ্তা, মাজুলী, ৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ উদীয়মান কবি, সমাজ সচেতক মহিলা, নামনি মাজুলীৰ ভালুকমৰাৰ বাসিন্দা কবিতা বৰাৰ প্ৰথমখন কবিতা পুথি লহৰ আজি উন্মোচন কৰা হয়। ভালুকমৰাৰ নৱ নিৰ্মিত নামঘৰত অনুষ্ঠিত হোৱা এক মনোজ্ঞ অনুষ্ঠানত উক্ত কবিতা পুথিখন উন্মোচন কৰা হয়। উক্ত কবিতা পুথি উন্মোচন উপলক্ষে আজি প্ৰথমটো কাৰ্যসূচী গছপুলি ৰোপণ কৰে বিশিষ্ট পৰিৱেশকৰ্মী তথা সেউজ মিত্ৰ অতুল হাজৰিকাই। সমাজকৰ্মী তথা ভালুকমৰাৰ পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ সঞ্চালক যতীন্দ্ৰ নাথ মূদৈৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত উন্মোচনী সভাৰ আঁত ধৰে কবি কবিতা বৰাই। ভালুকমৰা গাঁৱৰ মহিলাসকলে পৰিৱেশন কৰা দিহানামৰে শুভাৰম্ভ কৰা কবিতা পুথি উন্মোচনী অনুষ্ঠানটো উদ্বোধন কৰে বিশিষ্ট কবি, লেখক তথা মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ডিম্বেশ্বৰ ভূঞাই। অনুষ্ঠানত কবিতা বৰাৰ কবিতা পুথি "লহৰ" আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰঞ্জিৎকুমাৰ ভূঞাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে লোকশিল্পী তথা পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাং, মাজুলী কবি সন্মিলনৰ সভাপতি যুগল ভূঞা আৰু সম্পাদক শ্যামন্ত পায়েং, অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেবেন বৰুৱা, সহকাৰী শিক্ষক বসন্ত কুমাৰ শইকীয়া, নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক, কবি দিগন্ত শইকীয়া, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তথা বিশিষ্ট লেখিকা বৰ্ণালী ভূঞা, কমলাবাৰী একাডেমিৰ শিক্ষয়িত্ৰী পম্পী হাজৰিকা, বিশিষ্ট কবি তথা লেখক ৰাজু কলিতা, কবি লক্ষিপ্ৰসাদ ৰেগন, পপী দাস, দৰ্শনা দাস, কবি, সৈনিক ভাস্কৰজ্যোতি কুটুম, ধ্ৰুৱজ্যোতি বৰা, লেখিকা সুৰ হাজৰিকা, গায়ত্ৰী হাজৰিকা, বিশিষ্ট ব্যৱসায়ী ফিজু দত্ত, জয়ন্ত শইকীয়া, ৰমেন ভূঞা আদিয়ে অংশগ্ৰহণ কৰি নিজৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত অভিনেতা যতীন বৰাৰ একক সংলাপ প্ৰক্ষেপন, শিল্পী অমিয় কুমাৰ চিৰাঙৰ ভূপেন্দ্ৰ সংগীত পৰিৱেশন আৰু কবি শ্যামন্ত পায়েঙে কবিতা আবৃত্তি কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত, কবিতা পুথি উন্মোচনী অনুষ্ঠানত ভালুকমৰা গাঁৱৰ মহিলাসকলে কবি কবিতা বৰাক আদৰণী জনায়। অনুষ্ঠানত কবি কবিতা বৰাই নিজৰ কবিতা পুথি প্ৰকাশৰ অনুভৱ প্ৰকাশ কৰি সৃষ্টিৰ আঁৰৰ অভিজ্ঞতা ব্যাখ্যা কৰি 'মোৰ এদিন মৃত্যু হ'ব' শীৰ্ষক স্বৰচিত কবিতা পাঠ কৰে।

নতুনকৈ নিৰ্মাণ হ'ব শ্ৰীলোহিত গাঁও পঞ্চায়তৰ বৃহৎ কাৰ্যালয় গৃহ

# নামনি মাজুলীৰ শ্ৰীলোহিত গাঁও পঞ্চায়তৰ কাৰ্যালয় গৃহৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ

পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰিলে খণ্ড উন্নয়ন বিষয়া অবিনাশ টায়ে'

**অসম বাৰ্তা, উজনী মাজুলী, ১০ ছেপ্টেম্বৰ ঃ** মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ শ্ৰীলোহিত গাঁও পঞ্চায়তৰ নতুন কাৰ্যালয় গৃহৰ আজি নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰা হয়। পঞ্চায়তখনৰ গোৱালগাঁও তিনিআলিত থকা পুৰণি কাৰ্যালয় গৃহটো ভাঙি আজিৰ পৰা নতুন কাৰ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে। পঞ্চদশ বিত্তীয় আয়োগৰ ২০২৫-২০২৬ বৰ্ষৰ অনুদানৰ ১২, ৬৯, ২০০.০০ টকাৰে নিৰ্মাণ হ'বলগীয়া শ্ৰীলোহিত গাঁও পঞ্চায়তৰ "কাৰ্যালয় গৃহ"টিৰ আজি শিলন্যাস কৰি শুভাৰম্ভ কৰা হয়। এক মাংগলিক উদ্বোধনী অনুষ্ঠানত মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অবিনাশ টায়ে আজি ফিতা কাটি আৰু শিলান্যাস কৰি উক্ত নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰে। এই উপলক্ষে আজি পুৱা দহ বজাত অনুষ্ঠিত হোৱা নিৰ্মাণ কাৰ্য শুভাৰম্ভ অনুষ্ঠানত শতাধিক লোকে অংশগ্ৰহণ কৰে। উক্ত, শুভাৰম্ভ অনুষ্ঠানৰ আঁত ধৰে শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সচিব অমূল্য নাথে। স্থানীয় জ্যেষ্ঠ নাগৰিক জয়ৰাম বৰাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা অনুষ্ঠানত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সভাপতি মনোজ টাইদে নাৰিকল ভাঙি নিৰ্মাণ কাৰ্য আৰম্ভ কৰে। ৰাইজৰ ব্যাপক মংগল ধ্বনি, আয়তিৰ উৰুলিৰ মাজেৰে আজি নতুনকৈ নিৰ্মাণ হ'বলগীয়া শ্ৰীলোহিত গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্য খণ্ড উন্নয়ন বিষয়া অবিনাশ টায়ে উদ্বোধন কৰে আৰু প্ৰকৃত প্ৰাককলন অনুসৰি, উন্নত মানদণ্ডৰে, নিৰ্দিষ্ট সময়ত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণ প্ৰতিষ্ঠানক আহ্বান জনায়। অনুষ্ঠানত মাজুলী উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা দীপাংকৰ শইকীয়া, শ্ৰীলোহিত গাঁও পঞ্চায়তৰ উপ-সভাপতি দীপক বৰাৰ লগতে গাঁও পঞ্চায়তখনৰ সকলো ৱাৰ্ড সদস্য -সদস্যা উপস্থিত আছিল। অনুষ্ঠানত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সভাপতি মনোজ টাইদে পঞ্চায়তৰ অন্তৰ্গত জনসাধাৰণৰ সুবিধা আৰু সামগ্ৰিক উন্নয়নক অগ্ৰাধিকাৰ দি গ্ৰহণ কৰা এনে জনকল্যাণমুখী পদক্ষেপে শ্ৰীলোহিত গাঁও অঞ্চলৰ সামাজিক পৰিৱেশ অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত শ্ৰীলোহিত গাঁও পঞ্চায়তৰ সকলো কৰ্মচাৰী ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত নিৰ্মাণ প্ৰতিষ্ঠানৰ হৈ পানীৰাম টাইদে শ্ৰীলোহিত গাঁও পঞ্চায়তৰ এটা উন্নত মানদণ্ডৰে কাৰ্যালয় গৃহ নিৰ্মাণ কৰাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে পঞ্চায়ত সচিব অমূল্য নাথে।

# নামনি মাজুলীৰ মিলিজুলি যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত আন্তঃমাজুলী যুগ্ম কেৰম প্ৰতিযোগিতাত শিৱ দত্ত - নবীন নৰহ চেম্পিয়ন



**অসম বাৰ্তা, উজনী মাজুলী, ১০ ছেপ্টেম্বৰ ঃ** নামনি মাজুলীৰ মিলিজুলি যুৱক সংঘৰ উদ্যোগত যোৱা ৫ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা মাজুলী ভিত্তিক যুগ্ম কেৰম প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন যোৱা ৰাতি অনুষ্ঠিত হয়। নামনি মাজুলীৰ গোৱাল গাঁও তিনিআলিত "মিলিজুলি" যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত আন্তঃমাজুলী যুগ্ম কেৰম প্ৰতিযোগিতাত শিৱ দত্ত আৰু নবীন নৰহ চূড়ান্ত বিজয়ী হয়। কালি ৰাতি অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনত শিৱ দত্ত আৰু নবীন নৰহে তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত সুদীপ্ত নাথ আৰু পবিত্ৰ শইকীয়াক ২-০ ব্যৱধানত পৰাস্ত কৰে। চূড়ান্ত খেলখন পৰিচালনা কৰে ৰঞ্জিত শইকীয়া আৰু পাপুল ভঁৰালীয়ে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ যুগ্ম কেৰম খেলুৱৈ হিচাপে হেমন্ত মিশ্ৰ আৰু ভবেন মেধিক বিচাৰক মণ্ডলীয়ে নিৰ্বাচিত কৰে। চূড়ান্ত খেলখনৰ শেষত অনুষ্ঠিত হোৱা পুৰস্কাৰ বিতৰণী সভাত সভাপতিত্ব কৰে মিলিজুলি যুৱক সংঘৰ সভাপতি জীৱন শইকীয়াই। সম্পাদক দিগন্ত বৰুৱাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট ক্ৰীড়া সংগঠক ৰাজীৱ দত্ত ভূঞা, পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতা, খেল পৰিচালক ৰঞ্জিত শইকীয়াই বক্তব্য প্ৰদান কৰে। উক্ত, বঁটা বিতৰণী অনুষ্ঠানত প্ৰতিযোগিতাৰ দাতা প্ৰয়াত প্ৰবীণ দত্ত আৰু ভূপেন মূদৈৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত খেল পৰিচালক ৰঞ্জিত শইকীয়া, পাপুল ভঁৰালী, নীলমণি পাটিৰ, অশোক বৰা, ভদ্ৰ দলে আৰু উত্তম বৰাক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰা হয়। বঁটা বিতৰণী সভাত বিজয়ী, বিজিত আৰু শ্ৰেষ্ঠ খেলুৱৈক ট্ৰফী, মানপত্ৰ আৰু নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সম্পাদক দিগন্ত বৰুৱাই।

অপৰাধ শাখাৰ অধীক্ষকজন দাসৰ নেতৃত্বত বৃহৎ আৰক্ষী অভিযান

# অ.এন.জি.চি. পাইপলাইনৰ পৰা তেল চুৰি কৰা চক্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত সৰুপথাৰৰ আৰক্ষী অধীক্ষক দীপেন পাটৰক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১০ ছেপ্টেম্বৰ ঃ** অ.এন.জি.চি.ৰ তেল পৰিবাহী পাইপলাইনৰ পৰা খাৰুৱা তেল চুৰিৰ ঘটনাৰ তদন্তৰ মাজতে এইবাৰ আৰক্ষীৰ জালত পৰিল সৰুপথাৰ সমজিলাৰ আৰক্ষী অধীক্ষক দীপেন পাটৰ। খাৰুৱা তেল চুৰিৰ সৈতে জড়িত চক্ৰটোৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত বৃহস্পতিবাৰে গোলাঘাট জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অধীক্ষকজন দাসৰ নেতৃত্বত চলোৱা এক বৃহৎ আৰক্ষীৰ অভিযানত আৰক্ষী বিষয়াগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে, যোৱা ৪ আগষ্টত উৰিয়ামঘাটৰ ৰজাপুখুৰীৰ এটা জনবহুল এলেকাৰ মাজেৰে যোৱা অ.এন.জি.চি.ৰ তেল পৰিবাহী পাইপলাইন ফুটা কৰি ক্ৰুড অইল চুৰি কৰাৰ ঘটনা পোহৰলৈ আহিছিল। ঘটনাটোক কেন্দ্ৰ কৰি উৰিয়ামঘাট আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি তেল চুৰি চক্ৰটোৰ মাষ্টাৰমাইণ্ড হিচাপে চিহ্নিত দুলীয়াজানৰ অমিত বৰশইকীয়াক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ উপৰি ঘটনাটোৰ সৈতে জড়িত থকাৰ অভিযোগত ধুবুৰীৰ গোপাল বৰ্মন, ৰজাপুখুৰীৰ লুকু শ্যাম আৰু উৰিয়ামঘাটৰ লক্ষ্মী শ্যামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। ঘটনাটোৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত থকাৰ সময়তে বৃহস্পতিবাৰে গোলাঘাট জিলা আৰক্ষীৰ অপৰাধ শাখাই অভিযান চলাই সৰুপথাৰ সমজিলাৰ আৰক্ষী অধীক্ষক দীপেন পাটৰক গ্ৰেপ্তাৰ কৰাত আৰক্ষী মহলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, অ.এন.জি.চি.ৰ পাইপলাইনৰ পৰা খাৰুৱা তেল চুৰিৰ সৈতে জড়িত চক্ৰটোৰ সৈতে আৰক্ষী বিষয়াগৰাকীৰ যোগাযোগ বা সহযোগিতা থকাৰ সন্দেহত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। অৱশ্যে খাৰুৱা তেল চুৰি চক্ৰটোৰ সৈতে আৰক্ষী বিষয়াগৰাকীৰ প্ৰকৃত সংযোগ কিমানদূৰ, সেয়া তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে স্পষ্ট হ'ব। আৰক্ষীয়ে ঘটনাটোৰ সৈতে জড়িত অন্যান্য লোকসকলৰ সন্ধানতো তদন্ত অব্যাহত ৰাখিছে। আনহাতে, বৃহস্পতিবাৰে সৰুপথাৰ সমজিলা আৰক্ষী অধীক্ষক দীপেন পাটৰক গ্ৰেপ্তাৰ কৰাৰ বিষয়টো সন্দৰ্ভত গোলাঘাট জিলাৰ নৱনিযুক্ত আৰক্ষী অধীক্ষক স্বপ্নদীল ডেকাই এখন সংবাদমেল আয়োজন কৰি ঘটনাৰ সবিশেষ অৱগত কৰে। সংবাদমেলত আৰক্ষী অধীক্ষকগৰাকীয়ে খাৰুৱা তেল চুৰি চক্ৰটোৰ সৈতে জড়িত সকলো দোষী ব্যক্তিকে অতি সোনকালে গ্ৰেপ্তাৰ কৰা হ'ব বুলি জানিবলৈ দিয়ে। সৰুপথাৰ সমজিলা আৰক্ষীৰ এগৰাকী উচ্চপদস্থ বিষয়াক খাৰুৱা তেল চুৰিৰ দৰে গুৰুতৰ অভিযোগত গ্ৰেপ্তাৰ কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

অসমীয়া বিষয়ত ৯৯.৩৪ পাৰ্চেণ্টাইল; নিজৰ অধ্যৱসায়, মাতৃৰ ত্যাগ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত সাফল্য

# UGC-NETত উজলিল মৰিয়নিৰ নাংমু বুঢ়াগোহাঁই

**অসম বাৰ্তা, মৰিয়নি, ১০ ছেপ্টেম্বৰ ঃ** ২০২৬ চনৰ জুন মাহত সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপক পৰীক্ষা (UGC-NET)ত অসমীয়া বিষয়ত ৯৯.৩৪ পাৰ্চেণ্টাইল লাভ কৰি সাফল্য অৰ্জন কৰিছে মৰিয়নিৰ পুখুৰীয়া গাঁৱৰ নাংমু বুঢ়াগোহাঁইয়ে। এই ফলাফলৰ জৰিয়তে নাংমুৱে সহকাৰী অধ্যাপক (Assistant Professor) আৰু জুনিয়ৰ ৰিছাৰ্চ ফেল'শ্বিপ (JRF)-ৰ বাবে যোগ্যতা অৰ্জন কৰিছে। পুখুৰীয়া গাঁৱৰ প্ৰয়াত মুনিন বুঢ়াগোহাঁই আৰু ৰুমচেঙ বৰপাত্ৰগোহাঁইৰ কনিষ্ঠ কন্যা নাংমুৱে মৰিয়নি মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু মৰিয়নি মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ হয়। পৰৱৰ্তী সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। বৰ্তমান নাংমু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী। নাংমুৰ এই সফলতাৰ আঁৰত আছে মাতৃৰ দীৰ্ঘদিনীয়া ত্যাগ আৰু সংগ্ৰাম। পিতৃৰ মৃত্যুৰ পিছত পৰিয়ালটোৰ আৰ্থিক দায়িত্ব মাতৃয়ে কান্ধ পাতি লয়। ২০১০ চনৰ পৰা ফে'ৰীত শ্ৰমিক হিচাপে নিয়োজিত হৈ মাতৃয়ে কঠোৰ পৰিশ্ৰম কৰি কন্যাৰ পঢ়া-শুনাৰ খৰচ বহন কৰি আহিছে। আৰ্থিক প্ৰত্যাহ্বানৰ মাজতো কন্যাৰ উচ্চ শিক্ষাৰ সপোন পূৰণৰ বাবে মাতৃয়ে আগবঢ়োৱা ত্যাগে নাংমুক অনুপ্ৰাণিত কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। ইফালে, নাংমুৱে তেওঁৰ শিক্ষাজীৱনত মৰিয়নি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায়-সহযোগিতাৰ কথাও কৃতজ্ঞতাৰে উল্লেখ কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকলে শৈক্ষিক দিশত পথ প্ৰদৰ্শন কৰাৰ লগতে প্ৰয়োজনৰ সময়ত আৰ্থিকভাৱেও সহায় আগবঢ়াই ছিল বুলি নাংমুৱে জানিবলৈ দিয়ে। তেওঁলোকৰ সহায় আৰু উৎসাহে কঠিন সময়ত অধ্যয়ন অব্যাহত ৰখাত যথেষ্ট সহায় কৰিছিল বুলি তেওঁ কয়। অসমীয়া মাধ্যমত অধ্যয়ন কৰিয়েই সৰ্বভাৰতীয় পৰ্যায়ৰ UGC-NETত ৯৯.৩৪ পাৰ্চেণ্টাইল লাভ কৰি সফলতা অৰ্জন কৰা নাংমুৰ এই কৃতিত্বই পুখুৰীয়া গাঁৱৰ লগতে মৰিয়নি অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। মাতৃৰ ত্যাগ, শিক্ষকৰ সহায় আৰু নিজৰ অধ্যৱসায়ৰ সমন্বয়ত লাভ কৰা এই সাফল্যই অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীসকলৰ বাবেও এক অনুপ্ৰেৰণাৰ বাৰ্তা কঢ়িয়াই আনিছে।

# জিলা পৰ্যায়ত ৯ম ৰাষ্ট্ৰীয় পোষণ মাহ-২০২৬ৰ শুভাৰম্ভ আৰু সমন্বয় সভা অনুষ্ঠিত




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ** ৯ম ৰাষ্ট্ৰীয় পোষণ মাহ—২০২৬ উপলক্ষে আজি জিলা আয়ুক্ত কাৰ্যালয়, মৰিগাঁৱৰ সন্মিলন কক্ষত জিলা পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠান আৰু সমন্বয় সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত ডাঃ নীলাক্ষী বৈশ্য, ACS-এ বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে অনুষ্ঠিত সমন্বয় সভাত মাতৃ আৰু শিশুৰ পুষ্টি সূচক উন্নয়নৰ লক্ষ্যৰে বিভিন্ন বিভাগৰ সমন্বিত কৰ্মপৰিকল্পনা আৰু তৃণমূল পৰ্যায়ত ফলপ্ৰসূ ৰূপায়ণৰ কৌশল সন্দৰ্ভত আলোচনা কৰা হয়। সভাত যৌথ স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ক চাহ বাগিচা অঞ্চলত স্বাস্থ্য শিবিৰ আয়োজন আৰু ৰক্তাল্পতাগ্ৰস্ত শিশু চিনাক্তকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। বিদ্যালয়সমূহত পোষণ চেম্পিয়ন বাছনি আৰু পুষ্টি সজাগতা কাৰ্যসূচী ৰূপায়ণৰ বাবে পৰিদৰ্শক বিদ্যালয়ৰ কাৰ্যালয়ক দায়িত্ব দিয়া হয়। জনস্বাস্থ্য কাৰিকৰী (PHE) বিভাগক WASH (পানী, পৰিচ্ছন্নতা আৰু স্বাস্থ্যবিধি) সজাগতা অভিযান আৰু দুৰ্বল অঞ্চলসমূহত নিৰাপদ খোৱাপানীৰ যোগান নিশ্চিত কৰাৰ নিৰ্দেশ দিয়া হয়। আয়ুষ বিভাগক সম্প্ৰদায়ভিত্তিক যোগ আৰু সুস্থতা অধিবেশন আয়োজনৰ দায়িত্ব দিয়া হয়। ডাক বিভাগক প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা (PMMVY) আৰু সুকন্যা সমৃদ্ধি যোজনাৰ বিষয়ে সজাগতা বৃদ্ধিৰ লগতে মাতৃ আৰু কন্যা শিশুৰ কল্যাণমূলক আঁচনিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে সমন্বয় বৃদ্ধিৰ আহ্বান জনোৱা হয়। অনুষ্ঠানত সহকাৰী আয়ুক্ত মৃগাক্ষী বৰুৱা, জিলা সমাজ কল্যাণ বিষয়া, যৌথ স্বাস্থ্য সেৱা সঞ্চালক, পৰিদৰ্শক বিদ্যালয়, ডাক পৰিদৰ্শক, কাৰ্যবাহী অভিযন্তা (PHE), আয়ুষৰ নোডেল বিষয়া, CDPOসকল, জিলা পৰিষদৰ প্ৰতিনিধি আৰু ITC লিমিটেডৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন